# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

PROCEEDINGS OF THE FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME-I

**No. 21**

**The 30th March, 1987**

Price Rs: 27·00

CONTENTS

# (Budget Session)

## Volume—I

## No. 21

Dated, the 30th March, 1987


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Voting on Demands for Grants | 43 |
| 3. | The Assam Appropriation ( No. II ) Bill 1987 | 95 |
| 4: | Adjournment | 126 |
| 5. | Annexure I, II, III. | 127 |


—o—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Monday, March 30, 1987

The house met at 9. A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED
## QUESTIONS & ANSWERS

( To which oral answers were given )

### বিষয় : মৰিগাওঁ মহকুমাত শিক্ষক নিযুক্তি

শ্ৰী মতি দাসে সুধিছে :

* ৩৭৯ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিগাওঁ শিক্ষা মহকুমাৰ অন্তৰ্গত ১৭ খন মাধ্যমিক বিদ্যালয়ত ১৭ জন অতিৰিক্ত শিক্ষক নিযুক্তিৰ বিষয়ে অভিযোগ চৰকাৰে পাইছে নেকি ?

(খ) যদি পাইছে, উক্ত অভিযোগৰ ওপৰত কিবা ব্যৱস্থা লোৱা হৈছেনে ?

(গ) যদি নাই লোৱা তেন্তে অতি সোনকালে লোৱা হবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই পোৱা।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰী মতি দাস : মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ শিক্ষা মহকুমাৰ অন্তৰ্গত ১৭ খন মাধ্যমিক বিদ্যালয়ত ১৭ জন অতিৰিক্ত শিক্ষক নিযুক্তিৰ তথ্যপাতি আমাৰ হাতত আছে। কিন্তু মন্ত্ৰী মহোদায় পোৱা নাই বুলি কৈছে। বিভাগত হয়তো থাকিব পাৰে। এই শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত আমাৰ হাতত প্ৰমাণ আছে। তেওঁলোকে এতিয়া কিছুমানে কলেজত আৰু কিছুমানে স্কুলত পঢ়ি আছে। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ত তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অতিৰিক্ত শিক্ষক নিযুক্তিৰ বিষয়ে কোনো অভিযোগ চৰকাৰে পোৱা নাই। মাধ্যমিক শিক্ষা সঞ্চালকে মৰিগাওঁ শিক্ষা মহকুমাৰ অন্তৰ্গত মাধ্যমিক শিক্ষা বিদ্যালয়ত অতিৰিক্ত শিক্ষক নিযুক্তি দিয়া

হোৱা নাই বুলি জনাইছে। মজলীয়া বিদ্যালয়ৰ ক্ষেত্ৰত মৰিগাওঁৰ মহকুমাৰ শিক্ষক নিযুক্তিত খেলিমেলি হোৱা সম্পৰ্কে কেইখনমান অভিযোগ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পাইছে আৰু এই অভিযোগ সম্পৰ্কে বিতং তদন্ত কৰিবলৈ এজন উপসঞ্চালকক সঞ্চালকে দায়িত্ব দিছে। তদন্ত শেষ নোহোৱালৈকে অতিৰিক্ত পদৰ বিপৰীতে মৰিগাওঁ মজলীয়া স্কুলত নিযুক্তি নিদিবলৈও প্ৰাথমিক সঞ্চালকে জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দ্দেশ দিছে।

শ্ৰী মতি দাস : মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষক সকলৰ নিযুক্তিৰ পিচত তেওঁলোকৰ যিখিনি ব্যক্তিগত এবিয়াৰ পে সেইখিনি দ্ৰ কৰি তেওঁলোকে ভাগ কৰি লৈছে। গতিকে এহ বিষয়ে মন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়. এই বিষয়টো তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। বিষয়টোৰ তদন্তৰ পিচত ব্যৱস্থা লোৱা হব।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, হাইস্কুল বিলাকত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিসকলে এই ভুল ৰিপোৰ্ট দিছে সেই সকলৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : তদন্ত সাপেক্ষে ব্যৱস্থা লম।

## Re. : Removal of Water Tank filling point.

Shri Altaf Hussain Mazumdar asked :

* 380 : Will the Minister, Municipal Administration be pleased to state :

(a) Whether the Government is aware that there is a Water tank filling point just at the turning point of the road and crowded market place at Fatak Bazar of Silchar Town, which causes traffic obstruction and damages black topped P. W. D. road ?

(b) Will the Government take steps to remove it therefrom ?

Shri Sahidul Alam Choudhury, ( Minister of Municipal Administration ) replied :

(a) There is a roadside watertank filling point at the turning point but not at crowded Fatak Bazar since 1968, Because it is roadside, neither traffic congestion nor damage of road occurs.

(b) Does not arise.

Shri Altaf Hussain Mazumder : Mr. Speaker Sir, my question is-can the Minister deny that it is in a very crowded turning point ? Secondly, whole day water leakage damages the P. W. D. road. P. W. D. is not in a position to maintain the road and traffic jam occurs in that turning point. So, I request the Hon'ble Minister to issue direction to remove the point from there so that traffic obstruction is not there.

শ্ৰী শহীদুল আলম চৌধুৰী ( পৰি প্ৰশাসন ) মন্ত্ৰী :

মাননীয় অধ্যক্ষ মহোদয়, তেনেধৰণৰ প্ৰস্তাব আহিলে বিবেচনা কৰা হব।

Mr. Speaker : Starred question No: 381.

বিষয় : গোৱালপাৰাৰ স্কুল পৰিদৰ্শকৰ দ্বাৰা ৪ৰ্থ বৰ্গৰ পদত নিযুক্তি

শ্ৰীমজিৰুদ্দিন আহমেদে সুধিছে :

* ৩৮১ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰাৰ Inspectress of Schools মহোদয়াই বিনা জাননীত এজন ৪ৰ্থ বৰ্গৰ চাকৰিয়ালক নিযুক্তি দিয়া কথাটো সচাঁনে ?

(খ) যদি সঁচা, উক্ত নিযুক্তি বিধি সন্মত হৈছেনে আৰু যদি নাই হোৱা পুনৰ বিবেচনা কৰি বিধিগত ভাবে নতুনকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) যিহেতু এই নিযুক্তি চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী এজনৰ ছুটীত খালী হোৱা '(Leave Vacancy)' পদত সম্পূৰ্ণ অস্থায়ী ভাৱে দিয়া হৈছিল, সেয়ে বিজ্ঞাপন দিয়াৰ প্ৰশ্ন নুঠে। এই ক্ষেত্ৰত উক্ত নিযুক্তি অবৈধ বুলি কব নোৱাৰি। আনহাতে যিহেতু ছুটীত থকাজনে পুনৰ কামত যোগদান দিলে,

খালি পদ নাথাকিব তেনে ক্ষেত্রত নতুনকৈ নিযুক্তি দিয়া প্ৰশ্ন নুঠে।

শ্ৰীমজিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে জনাবনে যে ৪ৰ্থ বৰ্গ চাকৰীয়াল নিযুক্তি দিয়াৰ ক্ষেত্ৰত তেজপুৰৰ পৰা প্ৰাৰ্থী নি গোৱালপাৰা'ত নিযুক্তি দিয়া হৈছিল নেকি ?

শ্ৰী বৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিধৰণে কৈছে সেইধৰণে তেজপুৰৰ পৰা কোনো লোকক গোৱাল-পাৰাত নি নিযুক্তি দিয়া হোৱা নাই। গোৱালপাৰা জিলাৰ স্কুলসমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ত এজন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ছুটীত খালী হোৱা পদত শ্ৰীগোলাপ বৰুৱা নামৰ লোক এজনক অস্থায়ী ভাৱে নিযুক্তি দিয়া হৈছিল। উক্ত লোক-জনৰ ঘৰ দৰং জিলাৰ মঙ্গলদৈত। লোকজনৰ পূৰ্ব্ব অভিজ্ঞতা সম্পন্ন আৰু শিক্ষাগত অৰ্হতা থকা। ছুটীত থকা নিয়মীয়া কৰ্মচাৰী জনে কামত যোগদান কৰিলে এই অস্থায়ী নিযুক্তি অন্ত পৰিব।

Mr. Speaker : Now Starred Question No. 382

## বিষয় : প্ৰতি মহকুমাত পৰিকল্পনা বোৰ্ড গঠন।

শ্ৰী আব্দুল জলিলে সুধিছে :

* ৩৮২ : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰৰ নতুন নীতি অনুসৰি অসমৰ প্ৰত্যেক মহকুমাত পৰিকল্পনা বোৰ্ড গঠন কৰা হ'লনে ?

(খ) এই বোৰ্ডসমূহক ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰৰ বাবে পৰিকল্পনাৰ টকা ধাৰ্য্য কৰা হৈছেনে ?

(গ) যদি হৈছে, কোনটো মহকুমাত কিমানকৈ টকা আৰু কি ভিত্তিত ধাৰ্য্য কৰিছে ?

(ঘ) এই টকাৰ উপৰিও মহকুমাবোৰত ৰাজ্যিক পৰিকল্পনাৰ আচনিও অন্তভুক্ত হবনে ?

(ঙ) যদি হয়, ১৯৮৬-৮৭ চনত কোনটো মহকুমাত কিমান টকাৰ কিমান আচনি অন্তৰ্ভুক্ত কৰা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমৰ ভৈয়াম অঞ্চলৰ প্ৰত্যেক মহকুমাতে পৰিষদ গঠন কৰা হৈছে।

(খ) ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰৰ বিকেন্দ্ৰীকৃত পৰিকল্পনা আচনিৰ বাবে

বিভিন্ন উন্নয়ন শিতানত টকা ধাৰ্য্য কৰা হোৱা নাই। কিন্তু মহকুমা পৰিষদৰ কাম চলাবৰ বাবে জিলা সদৰত যি একোটাকৈ পৰিকল্পনা গোট গঠন কৰা হৈছে, সেই গোটৰ বিভিন্ন খৰচৰ বাবেহে টকা ধাৰ্য্য কৰা হৈছে।

(গ) বিভিন্ন কৰ্মচাৰী সকলৰ দৰ্মহা আৰু অন্যান্য প্ৰশাসনীয় ব্যয়ৰ বাবে ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰত সদনৰ মেজত থোৱা বিৱৰণীত উল্লেখ কৰা ধৰণে টকা আবণ্টন কৰা হৈছে, এই টকা কৰ্মচাৰী সকলৰ সংখ্যা আৰু অন্যান্য আৱশ্যকৰ ওপৰত ভিত্তি কৰি আবণ্টন দিয়া হৈছিল।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মহকুমা ভিত্তিত যিবিলাক বিকেন্দ্ৰীকৰণ পৰিকল্পনাৰ জৰিয়তে বিভিন্ন মহকুমাত বিভিন্ন পৰিকল্পনাৰ শিতানত পৰিকল্পনাৰ টকা মঞ্জুৰী কৰা হৈছে এইটো চৰকাৰে ইয়াত ইনটেক্ট ৰাখিব নে কাট-কুট কৰাৰ সম্ভাৱনা আছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : ১৯৮৭-৮৮ চনৰ যিখিনি টকা আবণ্টণ কৰা হৈছে সেইখিনি খৰচ কৰোতে যদি থিক থাকে থিকেই থাকিব যদি থিক নাথাকে কাট-কুট কৰা হব পাৰে।

**Shri Shanti Ranjan Dasgupta :** Mr. Speaker Sir, I shall be pleased to know from the Hon'ble Chief Minister about the discriminatory policy in allowing money in different sub-divisions under this head: Why there was discrimination ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : There is no question of discrimination. টকা ধৰা হৈছে।

Shri Shanti Ranjan Dasgupta : Is Hojai Sub-Division with a lesser Population than the Morigaon Sub-Division ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এচ, চি, এচ, টিৰ কথা জড়িত হৈ আছে।

বিষয়ঃ ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষক কৰ্ম্মচাৰীঃ

শ্ৰী শ্বেখ ছামান আলীয়ে সুধিছে :

* ৩৮৩ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষক আৰু কৰ্ম্মচাৰী সকলৰ কাৰণে "Contributory Provident Fund" ৰ ব্যৱস্থা আছেনে ?

(খ) যদি নাই, চৰকাৰে ইয়াৰ ব্যৱস্থা কৰিবনে আৰু যদি কৰে, তেন্তে কেতিয়া কৰিব ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছা সমূহ বিশেষ ধৰ্মীয় শিক্ষা অনুষ্ঠান। এই অনুষ্ঠান সমূহত কাম কৰা কৰ্মচাৰী সকলৰ চাকৰীৰ নিয়মাৱলী (Service Rule) চুড়ান্ত হোৱাৰ পাচতহে তেওঁলোকক বৰঙণি মূলক ভৱিষ্যনিধি (CPF) দিব পৰা হবনে নাই কব পৰা হব।

শ্ৰীমুক্তাৰ হুছেইন : অধ্যক্ষ মহোদয়, আমাৰ ওচৰতে পশ্চিমবংগত মাদ্ৰাছা স্কুলৰ শিক্ষক সকলৰ প্ৰভিদেণ্ট ফান্দ আৰু পেঞ্চন আদিৰ টকা সময়মতে যথাবিহিতভাবে দিয়া হয়। আমাৰ চৰকাৰে তেনেধৰণে কৰিলে জন সমৰ্থন পাব আৰু ভাল কাম হব। তাৰোপৰি আমাৰ টাইটেল মাদ্ৰাছা বিলাকৰ নন টিচিং ষ্টাফক মেডিকেল আৰু হাউচ ৰেণ্ট দিয়া হোৱা নাই। এইবিলাক দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষক আৰু কৰ্মচাৰী সকলৰ বাবে এখন 'খচৰা নিয়মাৱলী' (ড্ৰাফট চাৰ্ভিচ ৰুল ইতিমধ্যে প্ৰস্তুত কৰা হৈছে। উক্ত খচৰা নিয়মাবলীখন বৰ্ত্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে। উক্ত খচৰা নিয়মাৱলীখনত বৰঙণি মূলক ভবিষ্যনিধিৰ ( চি, পি, এফ ) দফাও সন্নিবিষ্ট হৈছে। গতিকে নিয়মাৱলীখন অনুমোদিত হোৱাৰ পিচতহে টাইটেল আৰু ছিনিয়ৰ মাদ্ৰাছাৰ শিক্ষক কৰ্মচাৰী সকলক বৰঙণিমূলক ভবিষ্য নিধি ( চি, পি, এফ ) দিয়া-হবনে নহয় এই বিষয়ে কবপৰা হব।

শ্ৰীমুক্তাৰ হুছেইন : অধ্যক্ষ মহোদয়, এইটো বিবেচনাধীন হৈ আছে। টাইটেল মাদ্ৰাছাৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰিবনে ? আৰু বাস্তৱত কেতিয়ামানে ৰূপায়িত হব আৰু কিমান সময় লাগিব নে বিবেচনাতেই থাকিব মন্ত্ৰী মহোদয়ে

জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে, নিয়মাৱলী প্ৰস্তুত কৰা হৈছে আৰু চৰকাৰে এই বিষয়ে বিবেচনা কৰি আছে। যিমান পাৰি সোনকালে এই ব্যৱস্থাসমূহ কাৰ্যকৰী কৰা হব।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, অসমত কেইবা শ্ৰেণীৰো মাত্ৰাছা আছে তাৰে কিছুমান প্ৰভিনচিয়েলাইজ। অসমত কি কি মাত্ৰাছা আছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, পূৰ্বৰ প্ৰশ্নৰ লগত এই প্ৰশ্ন সম্পূৰ্ণ বেলেগ আৰু সুকীয়া প্ৰশ্ন।

## বিষয় : কলিকতা আৰু দিল্লীৰ অসম ভৱন।

শ্ৰী দেবেশ্বৰ বৰাই সুধিছে :

* ৩৮৪ : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কলিকতা আৰু দিল্লীৰ অসম ভৱনত কোনোলোকে একেৰাহে বহু বছৰ ধৰি কোঠা অধিগ্ৰহণ কৰি থকাটো সঁচানে আৰু যদি সঁচা তেওঁলোক কোন জনাবনে ? (পৃথক তালিকা দাখিল কৰে যেন)

(খ) তেওঁলোকে অসম ভৱনত থকা বাবদ ভাড়া পৰিশোধ কৰি আছে নেকি আৰু যদি আছে কিমান টকা আছে ?

(গ) অসমৰ মানুহ কলিকতা আৰু দিল্লীলৈ গলে অসম ভৱনত থকাৰ পৰা বঞ্চিত হোৱা কথাটো সঁচানে ?

(ঘ) যদি জানে ইয়াৰ বাবে নতুন চৰকাৰে কি ব্যৱস্থা লৈছে ?

(ঙ) কলিকতা আৰু দিল্লীৰ অসম ভৱনত কিমান অসমৰ আৰু কিমান অন্য প্ৰদেশৰলোকে নিযুক্তিত আছে ? (পৃথককৈ দেখুৱাব)

(চ) বৰ্ত্তমান চৰকাৰৰ সময়ত কলিকতা আৰু দিল্লীৰ অসম ভৱনত কিমান মানুহে নিযুক্তি পালে আৰু ইয়াত অসমীয়া মানুহৰ নিযুক্তি সংখ্যা কিমান ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে।

মাননীয় সদস্য গৰাকীয়ে সোধা প্ৰশ্নৰ উত্তৰ দিবলগীয়া তথ্য সমূহ যিহেতু চৰকাৰৰ হাতত নাই, এই তথ্য সমূহ কলিকতা আৰু দিল্লীৰ অসম ভৱনৰ পৰা সংগ্ৰহ কৰিবলগীয়া হৈছে। দিল্লীৰ অসম ভৱনৰ পৰা পোৱা তথ্য সমূহ অসম্পূৰ্ণ হোৱা বাবে এই প্ৰশ্নৰ উত্তৰত সন্নিবিষ্ট কৰিব পৰা নগল। দিল্লীস্থ অসম ভৱনৰ সংক্ৰান্তত প্ৰয়োজনীয় তথ্যপাতি আনিবৰ বাবে বিহিত ব্যৱস্থা

লোৱা হৈছে।

এই প্ৰশ্নটোৰ উত্তৰ অকল কলিকতা অসম ভৱনৰ ওপৰত দিয়া হৈছে।

(ক) অসম ভৱন কলিকতাত একেৰাহে বহু বছৰ ধৰি কোনো লোক থকাটো সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) এই কথাটো সঁচা নহয়। কিন্তু যাত্ৰীৰ বেছি ভিৰ হ'লে সকলো যাত্ৰীকে অসম ভৱনত থাকিবলৈ দিব পৰা সম্ভৱ নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) মুঠ অফিচাৰ আৰু কৰ্ম্মচাৰীৰ সংখ্যা ৭২ জন। ১৭ জন চৰকাৰী চাকৰিয়াল অসমৰ লোক। তাৰে ২ জন অফিচাৰ, ১৩ জন তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী আৰু ২ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। অন্য প্ৰদেশৰ মুঠ কৰ্মচাৰী সংখ্যা ৫২ জন-তাৰে ২২ জন তৃতীয় শ্ৰেণীৰ আৰু ৩০ জন চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী। বৰ্ত্তমানে ৩ টা তৃতীয় শ্ৰেণীৰ পদ খালী আছে।

(চ) বৰ্ত্তমান চৰকাৰৰ সময়ত ১ জন গাড়ী চালক আৰু ১ জন চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক নিযুক্তি দিয়া হৈছে। ইয়াৰে এজন অসমৰ লোক।

শ্ৰী দেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, কলিকতা অসম ভৱনত কোনো লোক নাই বুলি কৈছে, কিন্তু আমি জনামতে এজন লোক ভাড়া দি আছে। অসম চৰকাৰে বৰ্ত্তমান সময়ত কলিকতা আৰু দিল্লীৰ অসম ভৱনত কিমান মানুহক নিযুক্তি কৰি দিলে ? আৰু অসমৰ ফালৰ পৰা কিমানজন মানুহক নিযুক্তি দিয়া হ'ল আৰু বাহিৰৰ পৰা কিমান জন মানুহক নিযুক্তি দিয়া হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অসম ভৱন কলিকতাত সৰ্ব্বশ্ৰী ডি দাস, ৰমেন দত্ত, নৱৰতন নাৰ্জাৰী নামে তিনিজন লোকে প্ৰশিক্ষণ লোৱা পৰিপ্ৰেক্ষিতত 'দৰ্মিটৰী' ইং ৩১/১/৮৭,১২/২/৮৭ আৰু ২৮/২/৮৭ তাৰিখৰ পৰা আছে। তেওঁলোকে থকাৰ বাবদ চৰকাৰে পাবলগীয়া ভাড়া আদি নিয়মিতভাবে দিছে। তেওঁলোকৰ পৰা মুঠতে ২৪৫ টকা পাইছে। আনহাতে শ্ৰীপ্ৰমোদ শইকীয়া নামৰ এজন ব্যক্তি ইং ১৭/২/৮৭ তাৰিখৰ পৰা 'দৰমিটৰীত' আছে। তেওঁ ইংৰাজী ৩০/৩/৮৭ তাৰিখে ভাৰা আদি দি খালি কৰিব বুলি বাণিজ্য উপদেষ্টাই জনাইছে।

সাধাৰণ প্ৰশাসন বিভাগৰ অনুমতি ক্ৰমে গুৱাহাটী নিজৰাপাৰাৰ শ্ৰীগৌতম গুহ নামৰ জনৈক ব্যক্তি দেউতাকৰ চিকিৎসাৰ সন্দৰ্ভত যোৱা ইং ১৬/৯/৮৬

তাৰিখৰ পৰা অসম ভৱনত দুমাহৰ বাবে থাকিব দিয়া হৈছিল। দুমাহৰ পাছত অৰ্থাৎ নিৰ্দ্ধাৰিত সময় উকলি যোৱাত শ্ৰীগুহক অসম ভৱনৰ কোঠা খালি কৰিব কোৱা হয় লগতে চৰকাৰে পাবলগীয়া ভাড়া আদি শোধন কৰিবলৈও নিৰ্দ্দেশ দিয়া হয়। কিন্তু তেওঁ ভাড়া আদি তথা কোঠালী খালি নকৰিলে। সাধাৰণ প্ৰশাসনৰ ১১/১২/৮৬ তাৰিখৰ নিৰ্দ্দেশ অনুসৰি শ্ৰীগুহক ভাড়া শোধন আৰু কোঠালী খালি কৰি দিবলৈ কোৱা হ'ল। কিন্তু তেওঁ ভাড়া আৰু কোঠালী খালি কৰি নিদিলে। শ্ৰীগুহই ইং ২/১/৮৭ তাৰিখে ভাড়া নিদিয়াকৈ কোঠালী বন্ধ কৰি মনে মনে গুচি যায়।

অসম চৰকাৰৰ কলিকতাস্থ বানিজ্য উপদেষ্টাই স্থানীয় পুলিচ আৰু আদালতৰ পৰা বিশেষ সাহাৰ্য্য নোপোৱাত অসম চৰকাৰলৈ বিহিত ব্যৱস্থাৰ কাৰণে পঠায়। এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। বৰ্ত্তমানে শ্ৰীগুহ থকা কোঠাটো বন্ধ অৱস্থাত আছে।

বৰ্ত্তমান চৰকাৰৰ সময়ত নিযুক্তি দিয়া চৰকাৰী কৰ্মচাৰী ২ জনৰ এজন অসমৰ। কলিকতা অসম ভৱনত মুঠতে দমিটৰীৰ বাহিৰে ৯২ খন বিচনাৰ বন্দৱস্ত আছে। তাৰে ১৮ খন বিচনা বিশিষ্ট ব্যক্তিৰ বাবে আছুতিয়াকৈ ৰখা আছে।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে তিনিটা পদ খালি থকা বুলি কৈছে। উক্ত পদ কেইটা কেতিয়া পূৰণ কৰা হল? দ্বিতীয়তে মহাৰাষ্ট্ৰ, বম্বে আদি অন্যান্য ৰাজ্যতো অসম ভৱন নিৰ্মান কৰাৰ কামত কিমান দূৰ অগ্ৰসৰ হৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বম্বে আৰু মাদ্ৰাজত অসম ভৱন নিৰ্মান কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা মাটি বিচৰা হৈছে আৰু মাটি নোপোৱালৈকে ভাড়াঘৰ বা কিনিব পৰা ঘৰ পোৱা যায়নেকি সেই বিষয়েও বিবেচনা কৰি আছে। ইতিমধ্যে আমাৰ চৰকাৰৰ ফালৰ পৰা অন্যান্য ৰাজ্য চৰকাৰ সমূহলৈ এই সম্পৰ্কত লিখা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰীকা : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, অসমৰ বাহিৰত থকা অসম ভৱন সমূহত যদি কোনোবাই আহি অসমৰ বিষয়ে কিবা জানিবলৈ বিচাৰে আৰু যদি অসমৰ বাহিৰৰ পৰা ৫২ জন মানুহক নিযুক্তি দিয়া হয় তেনেহলে অসমৰ প্ৰতিচ্ছবি

দাঙি ধৰাতো সম্ভৱপৰ নহব। গতিকে অসমৰ বাহিৰত যিবিলাক অসম ভৱন আছে সেই বিলাকত শতকৰা ১০০ ভাগেই অসমৰ মানুহ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই নিযুক্তি বিলাক এতিয়াও হোৱা নাই। এইবিলাক নিযুক্তি আগতেই হৈ গৈছে। ভবিষ্যতে চাব পৰা হব।

Starred Question No 385 was not Called for:

## Re. : Hazi Abdur Rahman wakf Estate,

Shri A. F. Golam Osmani asked.

* 386 will the Minister of Wakf be pleased to state:

(a) Whether it is a fact that the order of removal of Ataur Rahman Barlaskar, Mutawalli, Hazi Abdur Rahman wakf Estate was quashed by the Guwahati High Court vide Civil Rule No. 492/84 ?

(b) Whether it is a fact that the High Court directed the State Government to dispose of the appeal filed by Shri Barlaskar before the State Government within three weeks from the date of High Court's order dated 10.8.84 ?

(c) If so, whether the appeal has been disposed of as directed by the High Court ?

Shri Sahidul Alam Choudhury (The Minister of Wakf) replied :

(a) Yes.

(b) Yes.

(c) Due to change of Government the appeal could not be disposed of timely. However, on 31st December, 1986 the appeal was disposed of by the Government as directed by the Hon'ble High Court.

বিষয়ঃ বিদ্যাপাৰা আৰু নুনীয়া পট্টীৰ পৰিস্কাৰৰ কাম।

শ্ৰী মছিৰ উদ্দিন সেখে সুধিছেঃ

* ৩৮৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

(ক) ধুবুৰী চহৰৰ বিদ্যাপাৰা আৰু নুনীয়া পট্টীৰ বস্তী এলেকাত বছৰত ৬ মাহৰো বেছি সময় গেলাপচা বন্ধ হৈ থকাৰ কথা চৰকাৰে জানেনেঃ

(খ) যদি জানে, তেন্তে উক্ত অঞ্চল দুটাত নলা আদি খান্দি বন্ধ হৈ থকা গেলাপচা পানী উলিয়াই নি পৰিস্কাৰ কৰাৰ বাবে ব্যৱস্থা লোৱা হবনে ?

শ্ৰী চহিদুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

(ক) চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(খ) ইতিমধ্যে ধুবৰী পৌৰ সভাই পৰিস্কাৰৰ কাম হাতত লৈছে।

শ্ৰী মছিৰ উদ্দিন সেখ : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী পৌৰসভাই চৰকাৰৰ পৰা যেনেদৰে আৰ্থিক অনুদান পাব লাগে তেনেদৰে নাপায়। চৰকাৰৰ প্লেন এন এষ্টিমেটৰ মতে ধুবুৰী জিলাৰ পৌৰ সভাৰ যি টকা পইচা দিব লাগে সেইটো সোনকালে পোৱাৰ কিবা ব্যৱস্থা কৰি দিবনে ?

শ্ৰী চহিদুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ প্ৰস্তাৱ আহিছে, কিন্তু আমি চৰকাৰে খৰতকীয়া ভাৱে কাম হাতত লব পৰা নাই, এইটো কাৰ্য্যকৰী কৰাৰ কাৰণে যত্ন কৰিম।

বিষয় : মছলপুৰত মহকুমা স্থাপন।

শ্ৰী সুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

* ৩৮৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নলবাৰী জিলাৰ জনজাতি এলেকা "মছলপুৰত" দ্বিতীয় মহকুমা স্থাপনৰ বাবে বাইজে আবেদন নিবেদন কৰাৰ বিষয়ে চৰকাৰ অবগতনে ?

(খ) যদি অবগত "মছলপুৰত" দ্বিতীয় মহকুমা স্থাপনৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছেনেকি ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

(ক) অবগত।

(খ) এই বিষয়ে পোৱা আবেদন চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰী সুৰেন স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, 'মছলপুৰত' দ্বিতীয় মহকুমা

স্থাপনৰ কথাটো বিবেচনা হৈআছে বুলি জনাইছে এই কথাটোত আমি অলপ টান পাইছো। এইটো সম্পূৰ্ণ উত্তৰ হোৱা নাই। 'মছলপুৰ' মহকুমাটো স্থাপন হব বুলি আমাক আশ্বাস দিবনেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা আশ্বাস দিব পৰা নহব।

শ্ৰীপদ্মনাথ বৈৰী: মাননীয় অধ্যক্ষ মহোদয়, আজি মহকুমাৰ প্ৰস্তাৱ লৈছে, কিন্তু ইতিমধ্যে যিবিলাক ঠাইত মহকুমা হল, স্থাপন কৰা হল, সেই বিলাক অফিচ, অন্যান্য বিভাগবিলাক এতিয়ালৈকে যোৱা নাই। গতিকে এই বিলাকৰ ব্যৱস্থা অনতিপলমে কৰিবনে? মোৰ বিশ্বনাথ চাৰিআলিৰ ইনকম টেক্সৰ অফিচটো এতিয়ালৈকে যোৱা নাই। সেইবিলাকৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা বহুতো আপত্তি আছে। সেইবিলাক আমি পূৰ্ণাংগ কৰিব পৰা নাই। নতুন মহকুমাবিলাক আমি পূৰ্ণাংগ কৰি তুলিব পৰা নাই। আগতে এটা প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে আগতে দিয়া মহকুমাবিলাক পূৰ্ণাংগ নকৰালৈকে নতুন মহকুমা দিব পৰা নহব।

শ্ৰীমুক্তাৰ হুছেইন: মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভিতৰত বৰপেটা জিলাখনেই ডাঙৰ জিলা। এই বৰপেটাত প্ৰশাসনীক কাম কৰিবৰ কাৰণে এটা মহকুমা হোৱা নাই। তাত ৮ জন বিধায়কৰ ৮ টা সমষ্টি আছে। প্ৰশাসনীক ফালৰ পৰা তাত অসুবিধা হৈছে তেনেস্থলত বৰপেটা জিলাত এটা মহকুমা দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসমত ভৌগলিক ভাৱে দুখন ডাঙৰ জিলা আছে। সেইকেইখন হ'ল নগাওঁ আৰু ডিব্ৰুগড়। এই কথাতো প্ৰথমতে বিবেচনা কৰিব লাগিব। ইয়াত বৰপেটা জিলাৰ কথা সুধিছে, প্ৰথমতে যিবিলাক মহকুমা কৰা হ'ল সেইবিলাকক পূৰ্ণাংগ কৰাৰ পিচতহে বাকী বিলাকৰ কথা চৰকাৰে বিবেচনা কৰিব।

## বিষয়: আমগুৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক।

শ্ৰী ৰত্নেশ্বৰ চৰকাৰে সুধিছে:

* ৩৮৯: মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত আমগুৰী মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বৃন্দই যোৱা নবেম্বৰ মাহত সমদল যাত্ৰা কৰি উত্তৰ শালমাৰা মহকুমাৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ত গৈ দুৰ্নীতি পৰায়ণ প্ৰধান শিক্ষকৰ কাৰ্যকলাপৰ কথা উল্লেখ কৰি এখন আবেদন পত্ৰ দাখিল কৰা কথাটো জানেনে আৰু যদি জানে তাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰিলে ?

(খ) আমগুৰী মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ১৯৮৬-৮৭ চনত; চৰকাৰে বিনামূলীয়াকৈ যোগানধৰা পাঠ্যপুথিৰ দ্বিতীয় কিস্তি আজিলৈ নোপোৱাৰ কাৰণ কি আৰু প্ৰধান শিক্ষক মহোদয়ে ইয়াৰ বাবে কৰ্তৃপক্ষৰ ওচৰত কোনো দাবী জনাইছেনেকি ?

(গ) উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক মহোদয়ে ১৯৮৬ চনৰ ইংৰাজী বছৰটোত কিমান দিন বিদ্যালয়ত উপস্থিত আছিল জনাবনে ?

শ্ৰী বৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) জানে। এই সম্পৰ্কত স্কুলখনৰ প্ৰধান শিক্ষকক কৈফিয়ৎ তলব কৰা হৈছে। উত্তৰ শালমাৰাৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক আৰু এজন সহ-পৰিদৰ্শকে স্থানীয় বিধায়কৰ উপস্থিতিত স্কুলখন পৰিদৰ্শন কৰি ভৱিষ্যতৰ বাবে যাতে কোনো অনিয়ম নহয় তাৰ বাবে শিক্ষক কেইজনক সতৰ্ক কৰি দিয়ে।

(খ) জনোৱা নাই। আমগুৰী মজলীয়া বিদ্যালয়ৰ এজন সহকাৰী শিক্ষক আমগুৰী কেন্দ্ৰ সম্পাদক। স্কুল সহ-পৰিদৰ্শক সকলে কেন্দ্ৰ সম্পাদকৰ লগত লগ হৈ কিতাপ বিতৰণ কৰে। অভয়াপুৰী মজলীয়া শিক্ষক কেন্দ্ৰ সভাত ৭ খন মজলীয়া বিদ্যালয় আছে। তাৰে ৬ খনত ঠিক সময়মতে কিতাপ বিতৰণ কৰে। অকল আমগুৰী বিদ্যালয়খনেহে কিতাপ নোপোৱা বুলি ৰাইজৰ অভিযোগৰ পৰা জনা যায়। প্ৰধান শিক্ষকে তেওঁৰ বিদ্যালয়ত কিতাপ নিদিয়া সম্পৰ্কে কাকো জনোৱা নাছিল।

(গ) ১৯৮৬ চনত শিক্ষক হাজিৰামতে আমগুৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষকে ২২১ কাৰ্য্যদিনৰ ভিতৰত ১৬৪ দিন বিদ্যালয়ত উপস্থিত আছিল। সন্থাৰ কাম/অফিচৰ কামত ৩৮ দিন, ১৪ দিন নৈমিত্তিক ছুটী আৰু ৫ দিন কেন্দ্ৰ-সভাত উপস্থিত থকা বুলি শিক্ষক হাজিৰা বহীৰ পৰা দেখা যায়।

শ্ৰী ৰত্নেশ্বৰ চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত জনাইছে আৰু ভৱিষ্যতে যাতে এনেধৰণে খেলি-মেলি নহয় তাৰ কাৰণে বিবেচনা কৰিবনে ? লগতে অভয়াপুৰীত যি ৭ খন মজলীয়া স্কুল আছে তাত বিনা-

মূলীয়াকৈ কিতাপ দিছে যদিও আমগুৰী মজলীয়া বিদ্যালয়ত কিয় বিনামূলীয়াকৈ যোগান ধৰা হোৱা নাই মন্ত্রী মহোদয়ে এটি উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিবনে? লগতে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰী বৃন্দাবন গোস্বামী (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, আমগুৰী মজলীয়া বিদ্যালয়ৰ ছাত্র-ছাত্রী সকলে ৫।১১।৮৬ ইং তাৰিখে উপ-পৰিদৰ্শক উত্তৰ শালমাৰা অভয়াপুৰী কাৰ্য্যালয়ত উপস্থিত হৈ প্ৰধান শিক্ষক, শ্ৰীযোগেন্দ্ৰ চন্দ্ৰ পাঠক আৰু সহ শিক্ষক, যথাক্ৰমে শ্ৰীপ্ৰাণেশ্বৰ সেন আৰু শ্ৰীশোভা ৰাম নাথৰ বিৰুদ্ধে বিদ্যালয়ত নিয়মিত ভাৱে উপস্থিত নথকাৰ আবেদন দিয়া সঁচা। উক্ত মৰ্ম্মে প্ৰধান শিক্ষকজনৰ পৰা কৈফিয়ত্ তলব কৰা হৈছে আৰু বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক আৰু এজন সহ পৰিদৰ্শকক লগত লৈ বিদ্যালয়খন পৰিদৰ্শন কৰে আৰু ভবিষ্যতে যাতে তেনে কোনো অনিয়ম নহয় তাৰ বাবে সতৰ্ক কৰি দিয়ে। শেষ কিস্তিৰ কিতাপ ২৯।৭।৮৬ ইং তাৰিখে অনা হয় আৰু গৰম বন্ধ খোলাৰ লগে লগে সহ-পৰিদৰ্শকৰ জৰিয়তে কেন্দ্ৰ সম্পাদক সকলক কিতাপ বিতৰণ কৰিবলৈ দিয়া হয়। কিন্তু উক্ত কেন্দ্ৰ সভাত ৭ খন মজলীয়া বিদ্যালয়ৰ ভিতৰত ৬ খনেই কিতাপ বিতৰণ কৰিছে। অন্য হাতেদি কেন্দ্ৰ সম্পাদকজন উক্ত বিদ্যালয়ৰে সহঃ শিক্ষক। কিন্তু উক্ত বিদ্যালয়ত ছাত্র-ছাত্রীক কিতাপ নিদিয়া সম্পৰ্কে প্ৰধান শিক্ষকে কাকো জনোৱা নাছিল। কিন্তু ৰাইজৰ অভিযোগ পোৱাৰ পিছহে উক্ত সম্পৰ্কে জনা গৈছিল। উক্ত সন্দৰ্ভত অনুসন্ধান কৰিবলৈ সহঃ পৰিদৰ্শকক দিয়া হয় আৰু তাৰ প্ৰতিবেদন মৰ্মে প্ৰধান শিক্ষক, শ্ৰী যোগেন্দ্ৰ পাঠক আৰু সহঃ শিক্ষক শ্ৰী প্ৰাণেশ্বৰ সেনক শাস্তিমূলক ভাবে বদলি কৰিবলৈ জিলা প্ৰাথমিক শিক্ষা বিষয়াক প্ৰস্তাৱ দাখিল কৰা হৈছে।

## বিষয়: ধালীগাওঁ হাইস্কুলৰ বিজ্ঞান স্নাতক শিক্ষকৰ পদ।

শ্ৰী ফণীভুষণ চৌধুৰীয়ে সুধিছে:

* ৩৯০: মাননীয় শিক্ষামন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কোকৰাঝাৰ জিলাৰ ধালীগাওঁ হাইস্কুলৰ কেইটা মঞ্জুৰীপ্ৰাপ্ত বিজ্ঞান স্নাতক শিক্ষকৰ পদ আছে?

(খ) যোৱা ১৯৮৪ চনৰ পৰা ১৯৮৬ চনলৈ মঞ্জুৰীপ্ৰাপ্ত এটা বিজ্ঞান স্নাতকৰ পদত কাকো নিযুক্তি নিদিয়াকৈ প্ৰধান শিক্ষকে দৰমহাৰ বিল বনাই দৰমহা উঠাই থকা কথাটো সঁচানে?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২ টা।

(খ) হাজিৰা বহীমতে শ্ৰী ডানিলাল মোচাহাৰী ‘ বি এচ চি ’ নামৰ বিজ্ঞান স্নাতক শিক্ষক এজনে ৯।১২।৮৩ তাৰিখৰ পৰা ৩১।৫।৮৬ লৈ চাকৰী কৰিছিল আৰু এই পদ যোৱা ১।৬।৮৬ তাৰিখৰ পৰা খালী হৈ আছে।

শ্ৰী ফনীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, হাজিৰা বহীৰ মতে দেখিছো ডানিলাল মোচাহাৰীক প্ৰধানক শিক্ষক হিচাপে নিযুক্তি দিছে কিন্তু এই নামত কোনো শিক্ষক সেই স্কুলত নাছিল। গতিকে মন্ত্ৰী মহোদয়ে তদন্ত কৰি প্ৰধান শিক্ষকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, দুটা পদৰ (বিজ্ঞান স্নাতক) ভিতৰত এটা অসমীয়া মাধ্যমৰ আৰু আনটো বড়ো মাধ্যমৰ। কোকৰাঝাৰ স্কুল পৰিদৰ্শকে জনাইছে যে ধালীগাওঁ হাইস্কুলৰ প্ৰধান শিক্ষকক এজন প্ৰাকস্নাতক বিজ্ঞান’ শিক্ষক বড়ো মাধ্যম শাখাত শ্ৰীডানিলাল মোচাহাৰী বি, এচ, চি ৰ বিপৰীতে দেখুৱাই নিযুক্তি দিছিল। হাজিৰাবহী আৰু একুইটেন্স ৰোলৰ তথ্য মতে শ্ৰী ডানিলাল মোচাহাৰী বি, এচ, চি য়ে ৯।১২।৮৩ ৰ পৰা ৩১।৫।৮৬ লৈ চাকৰি কৰিছিল আৰু উক্ত পদ ১।৬।৮৬ তাৰিখৰ পৰা খালী হৈ আছে। বিষয়টো তদন্তাধীন হৈ আছে। সংশ্লিষ্ট স্কুল পৰিদৰ্শকক তদন্ত কৰি প্ৰতিবেদন দিবলৈ কোৱা হৈছে।

শ্ৰী গনেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাৰ কলাইগাৱত বিজ্ঞান শিক্ষক নিযুক্তি দিয়া কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰী বৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা স্বকীয়া প্ৰশ্ন কৰিলে ভাল হয়।

শ্ৰী জয়নাথ শৰ্মা : যিবিলাক প্ৰধান শিক্ষকে শিক্ষক নিযুক্তি নিদি ৰেজিষ্টাৰ্ড বহীত শিক্ষক নিযুক্তি দিয়া বুলি দৰ্মহাৰ ভাগ লয় তেওঁলোকৰ বিৰুদ্ধে অনুসন্ধান আৰম্ভ হোৱাৰ লগে লগে কাগজপাতি ওলট পালট কৰিব বুলি অভিযোগ অহাৰ লগে লগে সাময়িকভাবে নিলম্বিতকৰণৰ ব্যৱস্থা চৰকাৰে নকৰে কিয় ?

শ্ৰী বৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিমান বিলাক অভিযোগ আহে সকলোবিলাক অভিযোগেই যে সত্য সেইটো নহয়। মই নিজে এটা প্ৰমাণ পাইছো মিৰ্জা অঞ্চলৰ এজন বৰ নিষ্ঠাবান শিক্ষক তেওঁৰ বিৰুদ্ধে অভিযোগ আহিল তদন্ত কৰা হ’ল কিন্তু পাছত গম পোৱা

হ'ল যে আচলতে তেওঁ এজন বৰ নিষ্ঠাবান শিক্ষক আৰু বেছি নিষ্ঠাবান কাৰণে তেওঁৰ বিৰুদ্ধে অভিযোগ দিছে। এইদৰে সেই শিক্ষকজনক লঘু লাঞ্চনা কৰা হ'ল। গতিকে অভিযোগ আহিলে তদন্ত কৰিহে ব্যৱস্থা লোৱা ভাল।

শ্ৰী জয়নাল আবেদিন : আমি দেখিছো হাইস্কুলৰ নিযুক্তি বিলাকত প্ৰায়ে খেলি মেলি হয়। স্নাতকৰ পদ খালি হলে বিজ্ঞানৰ শিক্ষকৰে সেই পদ পূৰণ কৰা হয়। দেখা যায় এখন স্কুলত একে সন্মান অৰ্হতা থকা শিক্ষক ইণ্টাৰমিডিয়েট পোষ্টত ( Intermediate Post ) থাকিলে প্ৰমোচন দিয়াৰ সময়ত কি নীতি গ্ৰহণ কৰা হয়। মই পৰিষ্কাৰকৈ কৈ দিছো কলা বা বিজ্ঞানৰ ক্ষেত্ৰত নিযুক্তিৰ ক্ষেত্ৰত যি পদ খালি হয় সেই শিক্ষাগত অৰ্হতাৰ কথা চিন্তা কৰে নে জুনিয়ৰ মাষ্টজনক দিয়ে ?

শ্ৰী বৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : এইটো এটা সুকীয়া প্ৰশ্ন যদিও. প্ৰশ্নটো বৰ প্ৰয়োজনীয় আৰু সেই হিচাপে উত্তৰ দিয়াৰ চেষ্টা কৰিছো। আমাৰ বিদ্যালয় সমূহ প্ৰাদেশীকৰণ কৰাৰ পাছত ভালেমান খেলিমেলি থাকি গ'ল। শিক্ষক বদলি কৰিব পৰাটো ৰুলত কৰি থৈ গ'ল। গতিকে এজন শিক্ষক আন এখন বিদ্যালয়লৈ বদলি কৰিলে দেখা যায় হয়তো সেইখন বিদ্যালয়ত তেওঁতকৈ ২০/২৫ বছৰ আগতে, নিম্ন পৰ্য্যায়ৰ পদত কাম কৰি থকা শিক্ষক আছে এইবিলাক খেলিমেলিৰ প্ৰায়ে অসুবিধাৰ সন্মুখীন হোৱা হৈছে। এই বিলাক অসুবিধাৰ কথা ভাবিয়ে বোধকৰো পূৰ্ব্বৰ চৰকাৰে এটা নিয়ম কৰি গৈছে যে এখন বিদ্যালয়ত দুটা পদ খালি হ'লে সেই বিদ্যালয়ৰ শিক্ষক সকলৰ চিনিয়ৰিটিৰ ওপৰত নিৰ্ভৰ কৰি পদোন্নতি দিয়া হয়, ই কলাই হওক বা স্নাতকে হওক। অৱশ্যে এই বিষয়ে চালিজাৰি চাই নীতি নিৰ্দ্ধাৰণ কৰিব লাগিব।

শ্ৰী ফনি টায়েং : অকল হাইস্কুল বুলিয়ে নহয় কলেজ লেভেলতো তেনে খেলি মলি চলি আছে। আমাৰ ধেমাজীতে, মই মন্ত্ৰী মহোদয়কো কৈছো। মন্ত্ৰী মহোদয়ে তথ্যপাতি লৈ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰী বৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : মোৰ ওচৰত তেনে তথ্যপাতি অৱশ্যে নাই পালে মই নিশ্চয় ব্যৱস্থা লম।

শ্ৰী দিলীপ শইকীয়া : বিধান সভাৰ মজিয়াত বা বাহিৰত প্ৰাথমিক বিদ্যালয় হাইস্কুল, কলেজ আদিৰ বহুতো অভিযোগ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত উত্থাপন কৰা হয়। এই অভিযোগ বিলাক তদন্ত কৰিবৰ কাৰণে চি, এম, ভিজিলেন্সৰ

(C M' S Vigilance). ৰ দৰে শিক্ষা বিভাগটো এটা অনুসন্ধান চেল (Enquiry Cell) খোলাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী বৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, নিয়োগ সম্পৰ্কে চৰকাৰৰ নীতি নিৰ্দ্দেশনাৰ প্ৰয়োজন আছে। পূৰ্বৰ চৰকাৰৰ দিনত তেনে নীতি নিয়মৰ ভুলৰ কাৰণেই বহুতো অসুবিধাৰ সন্মুখীন হবলগা হৈছে। একে সময়তে এজন বিধায়কে ১৩ জন শিক্ষক নিয়োগ কৰিব পৰা ব্যৱস্থাও আছিল, কৰ্ত্তৃত্ব নথকাটো কৰ্ত্তৃত্ব দিয়া হৈছিল। কলেজ বা বিদ্যালয় সমূহত নিযুক্তিৰ এটা স্পষ্ট নীতি প্ৰবৰ্ত্তনৰ কথা চিন্তা কৰা হৈছে। এইবিলাক বিষয়ে মই কেইদিনমান আগতে উল্লেখ কৰিছো। কলেজ শিক্ষক জি, বিয়ে নিযুক্তি দিয়ে আমি সেই নিয়মকে অনুসৰণ কৰি আছো। আমিও অভিযোগ পাই আছো। এই অভিযোগ বিলাকৰ পৰিপ্ৰেক্ষিতত নিয়োগ সম্পৰ্কে সোনকালে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হব।

## বিষয় : নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষক সকলৰ পেঞ্চন।

শ্ৰী অকন চন্দ্ৰ ৰাভাই সুধিছে :

* ৩৯১ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষক সকলৰ পেঞ্চন সমূহ কেতিয়াৰ পৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে ?

(খ) শিক্ষাধিকৰ্ত্তাৰ চিঠিৰ খেলিমেলিৰ হেতুকে এ, জি, অফিচত পেঞ্চন দিয়াত অসুবিধাৰ সৃষ্টি হোৱা কথাটো চৰকাৰৰ অবগতনে ?

(গ) যদি অৱগত এই বিষয়ে শীঘ্ৰে বিহীত ব্যৱস্থা লবনে ?

শ্ৰী বৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৭৪ চনৰ অসম প্ৰাথমিক শিক্ষা প্ৰাদেশিকীকৰণ আইন ৫।৯।৭৫ তাৰিখৰ পৰা প্ৰযোজ্য হৈছে। যোৱা ইং ২৭ জানুৱাৰী ১৯৮৭ চনৰ সংশোধনী অধ্যাদেশমতে ৫।৯।৭৫ তাৰিখৰ পৰাই প্ৰাথমিক শিক্ষাৰ অৱসৰপ্ৰাপ্ত শিক্ষক /কৰ্মচাৰীবৃন্দই পেঞ্চন পোৱাৰ ব্যৱস্থা কৰা হৈছে।

(খ) সঁচা নহয়। পেঞ্চন সম্পৰ্কে বিত্ত বিভাগৰ পৰা পঠোৱা নিৰ্দ্দেশনা মতেহে কাৰ্য্যব্যৱস্থা লৈ থকা হৈছে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে শিক্ষক সকলে

পেঞ্চন পোৱাৰ ৪/৫ বছৰলৈ পেঞ্চন নাপায় আৰু তাৰে কিছু শিক্ষকে পেঞ্চন নোপোৱাৰ আগতে মৰিযোৱা বুলিও অভিযোগ আহিছে। গতিকে শিক্ষক সকলে অৱসৰ পোৱাৰ লগে লগে যাতে বা অৱসৰ পোৱাৰ পিছৰ মাহতে যাতে পেঞ্চন পাব পাৰে তাৰ কাৰণে শিক্ষা বিভাগে কিবা স্বকীয়া ব্যৱস্থা লব নোৱাৰে নে?

শ্ৰী বৃন্দাবন গোস্বামী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, পূৰ্ব্বৰ চৰকাৰে শিক্ষক সকলৰ পেঞ্চন ৰুলটো ইমান অশোৱাহপূৰ্ণ আছিল যে তেওঁলোকে সোনকালে পেঞ্চন পাব নোৱাৰে। তাৰ কাৰণে আমি ইতিমধ্যে আধ্যাদেশ জাৰি কৰিছো আৰু এই সদনত তাৰ এখন সংশোধনী বিলও উত্থাপন কৰা হৈছে। অসমৰ প্ৰাদেশীকৰণ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় সমূহৰ অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্ম্মচাৰী বৃন্দ পেঞ্চন আচনি প্ৰাদেশীকৰণ হোৱাৰ পৰাই বলবত হৈছে। ১৯৭৪ চনৰ অসম প্ৰাথমিক শিক্ষা প্ৰাদেশীকৰণ আইনত শিক্ষক কৰ্ম্মচাৰী বৃন্দৰ অতীত সেৱাৰ কথা উল্লেখ নথকা হেতুকে ইমানদিনে তেওঁলোকে পেঞ্চন পোৱা নাছিল। ১৯৮৭ চনৰ সংশোধনী অধ্যাদেশযোগে উক্ত আসোৱাহ সমূহ দূৰ কৰা হৈছে আৰু সেইমতে বিত্ত বিভাগে নিৰ্দ্দেশনা দিয়াত শিক্ষক কৰ্মচাৰী বৃন্দই এবছৰলৈ প্ৰভিচনেল পেঞ্চন পোৱাৰ ব্যৱস্থা কৰা হৈছে। অন্যান্য, অৱসৰ প্ৰাপ্ত চৰকাৰী কৰ্ম্মচাৰীবৃন্দৰ দৰে শিক্ষক কৰ্ম্মচাৰীবৃন্দৰ বেলিকা পেঞ্চন পেমেণ্ট অৰ্ডাৰ দিয়াটো মহাগাণনিকৰ নিজা কৰ্ত্তব্যৰ ভিতৰত পৰে। কিন্তু বিভিন্ন অজুহাত দেখুৱাই মহা গাননিকে এই দায়িত্ব লব খোজা নাই। এটা স্থায়ী মিমাংসা কৰি অৱসৰ প্ৰাপ্ত শিক্ষক কৰ্মচাৰীবৃন্দক অতি সোনকালে পেঞ্চন পেমেণ্ট অৰ্ডাৰ পাবৰ বাবে চৰকাৰে বিষয়টো হাতত লৈছে। আমি নিজাববীয়াকৈ যাতে এটা চেল তৈয়াৰ কৰিব পাৰো তাৰ কাৰণে চৰকাৰে বিষয়টো চিন্তা কৰি আছে।

শ্ৰী মোক্তাৰ হুচেইন: মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে শিক্ষক বা কৰ্মচাৰী সকলে ৫৮ বছৰ চাকৰি কৰিলেহে পেঞ্চন পায়। ৬০ বছৰ কৰিলে নাপায়। কিন্তু প্ৰাথমিক পৰ্য্যায়ত আগৰ যি চাম শিক্ষক আছিল তেওঁলোকে পোৱাৰ খেলিমেলি দেখি, কাৰণ আগতে পেঞ্চন পাবলৈ ১০-১২ বছৰ লাগিছিল। গতিকে তেওঁলোকে পেঞ্চনৰ আশা নকৰি বাকী দুবছৰ অৰ্থাৎ ৬০ বছৰলৈকে চাকৰি কৰিলে। এতিয়া পেঞ্চন পোৱা সহজলভ্য হোৱাৰ কাৰণে তেওঁলোকে, অৰ্থাৎ যিসকলৰ ৬০ বছৰ হৈছে তেওঁলোকে পুনৰ পেঞ্চনৰ আবেদন কৰি আছে। আমি জনাত বিষয়টো চৰকাৰৰ বিবেচনা ধীন, সেয়ে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে সদনক জনাবনে?

শ্ৰী বৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ লগত মই একমত। কাৰণ আগতে পেঞ্চন দিবৰ কাৰণে যিবিলাক আইন কানুন আদি প্ৰনয়ন কৰিছিল সেই বিলাক সম্পূৰ্ণ আসোঁৱাহপূৰ্ণ। সেয়ে পেঞ্চন পোৱাৰ নামত শিক্ষকসকলে নানান প্ৰৱঞ্চনা, লাঞ্চনা আদি পাব-লগীয়া হৈছিল, সেই ক্ষেত্ৰত মই সদস্য গৰাকীৰ লগত একমত। সেই সময়ত যি অবছৰ্ দিয়া হৈছিল সেই ক্ষেত্ৰত বহু শিক্ষকে ভাবিছিল যে এই অৱস্থাত বৰ্দ্ধিত সময়ছোৱা কাম কৰাই উচিত। আপোনালোকে জানে যে কেইদিনমানৰ আগতে বহু শিক্ষকে আহি জনতা ভৱনৰ সন্মুখত ধৰ্না দিছিলি। এতিয়াই গোটেইখিনি খেলিমেলি নাইকিয়া কৰা সম্ভৱ নহয়। সেই কাৰণেই প্ৰাদেশি কীকৰণৰ কথাতো চৰকাৰে বিবেচনা কৰি আছে। গতিকে এই মৰ্ম্মে ব্যৱস্থা লব পৰা যাব।

## বিষয় : সচিবালয়ৰ কাৰ্য্যালয়ৰ ব্যৱস্থা পুস্তক।

শ্ৰীচিলভিয়াচ কন্দপানে সুধিছে :

* ৩৯২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জনাবনে ?

অসম চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকলয়ৰ পৰা "সচিবালয়ৰ কাৰ্য্যালয়ৰ ব্যৱস্থা পুস্তক" নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰোতে উক্ত গ্ৰন্থখন অনুবাদ কোনে কোনে কৰিছিল আৰু অনুবাদকসকলক কিমান টকা মাননি দিয়া হৈছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

পুস্তকখন ভাষা বিষয়া, শ্ৰীমতী এনি হাজৰিকাই অনুবাদ কৰিছিল। অনুবাদ কাৰ্য্যৰ বাবে তেখেতক ৫০০০·০০ ( পাচ হাজাৰ ) টকা মাননি দিয়া হৈছে।

শ্ৰীজয়নাথ শৰ্মা— অধ্যক্ষ মহোদয়, এই কিতাপখন অসমীয়ালৈ অনুবাদ কৰাৰ কাৰণে ভাষা বিষয়াক ৫ হাজাৰ টকা দি দিয়াৰ পিচত এগৰাকী কৰ্ম-চাৰীয়ে এটা সাংঘাটিক দাবী কৰিছে, তেখেতে দাবী কৰিছে যে এই ৫ হাজাৰ টকাৰ ভাগ তেওঁকো দিব লাগে। কিন্তু আচলতে কিতাপখন অনুবাদ কৰাৰ সময়ত সেই ব্যক্তিজন কংগ্ৰেছ দলৰ হৈ কাম কৰি ফুৰা দেখা গৈছিল। আনকি চাকৰি বাদ দি নিৰ্ব্বাচনত নামিছিল। কিন্তু হাৰি অহাৰ পিচত তেওঁ দাবী কৰিছে যে এই টকাৰ ভাগ তেওঁকো দিব লাগে, এই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক জনাবনে :

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সচিবালয়ৰ মেনুৱেলখন

অনুবাদ কৰিবলৈ ভাষা বিষয়া শ্ৰীমতী এনি হাজৰিকা আৰু ভাষা সহায়ক শ্ৰী মানবেন্দ্ৰ কলিতাক দায়িত্ব দিয়া হৈছিল। কিন্তু ভাষা সহায়ক শ্ৰী কলিতাই অনুবাদ কৰি দিব নোৱাৰিলে। সেই সময়ত শ্ৰী কলিতা দুৰ্ঘটনাত পতিত হয় আৰু বহুদিন ধৰি ছুটীত আছিল। ভাষা বিষয়াই অনুবাদৰ কাম অকলেই কৰে আৰু তাৰ বাবে তেখেতক ৫০০০ টকা মাননি দিয়া হয়। উক্ত ৫ হাজাৰ টকা মাননিৰ ক্ষেত্ৰত ২২-৩-৮৬ তাৰিখে মুখ্য সচিবৰ আৰু ২৯-৪-৮৬ তাৰিখে বিত্ত বিভাগৰ পৰা অনুমোদন লোৱা হয়। সেই মৰ্মে বিভাগীয় চিঠি নং অ এলচি ৭-৮৩-৬৬ তাং ২-৬-৮৬ ৰে মাননিৰ টকাৰ মজুৰী দিয়া হৈছিল। ব্যৱস্থা পুস্তকখন অনুবাদ কৰিবলৈ শ্ৰীমতী এনি হাজৰিকাক মৌখিকভাৱে অনুৰোধ কৰা হৈছিল কোনো আদেশ আদি নথিত নাই। সেইদৰেই শ্ৰী মানবেন্দ্ৰ কলিতাকো বিধিগতভাৱে অনুবাদৰ কামত নিয়োগ কৰা হোৱা নাছিল। অৱশ্যে তেখেতে শাৰীৰিক অসুস্থতাৰ বশতঃ অনুবাদ কৰিব নোৱাৰিলে। এই কথাও নথিত নাই। শ্ৰীমতী এনি হাজৰিকাই কাৰ্য্যালয়ৰ কামৰ উপৰি কিতাপখন অনুবাদ কৰি দিয়াত তেখেতক মাননী দিয়া হয়। কিতাপখন ৩০৮ পৃষ্ঠাৰ।

বিষয় : ছিনিয়ৰ মাদ্ৰাছাবিলাকৰ চৰকাৰীকৰণ আৰু আচুতীয়া পুজ।

শ্ৰী ইউছুফ আলী আহমেদে সুধিছে :

* ৩৯৩ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) স্বীকৃতিপ্ৰাপ্ত হাইস্কুল বিলাক ১৯৮৪ চনলৈকে চৰকাৰীকৰণ কৰাৰ সিদ্ধান্তটো সঁচানে ?

(খ) ১৯৭৯-৮২ চনলৈকে স্বীকৃতিপ্ৰাপ্ত ছিনিয়ৰ মাদ্ৰাছা বিলাক চৰকাৰীকৰণৰ কিবা প্ৰস্তাৱ চৰকাৰে লৈছেনে ?

(গ) যদি লোৱা হোৱা নাই, তেন্তে কেতিয়া লোৱা হব ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয়।

(খ) তেনে প্ৰস্তাব লোৱা হোৱা নাই।

(গ) প্ৰয়োজন আৰু সময় সাপেক্ষে লোৱা হব।

শ্ৰীমোক্তাৰ হুচেইন : অধ্যক্ষ মহোদয়, (খ) প্ৰশ্ন ১৯৭৯-৮২ চনলৈকে স্বীকৃতি প্ৰাপ্ত ছিনিয়ৰ মাদ্ৰাছা বিলাক চৰকাৰী কৰণৰ কিবা প্ৰস্তাৱ চৰকাৰে লৈছে

নে, ইয়াৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে 'লোৱা নাই'। কিন্তু ১৯৮৫-৮৬ চনত বাকী ৫খন বাদ দি আৰু কোনোবা স্কুল, মাদ্ৰাছা স্কুল চৰকাৰে গ্ৰহণ কৰিছেনে, মন্ত্ৰী মহোদয়ে চৰকাৰে জনাবনে?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): অধ্যক্ষ মহোদয়, ১৯৮৩ চনলৈকে স্বীকৃতি প্ৰাপ্ত হাইস্কুল বিলাক ইতিমধ্যে প্ৰাদেশীকিকৰণ কৰা হৈছে। অতিৰিক্ত পুঁজিৰ অভাৱত ১৯৮৪ চনলৈকে স্বীকৃতিপ্ৰাপ্ত হাইস্কুল বিলাক প্ৰাদেশিকী-কৰণ কৰিব পৰা হোৱা নাই। ছিনিয়ৰ মাদ্ৰাছা সমূহ বিশেষ ধৰ্ম্মীয় শিক্ষা অনুষ্ঠান। ধৰ্ম্মীয় শিক্ষাৰ স্বকীয়তা আৰু বাতাবৰণৰ অক্ষুন্নতা ৰক্ষাৰ খাতিৰত প্ৰাদেশিকীকৰণ কৰিব খোজা নাই।

শ্ৰী মোক্তাৰে হুচেইন: মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৪ চনত স্বীকৃতিপ্ৰাপ্ত কিছুমান মাদ্ৰাছাৰ ভিতৰত এখন বিশেষ মাদ্ৰাছা হাইস্কুল প্ৰাদেশিকীকৰণ হোৱা নাই এই বছৰত মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে জনাবনে:

শ্ৰী বৃন্দাবন গোস্বামী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভিতৰত বিশেষকৈ নগাওঁ জিলাতে মাদ্ৰাছা স্কুল চৰকাৰীকৰণ কৰা হোৱা নাই। সদস্য গৰাকীয়ে জানে যে সেই ৬ খন স্কুলৰ এখনৰ কথা বিবেচনা কৰি থকা হৈছে। বাকী কিখন স্কুল এই তালিকাখন মতে তুলনামূলক ভাৱে পাছৰ। এইটো ঠিক যে কাছাৰ আৰু বৰপেটা জিলাতকৈ নগাওঁ জিলাত চৰকাৰীকৰণ কৰা মাদ্ৰাছা স্কুলৰ সংখ্যা কম, অৱশ্যে চৰকাৰে কিছুমান স্কুলৰ ক্ষেত্ৰত বিবেচনা কৰি আছে।

শ্ৰী জয়নাল আবেদিন: অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে ১৯৮৩ চনৰ পিচত স্বীকৃতিপ্ৰাপ্ত হাইস্কুল আৰু হাইমাদ্ৰাছা স্কুল প্ৰাদেশিকীকৰণ কৰিব পৰা হোৱা নাই পুঁজিৰ অভাৱৰ কাৰণেই। কিন্তু চৰকাৰৰ হাতত এনে ব্যৱস্থা আছে নেকি যে এই স্কুলবিলাকৰ শিক্ষকসকলক অন্ততঃ বেচিক পে টোকে দি থাকিব পাৰে? অন্ততঃ যেতিয়ালৈকে প্ৰাদেশিকীকৰণ কৰা হয় তেতিয়ালৈকে এই হাইমাদ্ৰাছা আৰু হাইস্কুলৰ শিক্ষকসকলক বেচিক পেটো দিয়া ব্যৱস্থা কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত সিদ্ধান্ত লোৱা হোৱা নাই। কিন্তু আমি বিভিন্ন সংগঠন সমূহৰ লগত আলো-চনা এই সম্পৰ্কত কৰি আছো।

শ্ৰীজয়নাল আবেদিন : অধ্যক্ষ মহোদয়, চৰকাৰে কিবা সিদ্ধান্ত লবনে ?

শ্ৰী বৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এতিয়াই এটা সিদ্ধান্ত দিব পৰাকৈ তেনে এটা স্থিতি আমাৰ নাই।

**Sub. : Construction of permanent building for South Salmara - Mankachar Sub-Division.**

Shri Aminul Islam, asked :

* 394 : Will the Chief Minister be pleased to State :

When the Goverment is intending to start the construction of the Civil Sub-Divisional permanent building for the South Salmara - Mankachar Civil Sub-Division at Hatsingimari ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

দক্ষিণ শালমাৰা-মানকাচাৰ মহকুমাৰ সদৰ স্থানৰ বিষয়ে সৃষ্টি হোৱা বিবাদৰ নিষ্পত্তিৰ বাবে নামনি অসমৰ আয়ুক্তক সভাপতিৰূপেলৈ এখন চাৰিজনীয়া কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটিৰ প্ৰতিবেদন পোৱাৰ পিচত মহকুমাৰ সদৰত স্থায়ী ঘৰ নিৰ্মানৰ ব্যৱস্থা লোৱা হব।

**Sub : Appointment to candidates nominated by Assam Public Service Commission**

Sri Abdul Jabbar, asked :

* 395. will the Minister Education be pleased to state :

Why the candidates recommended by the public Service Commission vide No. 118/PSC/E-9/9/83-84 dated Guwahati the 9th October, 1986 have not yet been appointed ?

শ্ৰী বৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এই বিষয়টো মাননীয় উচ্চ ন্যায়ালয়ৰ কেইবাটাও গোচৰত জড়িত হৈ আছে বাবে অনুমোদিত প্ৰাৰ্থী সকলক নিযুক্তি দিব পৰা হোৱা নাই।

শ্ৰী আব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে

সহকাৰী স্কুল পৰিদৰ্শক লোকসেৱা আয়োগে অনুমোদন ১৯৮৬ চনৰ অক্টোবৰ মাহতে কৰি দিয়া 'স্বত্বেও কিয় নিযুক্তি দিয়া নাই। এতিয়া মন্ত্ৰী মহোদয়ে কলে যে গুৱাহাটী হাইকৰ্টত বিচৰাধীন হৈ আছে। মই জানিব বিচাৰিছো যে গোচৰ কিমান আছে, কোনে কৰিছে আৰু কাৰ বিৰুদ্ধে কৰিছে চৰকাৰৰ বিৰুদ্ধে কৰিছেনে নাই লোকসেৱা আয়োগৰ বিৰুদ্ধে কৰিছে? এই পদ বিলাক খালি হৈ আছেনে নাই সেই পদ বিলাকত মানুহে কাম কৰি আছে?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, পূৰ্বৰ অসম চৰকাৰে ১৯৮৪ আৰু ১৯৮৫ চনৰ ভিতৰত শিক্ষাবিভাগত খালি হোৱা ১৩টা সহকাৰী স্কুল পৰিদৰ্শক। সহকাৰী স্কুল পৰিদৰ্শিকা পদত অসম লোকসেৱা আয়োগৰ ৰেগুলেচন ৩ 'এফ' ১৪ গৰাকী বিষয়াক নিযুক্তি দিছিল। এই নিযুক্তি অসম শিক্ষা সেৱা বিধি, ১৯৮২ মতে অসম লোকসেৱা আয়োগৰ অনুমোদিত প্ৰাৰ্থীৰ দ্বাৰাহে পূৰণ কৰিব লাগিছিল। কিন্তু তাকে নকৰি ৰেগুলেচন ৩' এফ' ত কোনো কোনো প্ৰাৰ্থীৰ ক্ষেত্ৰত বয়স আৰু শিক্ষাগত অৰ্হতা পৰ্য্যন্ত শিথিল কৰি চৰকাৰে নিযুক্তি দিছিল। সেৱা বিধিৰ সনিবিষ্ট নিয়ম মতে লোকসেৱা আয়োগৰ জৰিয়তে পদ সমূহ পূৰণ কৰাৰ কাৰণে বৰ্ত্তমান চৰকাৰে ১৯৮৬ চনৰ এপ্ৰিল আৰু জুলাই মাহত এই ৩' এফ ' ত থকা বিষয়া সকলক তেওঁলোকৰ পূৰ্বৰ চাকৰিলৈ অৱনমিত কৰিবলৈ আদেশ দিছিল। তাৰ পিচতে বিষয়টো মাননীয় গুৱাহাটী হাইকৰ্টৰ বিচৰাধীন হয়।

চৰকাৰে হাইকৰ্টৰ হুকুম, অসম লোকসেৱা আয়োগৰ অনুমোদিত প্ৰাৰ্থীৰ তালিকা আৰু অসম সেৱা বিধিমতে ব্যৱস্থা লব।

বিষয় : খলিহামাৰীৰ বাচ দুৰ্ঘটনা।

শ্ৰীআব্দুল জলিল ৰাগিৱীয়ে সুধিছে :

* ৩৯৬ : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ২৮ জানুৱাৰী ১৯৮৭ তাৰিখে নগাওঁ জিলাৰ খলিহামাৰীৰ মৰ্ম্মান্তিক বাচ দুৰ্ঘটনাৰ কাৰণ চৰকাৰে অনুসন্ধান কৰি চাইছেনে?

(খ) যদি চাইছে তেন্তে কাৰণটো কি আছিল আৰু দায়ীজনৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, ( মুখ্য মন্ত্ৰী ) যে উত্তৰ দিছে।

(ক) হয়, নগাওঁ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশক এই বিষয়ে অনুসন্ধান

কৰিবলৈ দিয়া হৈছিল।

(খ) উক্ত তদন্তকাৰী বিষয়াৰ প্ৰতিবেদন ১৭।৩।৮৭ তাৰিখে পোৱা গৈছে আৰু বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীআব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, খলিহামাৰী বাচ দুৰ্ঘটনাত যিসকল লোক নিহত হ'ল সেইসকলৰ পৰিয়াললৈ আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হৈছেনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেই সময়ত এই সম্পৰ্কত লগে লগেই আৰ্থিক সাহাৰ্য্য ঘোষণা কৰা হৈছিল।

শ্ৰীআব্দুল জলিল ৰাগিবী : সেই সময়ত এজন লোকে অসীম সাহস কৰি কেইবাজনো লোকক উদ্ধাৰ কৰি প্ৰাণ ৰক্ষা কৰিছিল। এই লোক জনক চৰকাৰৰ পালৰ পৰা কিবা সাহায্য দিয়াৰ কথা বিবেচনা কৰিছেনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : তেনেকুৱা কেইবাজনো লোক ওলোৱাৰ কাৰণে আচল মানুহজন বাচি উলিওৱাত আমাৰ অসুবিধা হৈছে। ইতিমধ্যে এই সম্পৰ্কত উপাযুক্তক ব্যৱস্থা লবলৈ কোৱা হৈছে। কিন্তু কেইবাজনো লোক হোৱাৰ কাৰণে অসুবিধা হৈছে। গতিকে আচললোক জনৰ সন্ধান দিবলৈ মাননীয় সদস্যক অনুৰোধ কৰিলো।

## বিষয় : বৰপেটা জিলাৰ প্ৰাইমাৰী স্কুল সমুহৰ পৰিদৰ্শন

শ্ৰীশ্বেখ আব্দুল হামিদে সুধিছে :

* ৩৯৭ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ প্ৰাইমাৰী স্কুল সমূহৰ নীতি সাপেক্ষে নিৰ্দ্দিষ্ট বিভাগীয় বিষয়াৰ দ্বাৰা বহুদিন ধৰি পৰিদৰ্শন নোহোৱা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে, যথাবিহীত পৰিদৰ্শন ব্যৱস্থা নীতি অনুযায়ী কৰাৰ বাবে বিভাগীয় বিষয়াক নিৰ্দ্দেশ দিয়া হবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) নাজানে?

(খ) শীঘ্ৰে ব্যৱস্থা লোৱা হব।

শ্ৰীশেখ আব্দুল হামিদ : মন্ত্ৰী মহোদয়ে 'নাজানো' আৰু শীঘ্ৰে ব্যৱস্থা লোৱা হব' বুলি কৈছে। কিন্তু যোৱা বছৰ ১৯৮৬ চনতে এই প্ৰশ্নটোকে কৰোতে একেই উত্তৰ পাইছিলো। গতিকে প্ৰমান হল তেতিয়া যি অৱস্থাত

আছিল এতিয়াও সেই অৱস্থাতে আছে। পৰিবৰ্ত্তন একো হোৱা নাই। অকল বৰপেটাতেই নহয় গোটেই অসমতেই পৰিদৰ্শক সকলে স্কুল পৰিদৰ্শণ নকৰে এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): অসম চৰকাৰৰ শিক্ষা বিভাগৰ ১৭।৬।৮৬ ইং তাৰিখৰ স্মাৰক পত্ৰ নং ই পি এচ ৫৮।৮৫।৫০ যোগে ইতিমধ্যে সকলো জিলা বিষয়া, উপ পৰিদৰ্শক, পৰিদৰ্শক আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়ালৈ প্ৰতি মাহে প্ৰত্যেক সহ পৰিদৰ্শক সকলক অন্ততঃ ২০ খন প্ৰাথমিক, মজলীয়া আৰু মধ্য ইংৰাজী আৰু মাদ্ৰাছা স্কুল পৰিদৰ্শণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। তাৰোপৰি খণ্ড বিষয়া সকলক আৰু উপ-পৰিদৰ্শক সকলক যথাক্ৰমে প্ৰতিদিনে ২০ খন প্ৰাথমিক, মধ্য ইংৰাজী আৰু প্ৰতি মাহে ১০ খন স্কুল পৰিদৰ্শন কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। এই ক্ষেত্ৰত স্কুল পৰিদৰ্শণ নকৰা কথাতো এই কাৰ্যালয়ে নাজানে। সেই মতে যদি কোনোবা বিষয়াই চৰকাৰী নিৰ্দ্দেশ পালন কৰা নাই তেনেহলে সেইটো চোৱা হব।

শ্ৰী শ্বেখ আব্দুল হামিদ: চৰকাৰৰ তৰফৰ পৰা ২০ খনকৈ স্কুল পৰিদৰ্শণ কৰিবলৈ দিয়া হৈছে। কিন্তু মই জানো মোৰ সমষ্টিতে এজনক ৮০ খন আৰু এজনৰ ৯০ খন স্কুল আছে। গতিকে পৰিদৰ্শকৰ যিটো অসুবিধা হৈছে সেই সম্পৰ্কত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): পৰিদৰ্শক সকলৰ যে সমস্যা কেতবোৰ আছে সেই সম্পৰ্কৰ চৰকাৰ অবগত। বদলিৰ সম্পৰ্কত প্ৰশাসনত যে অসুবিধা হৈছে সেইটো আমি লক্ষ্য কৰিছো। আমি পৰ্য্যায় ক্ৰমে সকলো বিলাক কাম কৰিবলৈ লৈছো। প্ৰয্যায় ক্ৰমে পৰিদৰ্শকো দিয়া হব। এই গোটেই বিলাক কথাই পুজিৰ ওপৰত নিৰ্ভৰ কৰিছে। আমি পুজি পালেই এই সকলো বিলাক ব্যৱস্থা প্ৰয্যায় ক্ৰমে ল'ম।

Shri Binai khungur Basumatari : Is the Goverment aware that in absence of DI at Udalguri, there was no inspection of Schools in Udalguri subdivision for more than one year ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): প্ৰশ্নটো বেগে যদিও কও যে এই বিষয়ে চৰকাৰ অবগত নহয়। এইটো চোৱা হব।

Shri Muktar Hussain : The problem arises that there are

no vehicles in the offices of DI, DEO and IS in Barpeta. I have already told that the Barpeta District has a vast ares separated by the river Brahmaputra. It is not easy to go anywhere without car. Will the Government consider atleast one car for IS nd two motor cycles for DI and others and appoint an Asstt IS in Barpeta ?

শ্রীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : পাৰম্ভিক স্তৰত থকা অসুবিধা সমূহৰ কথা উল্লেখ কৰা হৈছে। নতুন নতুন জিলা আৰু মহকুমা খোলাৰ কাৰণে আমাৰ কিছু অসুবিধা হৈছে। পৰ্য্যায় ক্ৰমে গাড়ী দিয়া হৈছে আৰু পৰ্য্যায় ক্ৰমে সুবিধা দিবলৈকো চেষ্টা কৰা হৈছে।

## Undisposed Starred question

( To which oral answers were not called for want of time. However, written answer deemed to have been laid on the Table as follows )

**বিষয় : চাহ জনগোষ্ঠি বসতি অঞ্চলত ক্ষুদ্ৰ সঞ্চয় আচনি অনুষ্ঠান।**

শ্ৰীদিলেশ্বৰ তাঁতীয়ে সুধিছে :

* ৩৯৮ : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ চাহ আৰু প্ৰাক্তন চাহ-জনগোষ্ঠি বসতি অঞ্চলত নতুনকৈ গঠিত হোৱা বহু ধৰণৰ ক্ষুদ্ৰ সঞ্চয় আচনিৰ অনুষ্ঠান-বিলাকে কাম কৰি থকা কথাতো চৰকাৰে জানেনে ?

(খ) যদি জানে অতীতৰ এনে ধৰণৰ ক্ষুদ্ৰ সঞ্চয় আচনি বা চিট্ ফাণ্ড বিলাকৰ ব্যৰ্থতাৰ প্ৰতি লক্ষ্য ৰাখি এই বিলাকৰ কাৰ্য্যকলাপ বা সততা সম্পৰ্কে চকু ৰাখিবলৈ কিবা বিশেষ ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিবনে আৰু বিভাগীয় কৰ্ত্তৃপক্ষক নিৰ্দ্দেশ দিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( বিত্ত মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(খ) ৰাজ্যৰ বিভিন্ন অঞ্চলত কাম কৰি থকা চিট্ ফাণ্ড অনুষ্ঠান সমূহৰ কাৰ্য্যকলাপ্ আৰু সততাৰ ওপৰত চকু ৰাখিবলৈ ১৯৮২ চনৰ Chit Funds Act নামৰ কেন্দ্ৰীয় আইনখন অসমত বলবৎ কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতি চলাই থকা হৈছে। এই আইনখন বলবৎ হলে চিট্ ফাণ্ড বিলাকৰ কাৰ্য্যকলাপৰ ওপৰত ৰাজ্য চৰকাৰে বিশেষ তত্ত্বাৱধান লোৱাৰ ব্যৱস্থা কৰিব পৰা হব।

Unstarred Question.

( To which written answers were deemed to have been laid on the table as follows.)

**Subjet : Promotion / nomination to the posts of Extra Asstt. Commissioner/Executive Magistrate.**

Shri Manilal Gowale, asked :

4790 : will the Chief Minister be pleased to state ?

(a) Whether it is a fact that there was a standing Government. instruction to promote / nominate the qualified (Graduate/post graduate) and experienced employees serving in the establishments of the Deputy Commissioners/collectors in Assam to Extra Asstt. Commisioner/Executive Magistrate ?

(b) If so, anyone has so far been appointed ?

(c) If so howmany of them have been promoted/nominated during last five years ?

Shri Prafulla Kumar Mahanta, ( Chief Minister, ) replied.

(a) No.

(b) Does not arise.

(c) Does not arise.

**Sub : Chairman of Lumding Town Ad-Hoc Committee.**

Shri Ardhendu Kumar Dey, asked,

480 : Will the Minister, Municipal Administration be pleased to State :

(a) Whether it is within the knowledge of the Government that the Chairman of Lumding Town Ad-Hoc Committee has been recently arrested in connection with a double murder case at Lumding-Diphu Road occured on 21.2.87 ?

(b) If so, whether the same person is going to be retained as a Chairman of the same Ad-hoc Committee for further period ?

Shri Sahidul Alam Choudhury. ( Minister of Municipal Administration ) : replied

(a) Yes.

(b) It will depend on the result of the case.

বিষয় : চুঙাজানৰ সংঘৰ্ষত ক্ষতিগ্ৰস্তলৈ সাহাৰ্য্য।

শ্ৰীবিনোদ গোৱালাই সুধিছে :

৪৮১ : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৭৯ চনৰ ৫ জানুৱাৰী তাৰিখে অসম নগা ৰাজ্য এলেকা নাওজান আৰু চুঙাজানত যি নাৰকীয় ঘটনা সংঘটিত হৈছিল তাত কিমান মানুহৰ প্ৰাণ হানি হ'ল আৰু তেওঁলোকক চৰকাৰৰ দ্বাৰা কি সাহায্য আগবঢ়োৱা হৈছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মুঠ ৫৪ জন মানুহৰ প্ৰাণ হানি হৈছিল। এই ঘটনাত প্ৰাণহানি হোৱা লোকৰ প্ৰতিটো পৰিয়াললৈ নগদ ৫০০৲ টকাৰ এককালিন জৰুৰী সাহাৰ্য্য দিয়া হৈছিল। ১০০৲ টকাকৈ আহত লোকৰ চিকিৎসাৰ বাবে আৰু ৩০০৲ টকাকৈ প্ৰতি ক্ষতিগ্ৰস্ত পৰিয়ালৰ পুনৰ সংস্থাপনৰ কাৰণে দিয়া হৈছিল।

**Re. Relaxation of Marks to Tea Garden Labour Candidates.**

Shri Dinesh Prasad Goala, asked

482 : Will the Minister, Education be pleased to state :

(a) Whether any specific quota or reservation has been given to the Tea and Ex-Tea Garden Labour candidates for appointment as teachers in L. P./M. E. Schools ?

(b) Whether relaxation in marks like Scheduled Castes & Scheduled Tribes has been given to Tea and Ex-Tea Garden Labour Candidates ?

(c) If not, will the Government reconsider it considering their educational backwardness ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সুকীয়াকৈ নিৰ্দ্ধাৰিত সংৰক্ষিত পদ নাই যদিও O. B. C. আৰু M. O. B. C. ৰ বাবে শতকৰা ১৫ ভাগ সংৰক্ষিত আসনৰ ভিতৰত Tea আৰু Ex-Tea Garden অৰ বনুৱাও পৰে।

(খ) নাই।

(গ) এই বিষয়ে চিন্তা কৰি চোৱা হব।

**বিষয় : জনজাতি উপ-পৰিকল্পনা আচঁনিত অন্তৰ্ভুক্ত এলেকাৰ স্কুলৰ চৰকাৰীকৰণ।**

শ্ৰীগনেশ কুটুমে সুধিছে :

৪৮৩ : মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

চলিত বিত্তীয় বছৰত জনজাতি উপ-পৰিকল্পনা আচঁনিত অন্তৰ্ভুক্ত এলেকা সমূহৰ কেইখন মঞ্জলীয়া উচ্চ-মাধ্যমিক বিদ্যালয় চৰকাৰীকৰণৰ ব্যৱস্থা হাতত লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩১ খন মধ্য ইংৰাজী বিদ্যালয় চৰকাৰীকৰণ কৰা হৈছে আৰু ২১ খন উচ্চ মাধ্যমিক বিদ্যালয় চৰকাৰীকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

**Sub : Requisition of land for Assam Houses at Bombay and Madras**

Shri Altaf Hussain Mazumdar asked;

484 : Will the Chief Minister be pleased to state :

(a) Did the Government take up with the Governments of Maharastra and Tamil Nadu to make available necessary lands for contruction of Assam House at Bombay and Madras ?

(b) If so, when the Assam Government wrote and has any reply received from them ?

(c) If not has any reminder given.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) অসম চৰকাৰে মহাৰাষ্ট্ৰ চৰকাৰলৈ ইং ২৪/১০/৮৩ তাৰিখে বম্বেত অসম ভৱন স্থাপনৰ নিমিত্তে এডোখৰ মাটি আবণ্টন দিবলৈ আবেদন জনায়। ইয়াৰ পিছত ইং ১৬/১১/৮৪, ৩/৫/৮৫, ৯/৭/৮৫ আৰু ১৬/৫/৮৬ তাৰিখেও মহাৰাষ্ট্ৰ চৰকাৰলৈ এই বিষয়ে অনুৰোধ কৰা হৈছিল। মহাৰাষ্ট্ৰ চৰকাৰৰ ইং ৩০/৫/৮৬ আৰু ৮/১০/৮৬ তাৰিখৰ চিঠিত বিষয়টো চোৱা হব বুলি এটি অন্তৰ্বৰ্ত্তীকালীন উত্তৰ পোৱা গৈছে।

ইং ২৭/৯/৮৪ তাৰিখে তামিলনাডু চৰকাৰলৈ আনুমানিক ১০,০০০ বৰ্গফুট মাটিৰ আবণ্টন বিচাৰি এটা প্ৰস্তাৱ পঠোৱা হয়। এই সন্দৰ্ভত ইং ১৯/১২/৮৪ আৰু ৬/৪/৮৫ তাৰিখেও অনুৰোধ জনোৱা হৈছিল। তামিলনাডু চৰকাৰে ইং ৯/৪/৮৫ তাৰখৰ চিঠিত জনায় যে মাদ্ৰাজ মহানগৰীৰ ভিতৰত তেনে সুবিধাজনক খালি মাটি নাই।

(খ) প্ৰশ্ন নুঠে।

## Sub : Amout Sanctioned For Construction of Elementary Schools.

Shri Altaf Hussain Mazumdar asked :

485 : Will the Minister, Education be pleased to state :

(a) Whether it is a fact that the Government sanctioned

@ Rs. 61, 065/-per L. P. School for construction of Elementary School building ( L. P. ) ?

(b) If not, at what rate amount has been sanctioned during the year 1986-87 ?

(c) Amount for reconstruction has been sanctioned for how many L. p. Schools in each Assembly constituency during 1986-87 ? ( Statement may be placed on the table of the House ).

(d) The amount and the number of schools sanctioned in the district of Cachar ( Statment showing number of schools and the amounts should be shown constituency-wise for the district of Cachar be placed on the table of the House) ?

শ্রীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬-৮৭ চনত ৰাজ্যখনৰ ৩৩০২ খন প্রাথমিক বিদ্যালয়ৰ গৃহ পুনঃ নির্মানৰ কাৰণে বিদ্যালয়ে প্রতি ৬১,০৬৫ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(খ) প্রশ্ন নুঠে।

(গ) ১৯৮৬-৮৭ চনত জিলা ভিত্তিতহে প্রাথমিক স্কুল ঘৰ পুনৰ নির্মানৰ বাবে মঞ্জুৰী দিয়া হৈছে।

(ঘ) প্রতিখন স্কুলত ৬১,০৬৫ টকাকৈ কাছাৰ জিলাত বর্ত্তমানলৈকে ১৮৫ টা স্কুলঘৰ পুনৰ নির্মানৰ বাবে বাচনি কৰা হৈছে।

**Re : Reflection of population pattern principle in Deptt of land Record Staff.**

Shri Altaf Hussain Mazundar, asked :

486 : Will the Chief Minister be pleased to state :

(a) It appears from the answer of unstarred question No. 166 of 10.3.87 that 12 Nos of appointments of land Records ( Patowari ) staff have been made by District Administration, Cachar in the year 1986-87, but none from

Religious Minority ( Muslim ) has been appointed. If so, is it no vilation of population pattern principle on appointment enuriciated by Government ?

(b) Will the Govt. take appropriate action in this matter.

Shri Thaneswar Boro ( Minister of Revenue ) replied

(a) During 1986-87, 14 persons have been appointed as land Records Staff in the Cachar District, of which 12 are Patwaris and 2 are Supervisory Kanongos. Of the 2 Kanongos, one is of Religious Minority ( Muslim ) and the 12 are Patowaries are also drawn from different communities including Manipuri.

(b) Govt. instruction has already been communicated to all appointing authorities.

**Re : Letter from Union Minister of State, Communication.**

Shri Altaf Hussain Mazumdar asked :

487 : Will the Chief Minister be pleased to state :

(a) Did the Chief Minister receive a letter dated 10th Feb'87 from Shri Sontosh Mohan Dev. Minister of State for Communications with an enclosure relating to developmental activities of Assam as a whole and that there was a discussion between Shri Dev and Chief Minister.

(b) What were the points raised by Shri S. M. Dev and what action Government propose to take on those points.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) শ্ৰীসন্তোষ মোহন দেৱৰ পৰা ১০ ফেব্ৰুৱাৰী তাৰিখে লিখা ২ খন

চিঠি পোৱা হৈছিল। সেই চিঠি দুখনৰ লগত গাঠি দিয়া সংযোগপত্ৰৰ বিষয়-সমূহৰ বিষয়ে শ্ৰীদেৱে মুখ্য মন্ত্ৰীক ১০ ফেব্ৰুৱাৰী, ১৯৮৭ তাৰিখে মৌখিক ভাবেও জনাইছিল। উক্ত চিঠি দুখনৰ নকল সদনৰ মজিয়াত দিয়া হৈছে। (নকল অনুবন্ধ '১ ত চাওক)

(খ) উক্ত চিঠি দুখনৰ এখনৰ সংযোগ পত্ৰত শ্ৰীদেৱে অসম আৰু বিশেষকৈ বৰাক উপত্যকাৰ বিভিন্ন উন্নয়ণমূলক কামৰ কথা উল্লেখ কৰিছে। আনখন চিঠিৰ সংযোগ পত্ৰত শ্ৰীদেৱে অসমত ডাক সংযোগ আৰু টেলিফোন বিভাগৰ বিভিন্ন সমস্যাৰ বিষয়ে উল্লেখ কৰিছে। এই দুয়োখন চিঠিকেই সংযোগ পঠাই সংলিষ্ট বিভাগ সমূহলৈ পৰীক্ষা কৰি বিহিত ব্যৱস্থা পঠোৱা হৈছে আৰু ইতি মধ্যে গ্ৰহণ কৰা কাৰ্য্যালয়ৰ বিষয়ে মুখ্য মন্ত্ৰীক অৱগত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

## বিষয় : মৰিগাওঁ জিলালৈ উন্নিত কৰণ।

শ্ৰীআব্দুল জলিলে সুধিছে :

৪৮৮ : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিগাওঁ মহকুমাক জিলালৈ উন্নিত কৰিবলৈ মৰিগাওঁৰ প্ৰায়বোৰ সংগঠনে দাবী কৰাৰ বিষয়ে জানেনে ?

(খ) যদি জানে, কেতিয়া মৰিগাওঁ মহকুমাক জিলা ঘোষনা কৰা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানে।

(খ) বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় : ৮১ নং লাহৰিঘাট সমষ্টিৰ ভোটাৰ লিষ্ট।

শ্ৰীআব্দুল জলিলে সুধিছে :

৪৮৯ : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ ৮১ নং লাহৰিঘাট সমষ্টিৰ ১৯৬৬ চনৰ সম্পুৰ্ণ ভোটাৰ লিষ্ট নথকাটোৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে এই সম্পৰ্কে কি ব্যৱস্থা লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানে।

(খ) বিষয়টো চৰকাৰে ( নিৰ্ব্বাচন বিভাগ ) ভাৰতৰ নিৰ্ব্বাচন আয়োগৰ দৃষ্টি গোচৰ কৰিছে।

### বিষয় : নিম্ন কাৰিকৰী শিক্ষানুস্থানৰ গঠন।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

৪৯০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বৰ্ত্তমান কোন কোন ঠাইত নিম্ন কাৰিকৰী শিক্ষানুষ্ঠান ( Junior Technical Institute ) গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে ?

(খ) গোলাঘাটৰ পুলিবৰ নিম্ন কাৰিকৰী অনুস্থানটো ( Public Junior Technical Institute. ) পলিটেকনিকলৈ উন্নিত কৰাৰ ( Poly Technic) সিদ্ধান্তত কিমানদূৰ কাৰ্য্যকৰী হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান চৰকাৰৰ হাতত নতুন কোনো নিম্ন কাৰিকৰী শিক্ষানুষ্ঠান ( Junior Technical School ) গঠন কৰাৰ আচনি নাই।

(খ) গোলাঘাট নিম্ন কাৰিকৰী শিক্ষানুষ্ঠানখন এখন ছোৱালী পলিটেকনীকলৈ ( Girls Polytechnic ) উন্নিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে আৰু এই বছৰৰ পৰাই শ্ৰেণী আৰম্ভ কৰিবলৈ যতন কৰা হৈছে।

### বিষয় : বদৰপুৰত ট্ৰেজাৰী স্থাপন

শ্ৰীৰামেন্দ্ৰ দেই সুধিছে :

৪৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বদৰপুৰ চহৰত এটা ট্ৰেজাৰী স্থাপনৰ কাৰণে সিদ্ধান্ত লোৱা কথাটো সচাঁ নেকি ?

(খ) যদি সচাঁ তেন্তে উক্ত টেজাৰীটো কেতিয়া স্থাপন কৰা হব ?

(গ) যদি এতিয়াও কোনো সিদ্ধান্ত লোৱা নাই তেন্তে এই বিষয়ত সোনকালে এটা সিদ্ধান্ত লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক)—(খ) বদৰপুৰ চহৰত এটা উপ-কোষাগাৰ স্থাপন কৰা বিষয়টো অন্য উপ-কোষাগাৰ খোলাৰ প্ৰস্তাবৰ লগতে বিবেচনাধীন হৈ আছে। এই

প্ৰস্তাৱ কেতিয়া কাৰ্য্যকৰী হব সঠিকৈ কোৱা টান কিয়নো ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ অনুজ্ঞাপত্ৰ অবিহনে চৰকাৰৰ বিত্তীয় লেনদেনৰ বাবে মুদ্ৰা চন্দুক স্থাপন কৰিব নোৱাৰি।

(গ) প্ৰশ্ন নুঠে।

## ৰিষয়ঃ কৰিমগঞ্জ, শিলচৰ ও হাইলাকান্দি মহকুমাৰ প্ৰাথমিক ও মাধ্যমিক স্কুল শিক্ষক/কৰ্মচাৰীৰ পেঞ্চন।

৪৯২ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) প্ৰাথমিক ও মাধ্যমিক শিক্ষা প্ৰাদেশিকৰনেৰ পৰ থেকে কতজন শিক্ষক-শিক্ষিকা ও কৰ্মচাৰীকে নিয়মিত অৱসৰ ভাত্তা ও পৰলোক গতদেৰ পৰিবাৰকে পৰিবাৰ ভাত্তা ( Family Pension ) দেওয়া হয়েছে ?

(খ) যদি না দেওয়া হয় তাৰ কাৰণ কি ?

(গ) Director Elementary Education office এযাবৎ কতটা case জমা আছে এবং কতটা case finalise হয়েছে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছেঃ

(ক) ১৯৭৪ চনৰ অসম প্ৰাথমিক শিক্ষা ( প্ৰাদেশীকৰণ ) আইন ৫-৯-৭৫ তাৰিখে বলবৎ হলেও ১৯৮৭ চনৰ সংশোধনী অধ্যাদেশ যোৱা ২৭ জানুৱাৰী তাৰিখে জাৰি নকৰা পৰ্যন্ত কোনো অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষাৰ শিক্ষক / কৰ্মচাৰীয়ে পেঞ্চন পোৱা নাছিল। উক্ত অধ্যাদেশ যোগে আইনৰ আসোৱাহ দূৰীকৰণৰ পিচত প্ৰভিজনেল পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। মৃত শিক্ষক / কৰ্মচাৰীৰ বেলিকা পৰিয়াল পেঞ্চনৰ ব্যৱস্থা এতিয়াও হৈ উঠা নাই।

(খ) নিয়মীয়া পেঞ্চন দিয়া মহাগাণনিকৰ নিজা দায়িত্বত পৰে। কিন্তু প্ৰাদেশিকৰণ বিদ্যালয় সমূহৰ অৱসৰপ্ৰাপ্ত শিক্ষক / কৰ্মচাৰীৰ বেলিকা মহাগাননিকে এই দায়িত্ব লব খোজা নাই। গতিকে বিত্ত বিভাগৰ নিৰ্দ্দেশনামাত তেওঁলোকক এবছৰলৈ প্ৰভিজনেল পেঞ্চন দিয়া হৈছে। লগতে নিয়মীয়া পেঞ্চন দিয়া বিষয়ত এটা স্থায়ী মীমাংসা অতি সোনকালে কৰিবলৈ চৰকাৰে বিষয়টো হাতত লৈছে। পৰিয়াল পেঞ্চনৰ বিষয়ত সকলোবিলাক প্ৰস্তাৱ শিক্ষা সঞ্চালকৰ ওচৰত দাখিল কৰিবলৈ জিলা আৰু মহকুমা বিষয়া সকলক নিৰ্দ্দেশ দিয়া হৈছে।

(গ) কিমান প্ৰস্তাৱ প্ৰাথমিক সঞ্চালকালয়ত আছে সেই তথ্য বিচৰা হৈছে। পালে জনাব পৰা যাব।

বিষয় : এম, এন, এফ কমিটিৰ দ্বাৰা অসমৰ মাটি দখলৰ চেষ্টা

শ্ৰীৰমেন্দ্ৰ দেই সুধিছে :

৪৯৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) হাইলাকান্দি মহকুমাৰ অসম মিজোৰাম সীমান্তত মিজো নেচনেল ফ্ৰন্টৰ কৰ্মীসকলে অসমৰ খেতি মাটি দখল কৰিবলৈ চলোৱা আৰু কোনো কোনো ঠাইত দখল কৰিছে বুলি চৰকাৰে জানে নেকি ?

(খ) যদি জানে তেন্তে এই বিষয়ত কি ব্যৱস্থা লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈ এনে কোনো বাতৰি পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয় : গৌৰীপুৰ পি, বি, কলেজৰ গভাৰ্নীং কমিটি।

শ্ৰীমছিৰউদ্দিন সেখে, সুধিছে :

৪৯৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কলেজৰ 'গভাৰ্নীং বডিৰ' কাৰ্য্যকাল সাধাৰণতে কিমান দিন ?

(খ) গৌৰীপুৰ পি, বি, কলেজৰ এখন গভাৰ্নীং কমিটি যোৱা ২৮।৫।৮৬ তাৰিখে গঠন কৰা হৈছিল নেকি আৰু যদি হৈছিল কাক সভাপতি হিচাবে কমিটিখনত ৰখা হৈছিল ?

(গ) ওপৰক্ত কমিটিখন পুনৰ ভাঙ্গি দিয়া হৈছিল নেকি আৰু যদি হৈছে কোন তাৰিখে আৰু কিয় ?

(ঘ) যদি ভাঙ্গি দিয়া হৈছে তেন্তে নতুন কমিটিখনত পূৰ্ব্বৰ সভাপতিক ৰখা হৈছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাৰ্যকাল তিনি বছৰ।

(খ) হয়। ধুবুৰী উকীল সন্থাৰ অধিবক্তা শ্ৰীগিয়াচুদ্দিন আহমেদক এই পৰিচালনা সমিতিৰ সভাপতি হিচাবে ৰখা হৈছিল।

(গ) এই পৰিচালনা সমিতিখন ৪।১০।৮৬ তাৰিখে ভাঙ্গি দি সেই তাৰিখেই ধুবুৰী জিলাৰ উপায়ুক্তক সভাপতি কৰি এখন নতুন সমিতি গঠন কৰি দিয়া হৈছিল। সুপৰিচালনাৰ বাবে উপায়ুক্তক সভাপতি পাতি এনে পৰিচালনা সমিতি গঠন কৰি দিয়া হৈছিল।

(ঘ) হৈছে।

## বিষয় : পৌৰ সভা আৰু টাউন কমিটিৰ নিৰ্বাচন।

শ্ৰীমছিব উদ্দিন সেখে, সুধিছে :

৪৯৫। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

পৌৰসভা আৰু টাউন কমিটিবোৰৰ নিৰ্ব্বাচন নপতাৰ কাৰণসমূহ কি ? আৰু কেতিয়াকৈ নিৰ্ব্বাচন পতাৰ সিদ্ধান্ত লোৱা হব ?

শ্ৰীচহিতুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

পৌৰ সভা আৰু নগৰ সমিতিবোৰৰ নিৰ্ব্বাচন পতাৰ কাৰণে ভোটাৰ তালিকা প্ৰস্তুতকৰণ, সংশোধনকৰণ ও চূড়ান্তভাৱে প্ৰকাশ কৰাৰ প্ৰয়োজন। এই প্ৰক্ৰিয়াত সময়ৰ দৰকাৰ। তাৰোপৰি পৌৰ সভা আৰু নগৰ সমিটিবোৰত আৰ্থিক দিশৰ উন্নতি সাধনৰ প্ৰচেষ্টা চলোৱা হৈছে।

এই প্ৰক্ৰিয়াবোৰ সম্পূৰ্ণ হলে নিৰ্ব্বাচনৰ প্ৰস্তুতি চলোৱা হব।

## বিষয় : মাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰীৰ দৰমহাৰ ক্ষেত্ৰত বৈষম্য।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

৪৯৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নতুনকৈ মাটি মঞ্জুৰী পোৱা বে-চৰকাৰী মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীৰ দৰমহাৰ ক্ষেত্ৰত থকা বৈষম্যমূলক ব্যৱস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে ইয়াৰ কাৰণ কি ?

(গ) উক্ত শিক্ষক শিক্ষয়িত্ৰী সকলক কেতিয়ালৈ চাকৰিত নিয়মীয়া কৰা হব ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰকৃততে বৈষম্য নাই।

(খ) নতুনকৈ যি কেইখন, তদৰ্থ মঞ্জুৰী পোৱা মহাবিদ্যালয়ক মাটি মঞ্জুৰী পৰ্য্যায়লৈ অনা হ'ল সেই মহাবিদ্যালয় কেইখনৰ শিক্ষক আৰু কৰ্ম্মচাৰীৰ দৰমহাৰ লগত সেই সময়ৰ নিৰ্দ্ধাৰিত মৰগীয়া বানচ দিয়া হৈছিল। পিচত চৰকাৰে এটা মৰগীয়া বানচৰ হাৰ বঢ়াই দিয়ে। এই বৰ্দ্ধিত হাৰৰ মৰগীয়া বানচ সেই মাটি মঞ্জুৰী মহাবিদ্যালয় কেইখনক দিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) যি সকল শিক্ষক শিক্ষয়িত্ৰীৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অথবা

চৰকাৰে নিৰ্দ্ধাৰিত কৰা অৰ্হতা আছে, যেওঁলোকৰ চাকৰী ইতিমধ্যে মহাবিদ্যালয় কেইখন মাটি মঞ্জুৰী পৰ্য্যায়লৈ অনাৰ তাৰিখৰ পৰা নিয়মীয়া কৰা হৈছে।

### বিষয় : অসমৰ তীৰ্থস্থান সমূহৰ সংৰক্ষণ।

শ্ৰীঅকন চন্দ্ৰ ৰাভাই সুধিছে :

৪৯৭। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ তীৰ্থস্থান সমূহ সংৰক্ষণ কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

(খ) যদি লৈছে কেনে ধৰণৰ আচনি লৈছে ?

(গ) তুধনৈ সমষ্টিৰ অন্তৰ্গত বান্দশী মৌজাৰ "আইথান" নামৰ তীৰ্থস্থানটি সংৰক্ষণ কৰি উন্নত কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) যিবোৰ তীৰ্থস্থান প্ৰাচীন কীৰ্ত্তিচিনৰ পৰ্য্যায়ত পৰে আৰু আইনমতে প্ৰচীন কীৰ্ত্তিচিন হিচাবে পৰিগণিত কৰিব পাৰি সেইবোৰৰ সংৰক্ষণ ব্যৱস্থা চৰকাৰে লৈছে।

(খ) এইবোৰ মেৰামতি কৰি আৰু প্ৰাচীনত্বৰ অক্ষুন্ন ৰাখি পাৰিবেশিক সৌন্দৰ্য্য বৰ্ধনৰ কাম পৰ্য্যায়ক্ৰমে কৰি অহা হৈছে।

(গ) বান্দশী মৌজাৰ "আইথান" খন প্ৰত্নতাত্বিক আইনমতে প্ৰাচীন কীৰ্ত্তি-চিনৰ পৰ্যায়ত পৰিলে তাৰ সংৰক্ষণৰ ব্যৱস্থা লোৱা হব।

### বিষয় : টি এচ পি এলেকাত কলেজৰ সংখ্যা

শ্ৰীঅকন চন্দ্ৰ ৰাভাই সুধিছে :

৪৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কিমানখন টি এচ পি এলেকাত কলেজ আছে ?

(খ) তুধনৈ কলেজখন টি এচ পি এলেকাত নে ?

(গ) টি এচ পি এলেকাৰ কিমানখন কলেজত বিজ্ঞান শাখা খোলা হৈছে আৰু বিজ্ঞান শাখাৰ বাবে কিমান অনুদান আগবঢ়োৱা হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ৪০ খন।

(খ) হয়।

(গ) ৪ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলা হৈছে। বিজ্ঞান শাখাৰ বাবে দিয়া অনুদানৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হৈছে।

( তালিকা অনুবন্ধ ২ ত চাওঁক )

## বিষয় ঃ গোৱালপাৰা জুনিয়ৰ টেকনিকেল স্কুলখন পলিটেকনিকেলৈ উন্নিত

শ্ৰীঅকন চন্দ্ৰ ৰাভাই, সুধিছে :

৪৯৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰাত থকা Jonior Technical School খন পলিটেকনিকলৈ উন্নিত কৰা হব বুলি ১৮৮৬ চনৰ ২৬ জানুৱাৰী গনতন্ত্ৰ দিৱসৰ চৰকাৰী কাৰ্য্যসূচীৰ ৰাজহুৱা সভাত সমাজ কল্যান বিভাগৰ ৰাজ্যমন্ত্ৰীয়ে ঘোষণা কৰা স্বত্বেও আজিলৈকে কিয় ইয়াক কাৰ্য্যকৰী কৰা হোৱা নাই ?

(খ) চলিত বিত্তীয় বছৰতে ইয়াৰ কাৰ্য্যকাৰিতা সম্বন্ধে বিবেচনা কৰা হবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) সপ্তম পৰিকল্পনাৰ ভিতৰত গোলাঘাট আৰু গোৱালপাৰাত থকা দুখন নিম্ন কাৰিকৰী শিক্ষানুস্থান পলিটেকনিকলৈ পৰ্য্যায়ক্ৰমে উন্নিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

(খ) এই সিদ্ধান্ত মতে ১৯৮৭-৮৮ শিক্ষা বছৰত গোলাঘাটৰ শিক্ষানুস্থানখন আৰু ১৯৮৮-৮৯ চনৰ শিক্ষা বছৰত গোৱালপাৰাৰ শিক্ষানুস্থানখন পলিটেকনিকলৈ উন্নিত কৰাৰ বাবে যত্ন কৰা হৈছে।

## বিষয় ঃ যমদুৱাৰত পুলিচৰ গুলত নিহত ব্যক্তিলৈ সাহায্য।

শ্ৰীইউছুফ আলি আহমেদে সুধিছে :

৫০০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ৮।৪।৮৩ ইং তাৰিখত চাপৰ থানাৰ অন্তৰ্গত যমদুৱাৰত পুলিচৰ গুলিত নিহত হোৱা (১) ছোলেমান আলী, পিতা আব্দুল কৰিম (২) বেল্লাৰ হোচেন আৰু (৩) শৰিফউদ্দিন আলী নিহত হোৱা কথাটো বৰ্ত্তমান চৰকাৰৰ অৱগত নে ?

(খ) যদি অবগত তেওঁলোকক আগৰ চৰকাৰৰ নিৰ্দ্ধাৰিত এক-কালিন অনুদান দিয়া হৈছে নে?

(গ) যদি দিয়া হোৱা নাই; ইয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়। ধুবুৰী জিলাৰ চাপৰ আৰক্ষী চকীৰ অন্তৰ্গত যমদুৱাৰত ইং ৮।৪।৮৩ তাৰিখে পুলিচৰ গুলিত চোলেমান আলি আৰু বেল্লাল হোচেইন নামৰ দুজন লোকৰ মৃত্যু হোৱাৰ কথা চৰকাৰে জানে। কিন্তু শৰিক আলি নিহত হোৱাৰ খবৰ চৰকাৰৰ হাতত নাই।

(খ) উক্ত মৃতব্যক্তি দুজনৰ উত্তৰাধীকাৰী হিচাবে সময়ত কোনো লোক আগবাঢ়ি নহাৰ কাৰণে এককলীন সাহায্য দিব পৰা নহ'ল।

(গ) চৰকাৰে ইং ২১।৩।৮৭ তাৰিখে উক্ত মৃত লোক কেইজনৰ নিকটতম্ আত্মীয়ক/উত্তৰাধীকাৰীক এককালীন অনুদান দিয়াৰ প্ৰস্তাৱ জিলা উপায়ুক্তৰ পৰা পাইছে। বিষয়টো চৰকাৰৰ বিবেচনাধীন অৱস্থাত আছে।

## বিষয় : চৰকাৰী স্বীকৃতিপ্ৰাপ্ত মাধ্যমিক বিদ্যালয় সমূহৰ চৰকাৰীকৰণ।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

৫০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰী স্বীকৃতিপ্ৰাপ্ত মাধ্যমিক বিদ্যালয়সমূহ প্ৰাদেশীকৰণ কৰাৰ কোনো সিদ্ধান্ত লোৱা হৈছে নেকি?

(খ) যদি হৈছে কোন চনত স্কুলসমূহ প্ৰাদেশীকৰণ কৰা হব?

(গ) ১৯৮৬-৮৭ বিত্তীয় বছৰটোত কোনো মাধ্যমিক স্কুল প্ৰাদেশীকৰণ কৰা হৈছে নেকি, যদি হৈছে জিলা ভিত্তিক ইয়াৰ সংখ্যা জনাব?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান তেনে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) পুৰনি প্ৰস্তাৱমতে বাদ পৰি যোৱা ডিব্ৰুগড় জিলাৰ 'বিশমাইল হাইস্কুল খন এই বছৰত প্ৰাদেশীকৰণ কৰা হৈছে।

## Re : Construction of Primary School Buildings in Darrang District.

Shai Abdul Jabbar, asked :

502. Will the Minister, Education be pleased to State :

The numbe- of primary school within the district of Darrong selected for the constructi-n of sehool building under capital componet of the 8th Finance Commission's award for Upgradation of the Standard of Administration in 1985?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯৮৫-৮৬ চনত ৮ম বিত্তীয় আয়োগৰ টকাৰে দৰং জিলাত মুঠতে ৫৭ খন প্ৰাইমাৰী স্কুলৰ ঘৰ নিৰ্মাণৰ বাবে বাচনি কৰা হৈছিল।

**Re : Char Devlopment Centres.**

Shri Sheikh Abdul Hamid, asked,

503. Will the Chief Minister be pleased to state :

(a) Is it a fact that Goverment has sanctioned four Char Dev. Centres for Char Areas?

(b) If so, when these Centres will be established and will start functioning?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) অফিচৰ গৃহ নিৰ্মাণৰ বিষয়ে গড়কাপ্তানি বিভাগৰ লগত যোগাযোগ চলাই থকা হৈছে।

**Re : Confirmation of Services of Lecturers of Deficit Colleges.**

Shri Sheikh Abdul Hamid, asked :

504. Will the Minister, Education be pleased to state:

(a) Whether it is a fact that a good number of cases for confirmation of Services of Lecturers of deficit Colleges of Assam are pending in the Education Department for a long time?

(b) If so, how many such cases are panding ?

(c) ( Please state the names with colleges )

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা প্ৰস্তাৱ মতে ৯৫ জন শিক্ষকৰ স্থায়ীকৰণৰ প্ৰস্তাৱ নিস্পত্তি নোহোৱাকৈ আছে। এখন তালিকা সদনৰ মজিয়াত দিয়া হৈছে। (তালিকা অনুবন্ধ '৩' ত চাওক )

## Re : Dissolution of Governing Bodies of All Aided Collges.

Shri Sheikh Abdul Hamid, asked :

505. Will the Minister, Education be pleased to state :

(a) Whether it is a fact that all the governing bodies of Assam Government Aided Colleges were dissolved by a Government Notification, dated 22nd January, 1986 ?

(b) If so, whether this has been done under the existing rules governing the Aided Colleges ?

(c) Is it a fact that the governing bodies of a good number of Colleges have not yet been reconstituted though it is mandetory to constitute governing bodies within three months ?

(d) If so, the reasons and whether Government will take early steps to constitute the governing bodies of the Colleges ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষাবিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) কম সংখ্যক মহাবিদ্যালয়ৰ পৰিচালনা সমিতি গঠন কৰিবলৈ বাকী আছে আৰু অনতি পলমে এইবোৰ পৰিচালনা সমিতি গঠন কৰি দিয়া হব।

(ঘ) 'গ'ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## Re : Representation of Assam Madrassa Teachers' Association

Shri Sheikh Abdul Hamid, asked :

506. Will the Minister, Education be pleased to state :

(a) Whether Government is aware about the fact that a good number of senior Madrassa have not yet brought under full grant-in-aid system ?

(b) Is it a fact that a discussion held on 19th February, 1987 with the representatives of All Assam Maerassa Teachers Association in the Office Chamber of the D. D. I. ( Deputy Director of Higher Education ) and the officials of the Department agreed to fulfil some of their demands raised ?

(c) If so, action taken by Government for fulfilment of the assurances given on that discussion ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) মিটিং হোৱা কথাটো সঁচা। মিটিঙত বিষয়াসকলে দাবীসমূহৰ ওপৰত ইতিমধ্যে কি ব্যৱস্থা লৈছে বা লব এই সম্পৰ্কে আলোচনা কৰে।

(গ) চৰকাৰে দাবীসমূহ বিবেচনা কৰি আছে।

## VOTING ON DEMANDS FOR GRANTS

মাননীয় অধ্যক্ষ : এতিয়া শিক্ষা শিতানত আলোচনা আৰম্ভ হব। আমাৰ মাননীয় সদস্যসকলক জনাব খোজো যে প্ৰায় ডেৰকুৰিৰো অধিক মাননীয় সদস্যই এই বিতৰ্কত ভাগ লবলৈ বাকী আছে। সেয়েহে মাননীয় সদস্যসকলে ৩ মিনিটৰ ভিতৰত কবলৈ আৰু তেওঁলোকৰ বক্তব্য শেষ কৰিবলৈ চেষ্টা কৰে।

Shri Altaf Hussain Mazumdar : Mr. Speaker, sir, sinee the time is short, I would like to present certain points

as regards the Education Department in supporting the cut-motion. Well, our philosopher looking Education Minister is heading a department where things are going on a peculiar way and probably either the Hon'ble Minister is not aware of it or he is wrongly briefed. Sir, when we hear his speech on the floor of the House, we feel very happy. Sir, times without number, the Hon'ble Education Minister has stated that his Education Deptt. will be free from 'politicalisation' and free from all sorts of corruption. But, sir, in this regard probably he has acted just the reverse of his declined policy on the floor of the House. Unfortunately, sir, he has politicalised the entire department and the educational institutions. He has politicalised the department in giving grants and in providing employment etc. It is a very big department, a powerful department of the Government concerning the people of the entire State. Sir, as the time is very short, I will not dilate all other things as to how this Department is functioning. But simply I would like to point out that inspite of his high-sounding philosophical talks, some newspapers, which are most favourable to A.G.P. are now focussing as to how he is doing and his department is functioning. Sir, these are the papers who supported the agitation, supported the A. G. P. and the Government Sir, we have seen that three books are supplied in a school. We do not know how the boys will share. One book is going on for the teacher and with the remaining two how the boys will share ? Sir, if the Education Department carries on in this way, then within a few days boys will be taken out from the educational institution. Sir, I will refer one

or two lines which had been very able depicted by a leading Assamese Paper 'Dainik Asom'. I do not know whether the Hon'ble Education Minister has gone through the news-item or not? As the Hon'ble Minister is very busy, he may not have the time to go through the paper. But I would like to request the Hon'ble Minister to go through the news item as it is of vital interest of the State concerning the boys and girls. At first I would like to refer to a portion published in Dainik Asom dated 29 March. Here it has been very boldly pointed out that.

'দৈনিক অসম'
২৯ মাৰ্চ '৮৭ চন

বিনামূলীয়া পাঠ্যপুথি বজাৰত বিক্ৰীৰ ৰহস্য কি?

চৰকাৰে বিনামূলীয়াকৈ বিতৰণ কৰিবলৈ প্ৰস্তুত কৰা পাঠ্যপুথি মুকলি বজাৰত বিক্ৰী হোৱা ঘটনা এটা মাত্ৰ কেইদিনমানৰ আগতে এই কাকততে প্ৰকাশ হৈছিল। বাতৰিটোত কোৱা হৈছিল যে তৃতীয় শ্ৰেণীৰ এখন কিতাপৰ ১৭৩ টা কপি শুৱালকুছিৰ এখন কিতাপৰ দোকানৰ পৰা পুলিচ আৰু ছাত্ৰ সন্থাৰ যুটীয়া প্ৰচেষ্টাত জব্দ কৰা হৈছিল পাঠ্যপুঠি প্ৰকাশ কৰে পাঠ্যপুথি নিগমে। এই পাঠ্যপুথি জিলাৰ চাহিদা অনুযায়ী জিলা স্কুল পৰিদৰ্শক আদিয়ে নিজ নিজ জিলাত থকা পাঠ্যপুথি নিগমৰ বিক্ৰী কেন্দ্ৰৰ পৰা জমা লয় আৰু আগতীয়াকৈ প্ৰস্তুত তালিকাৰ মতে স্কুলসমূহক বিতৰণ কৰে। এইদৰে পৰিদৰ্শকে পাথ্যপুথি লওঁতে নিগমৰ কেন্দ্ৰই এখোন চালান কাটে আৰু এই চালানৰ ভিত্তিত নিৰ্ণয় হোৱা মুঠ ধনৰ পৰিমাণ শিক্ষা সঞ্চালকালয়ে নিগমক আদায় দিয়ে।

Sir, it has been published in bold headlines and I think it will not miss the notice of the Hon'ble Education Minister. The paper has done great service to the people and from this it is clear that the education department has totally failed to serve the interest of boys and girls.

Then, sir, this is not the only thing. I will now cite another instance. I will now refer to the 'Dainik Asom' of today, i; e , the 30th March, 1987. I would request the Hon'ble Minister to find out sometime and to go through the paper and to think as to how he is leading to the department to catastrophy. Sir, it has been published that.

'দৈনিক অসম'

৩০ মাৰ্চ ৮৭ চন

পাঠ্যপুথিৰ হাঁহাকাৰ : একত্ৰিশ লাখ 'কুঁহিপাঠ'ৰ নিমিলা অংক ?

কুঁহিপাত কুমলীয়া গছৰ আগত, কুঁহিপাত কুমলীয়া আমাৰ হাতত।

কুমলীয়া কুহিপাঠ কুমলীয়া শিশুৰ হাতত কেইদিন টিকে ? বেছি সংখ্যক শিশুৱেই হাতত পোৱা দলিয়াই খটিয়াই চিঙা আৰু ফলা দেখা যায়। এনে ক্ষেত্ৰত প্ৰথম স্কুলত ভৰ্ত্তি হোৱা শিশুৰ হাতত এখন কুহিপাঠ বছৰটো ধৰি থাকিবনে ?

চৰকাৰে সকলো ছাত্ৰকে ( সপ্তম শ্ৰেণী পৰ্যন্ত ) বিনামূলীয়াকৈ পাঠ্যপুথি বাৰু দিলেই। কিন্তু প্ৰাথমিক বিদ্যালয়ৰ প্ৰথমটো শ্ৰেণীত নাম লগোৱা শিশুটিক বছৰেকত জানো তিনি চাৰিখনকৈ কুহিপাঠ বিনামূল্যে যোগান ধৰিব পাৰিব বা তেনে ব্যৱস্থা কৰিছে ?

Then, again, sir, I am referreing to 'Dainik Asom' dated 28th March, '87. Here the paper says that.

'দৈনিক অসম'

২৮ মাৰ্চ ৮৭ চন

প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে সকলো স্কুলীয়া ছাত্ৰকে বিনামূলীয়া ভাবে পাঠ্যপুথি যোগান ধৰা হব বুলি চৰকাৰে ঘোষণা কৰিছিল। স্কুলৰ শিক্ষা বছৰো আৰম্ভ হল। বিনামূলীয়া পাথ্যপুথিৰ কিন্তু দেখাদেখিয়েই নাই। ইফালে চৰকাৰে বিনামূলীয়াকৈ পাঠ্যপুথি যোগান ধৰাৰ ঘোষণা কৰাত আন প্ৰতিষ্ঠানবোৰেও কিতাপ প্ৰকাশ কৰাৰ কথা চিন্তা কৰিবলৈ বাদ দিলে।

বছৰো ঘূৰিবৰ হল। বছৰেকীয়া পৰীক্ষা সমাগত। পাঠ্যপুথি নাই। এনে এটা পৰিস্থিতি সৃষ্টি হল কিয় ?

From this we can easily understand how this Ministers is leading our students to the catastrophy. As my time is short, I do not like to dilate further. With these words; sir, I support the Cut-motion and before I conclude I would request the Hon'ble Minister Education to use and save our Students from leviathan slumber.

* শ্ৰীভবেন নাৰ্জী : অধ্যক্ষ মহোদয় মই কৌটিল্যৰ অৰ্থ শাস্ত্ৰ পঢ়িছো, কৌটিল্যৰ অৰ্থ শাস্ত্ৰত কৈছে – প্ৰশাসনীয় সম্পৰ্কত এক শ্ৰেণীৰ লোকে দুষ্কৃতি কৰি আছে তেওঁলোকে শাসন কাৰ্য্যও চলাই আছে। শিক্ষাৰ ক্ষেত্ৰত দুষ্কৃতিকাৰীয়ে আগৰ চৰকাৰৰ দিনৰ পৰা কাম কৰি আছে। গতিকে সকলো নীতি পৰিবৰ্ত্তন কৰিব লাগে। শিক্ষা বিভাগৰ প্ৰশাসন ওপৰৰ পৰা তললৈকে দুস্কৃতি কৰি আছে। যদি এই নীতি সলনি কৰি কাম নকৰে তেনেহলে উন্নতি নহব। শিক্ষাৰ ক্ষেত্ৰত সকলোকে সমভাবে দক্ষ কৰিবলৈ চেষ্টা কৰিব লাগে। আমাৰ এছ-আইসকল আছে স্কুল পৰিদৰ্শন নকৰে। যি সকল গন্য-মান্য শিক্ষক আছে তেওঁলোকে কাম নকৰে। গতিকে অসমীয়া জাতি গঠনত কেনেকৈ সহায় হব। এখন স্কুলৰ শিক্ষকে লৰাক চেকনীৰে কোবাই কোবাই শিক্ষা দিওঁতে কৈছিল— তহঁতক মই কোবাই কোবাই গাধৰ পৰা মানুহ বনাম। ওচৰতে ধূবী এটাই এই কথা শুনি তাৰ গাধটোক মানুহ বনাব পাৰিলে ভাল হব তেতিয়া তাৰ উপাৰ্জনো ভাল হব বুলি শিক্ষকজনৰ ওচৰলৈ গৈ গাধটোক মানুহ বনোৱাৰ কথা কলে। শিক্ষকেও মাহে মাহে ১০০ টকাকৈ দিলে মানুহ বনাই দিম বুলি গাত ললে। সেইদৰে কেবা মাহো যোৱাৰ পিচত গাধটো চাবলৈ যোৱাত শিক্ষকজনে কলে এতিয়াও শেষ হোৱা নাই। কান মূৰ বনাবলৈ আছে। তাৰ পিচত তেওঁ সেই গাধটোক জ্ঞান দি থকাৰ কথা কলে। তেনেকৈ মাহে মাহে ১০০ টকাকৈ তেওঁ ধুবীটোৰ পৰা লৈ থাকিল। এদিন এখন সভাত সভাপতিয়ে বক্তৃতা দি থাকোতে ধুবীজনে শিক্ষকক সুধিলে যে মোৰ গাধটো মানুহ হলনে? তেতিয়া তেওঁ কলে যে সেই বক্তৃতা দি থকা জনেই তেওঁৰ গাধটো। সভা শেষ হোৱাৰ পিচত ধুবীটোৱে আনন্দতে এইটো মোৰ গাধটো, ইমান ভাল কথা কব জানে, বোপাই তই মানুহ হলি বুলি সাবতি ধৰি টনা

* Speech not corrected.

আজোৰা লাগে। তেতিয়াহে আচল কথাটো ওলাই পৰে আৰু ৰাইজে সভাপতিক আতৰাই লৈ যায়। কথাবিলাক এনেকোৱাই। শিক্ষকে কৰিব নোৱাৰা কাম একো নাই। আগৰ চৰকাৰৰ দিনত শতকৰা ২২ ভাগ ছাত্ৰই পাছ কৰাৰ নিচিনা হৈছে। আপোনালোকে যত্ন কৰি আছে কিন্তু আগৰ চৰকাৰে যি খাম-খেৱালী কৰি গল সেই ধৰণেৰে এতিয়াও হৈ আছে। আজি এক বছৰ হল শিক্ষকবিলাকে চহী নকৰাকৈয়ে বেতন পায়। গতিকে সাবধান হবৰ হ'ল।

* শ্ৰীদেৱেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বিত্তিয় বছৰৰ বাবে যিখিনি টকা বিচাৰিছে তাৰ কাৰণে মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাব আনিছে তাৰ বিৰোধীতা কৰিছো। মই বাজেটখন বিশ্লেষণ কৰিবলৈ যোৱাৰ আগতে পাঠ্যপুথি বিলাক বিতৰণ কৰা সমস্যাৰ বিষয়টো সমাধান কৰাৰ কাৰণে অতি সোনকালে বিহিত ব্যৱস্থা লব লাগে। কাৰণ দৈনিক অসমৰ ৩ টা সংখ্যাত ২৮-২৯-৩০ তাৰিখত বেয়াকৈ ওলাইছে, তাৰ স্পষ্টীকৰণ দিব লাগে। কিতাপ-পত্ৰ দিব নোৱাৰো বুলি প্ৰকাশন নিগমে আমাৰ গোলাঘাটৰ উপ-পৰিদৰ্শকক এখন লিখি দিছে। গোলাঘাটত কিতাপ দেখিবলৈ নেপালো। গতিকে অতি সোনকালে ইয়াৰ ব্যৱস্থা কৰিব লাগে।

শিক্ষা বিভাগৰ এটা কথা কব লাগিব যে ভাৰত চৰকাৰে এই শিক্ষা বিভাগটোক মানব সম্পদ ( Human resource ) হিচাবে বিবেচনা কৰিছে। অসম চৰকাৰেও শিক্ষাক মানৱ সম্পদ হিচাবে বিবেচনা কৰিব লাগে। বাজেটত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সি নগন্য। শিক্ষা বিভাগটোক মানব সম্পদৰ আহিলা হিচাবে ধৰিবলৈ হলে বহুত টকা লাগিব। শিক্ষা বিভাগটোক যি খিনি টকা দিয়া হৈছে সেইখিনি যাতে বাস্তবিকতে খৰছ হয়। স্বাধীনতাৰ আগৰ পৰাই শিক্ষা বিভাগটোত বেমেজালী দেখা যায়। আমাৰ চৰকাৰ গঠন কৰাৰ পিচত শিক্ষা বিভাগত বিভিন্ন আঁচনি লোৱা হৈছে। শিক্ষক নিযুক্তিয়ে হওঁক বা অন্যান্য প্ৰশাসনীয় কাম-কাজতে হওঁক যেনে ভাবে আগবাঢ়িব লাগিছিল তেনে ভাবে আগবাঢ়িব পৰা নগল।

উপাধ্যক্ষ মহোদয়, ৩ মিনিট সময় দিছিল। শিক্ষা বিভাগটো মানৱ সম্পদৰ আহিলা হিচাবে ব্যৱহাৰ কৰিব লাগে। এইখিনি কবলৈ হলে বৈজ্ঞানিক আৰু

* Speech not corrected.

অন্যান্য উন্নয়নৰ উপৰত লক্ষ্য ৰাখিব লাগিব যাতে এই সকলোবিলাক কাম কাজ কৰিবলৈ আগবাঢ়ি আহে। এই পৰামৰ্শটো বিশেষকৈ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিব পাৰে। আজি প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ পৰ্য্যায়লৈকে এনে ব্যৱস্থা প্ৰয়োগ কৰিব লাগে। প্ৰাথমিক শিক্ষাৰ দায়িত্ব অসম চৰকাৰে লব লাগে। বিষেশকৈ ৰাজ্যখনত যি বিলাক প্ৰাথমিক বিদ্যালয় বে-চৰকাৰী হৈ আছে সেইবিলাক চৰকাৰীকৰণ কৰিব লাগে। উচ্চতৰ মাধ্যমিক স্কুল বিলাকো বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ প্ৰবৰ্ত্তন কৰিব লাগে। 'প্ৰভিজন' অনুসৰি শিক্ষা অনুস্থানৰ দায়িত্ব চৰকাৰে নিজৰ হাতলৈ নিব লাগে। ইয়াৰ ভিতৰত বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিব লাগে। আজিকালি আমি দেখিবলৈ পাইছো। আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীয়েও কৈছে যে শিক্ষাক মানব সম্পদৰ আহিলা হিচাবে লোৱা হব আৰু এই ক্ষেত্ৰত বৃত্তিমূলক শিক্ষাক অগ্ৰাধিকাৰ দিয়া হব। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আমি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সেইবিলাকৰ ওপৰত বিবেচনা কৰি আমাৰ শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় সমূহৰ পাঠ্যক্ৰম একে হব লাগে। আন এটা পৰামৰ্শ মই আগবঢ়াব বিচাৰিছো শাৰিৰীক চৰ্চ্চাৰ ওপৰত গুৰুত্ব দিব লাগে। আমি যেতিয়া প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলো তেতিয়া শাৰিৰীক চৰ্চাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। উৰ্চ্চ শিক্ষাৰ পৰিচলনাৰ দায়িত্ব সম্পূৰ্ণ বিশ্ববিদ্যালয়ক ন্যস্ত কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয় মই আৰু বেছি নকও মাত্ৰ এক মিনিট সময় কম। উচ্চ শিক্ষাৰ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব বিশ্ববিদ্যালয়ৰ ওপৰত ন্যস্ত কৰিব লাগে। কেচা মালৰ লগত সংগতি ৰাখি গঢ়ি উঠা আৰু উঠিবলগীয়া উদ্দোগ সমূহৰ ব্যৱস্থা যাতে লব পৰা যায় তাৰ কাৰণে শিক্ষা বিভাগে যাবতীয় ব্যৱস্থা লব লাগে। কাৰীকৰী শিক্ষাৰ ক্ষেত্ৰত অসমত ক্ষুদ্ৰ জাতি স্বত্বাৰ বাবে অতি প্ৰয়োজনীয় উপাদান শ্ৰেষ্ঠতম বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ শিক্ষা দানৰ বাবে এখন কাৰীকৰী বিশ্ববিদ্যালয়ৰ আয়োজন কৰিব লাগে। এই ক্ষেত্ৰত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ অন্ততঃ ২৫ খন বিদ্যালয় পলিটেকনিকলৈ ৰূপান্তৰ কৰিব লাগে। এই বিদ্যালয় বিলাকত পেপাৰ টেকনোলোজি, ( paper tehnology ) চুগাৰ টেকনোলোজি, ( sugar technology ) টি-কফি টেকনোলোজি আদি বিষয়ৰ

* Speech not corrected,

শিক্ষা দিয়াৰ ব্যৱস্থা লবলৈ চৰকাৰক অনুৰোধ জনালো। ইয়াৰ পিচত এটা কথা কও যে আমাৰ বিধানসভাৰ মজিয়াত সাংস্কৃতিক উন্নয়নৰ ক্ষেত্ৰত নানা ধৰণৰ আলোচনা হৈছে। এই ক্ষেত্ৰত আমাৰ শিক্ষা বিভাগে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে তথাপি এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিবখুজিছো যে সাংস্কৃতিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ হলে অসমৰ পৰম্পৰা সাংস্কৃতিক বিষয়ে স্কুলীয়া পাঠ্যক্ৰমত ব্যৱস্থা কৰিব লাগে। স্বাধীনতাৰ পিচত কলাকৃষ্টি বিষয়ক যি ধৰণে পৰিবৰ্ত্তন হব লাগিছিল বা আগবাঢ়িব লাগিছিল আজিলৈকে সেইটো হোৱা নাই। মই আশা ৰাখিছো আমাৰ চৰকাৰে হয়টো এই দিশত সম্পূৰ্ণ পৰিবৰ্ত্তন আনিব পাৰিব। যোৱা কেইদিনমান আগতে আমাৰ বিধান সভাত আলোচনা হৈছিল যে আমাৰ পৰীক্ষাৰ ফলাফলৰ হাৰ ২২ শতাংশ কিন্তু মই জনাত আচলতে ৮ শতাংশহে, গ্ৰেচ দি ২২ শতাশ কৰা হয়। গতিকে শিক্ষাৰ মানদণ্ড যাতে উন্নত কৰিব পাৰে তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীশ্বেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিখন বিল উত্থাপন কৰিছে, আমাৰ পক্ষৰ পৰা সেই বিলৰ ওপৰত কৰ্ত্তন প্ৰস্তাব অনা হৈছে। এই কৰ্ত্তন প্ৰস্তাবটোৰ সমৰ্থন কৰি মই দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো। মোৰ প্ৰথম কথা হ'ল যোৱা বছৰত নতুন চৰকাৰ গঠন হোৱাৰ লগে লগে যি শিক্ষা ব্যৱস্থা কৰা হৈছে, ইয়াত দেখা গৈছে যে এনে কিছুমান ব্যৱস্থা লোৱা হৈছে আগৰ চৰকাৰৰ দিনত যিখিনি বেয়া ফল হৈছিল তাতোকৈও বেয়া ফল ধৰিছে। উদাহৰণ স্বৰূপে মই কব বিছাৰিছো স্কুলসমূহত যিবিলাক কিতাপ দিয়া হৈছিল সকলো মাননীয় সদস্যই কৈ গৈছে যে এই ক্ষেত্ৰত বহুত খেলি-মেলি হৈছে। শিক্ষকসকলে কিতাপ আনিবলৈ ডি, আই অফিচলৈ যায় কিন্তু কিতাপ নাপায় ঘূৰি আহিবলগীয়া হয়। ছাত্ৰ-ছাত্ৰী সকলক কিতাপ দিব নোৱাৰিলে তেওঁলোকৰ পঢ়া শুনাত যথেষ্ট অসুবিধা হয়। বিশেষকৈ ডাঙৰ কথা হ'ল কিছুমান স্কুলত এজন শিক্ষক থাকে। যদি সেইজন শিক্ষকে কিতাপ আনিবলৈ বাৰে বাৰে ডি, আই অফিচলৈ যাব লগা হয় তেতিয়াহলে সেই স্কুলবিলাকৰ লৰা-ছোৱালীবোৰক শিক্ষা কোনে কেনেকৈ দিব। গতিকে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে। কলেজ; বিশ্ববিদ্যালয়ৰ কাৰণে

* Speech not corrected.

যি কিতাপ পত্ৰ লাগে সেইবিলাক বজাৰত ওলোৱা নাই। গতিকে শিক্ষা মন্ত্ৰী মহোদয়ে এই বিষয়ত গুৰুত্ব দিব লাগে যাতে সকলো পৰ্যায়তে কিতাপ দিব পৰাৰ ব্যৱস্থা কৰিব পৰা যায়। স্কুলৰ শিক্ষক নিযুক্তি দিয়াৰ ক্ষেত্ৰত ৫-৭ বছৰে শিক্ষক নিযুক্তি দিয়া হোৱা নাই। উদাহৰণ স্বৰূপে মই কব খুজিছো মোৰ সমষ্টিৰ মইগুৰী উচ্চতৰ মাধ্যমিক স্কুলত ৭ জন শিক্ষকৰ পদ খোলা হৈছে কিন্তু আজিও নিযুক্তি দিয়া হোৱা নাই। বামুননগৰ স্কুলত ২ জন শিক্ষক নিযুক্তি (দিছে) দিব পৰা নাই। অসমৰ বহুটো স্কুলৰ ক্ষেত্ৰত আজি ৪-৫ বছৰে শিক্ষক নিযুক্তি দিব নোৱাৰা হিয়াটো কবলৈ গলে অকৰ্মন্যতাৰে পৰিচয়। ইয়াৰে প্ৰমাণ স্বৰূপে মই কব বিছাৰিছো ৰাজ্যখনত শিক্ষাৰ ক্ষেত্ৰত বহুতো পিছপৰি আছে। গাওঁলীয়া ঠাইত স্কুল বিলাকৰ প্ৰাদেশীকৰণ হোৱাৰ যিটো স্তৰ যি ধৰণে হব লাগিছিল সেই ধৰণে নোহোৱাৰ ফলত জনসাধাৰণৰ যথেষ্ট অসুবিধা হৈছে। উদাহৰণ স্বৰূপে মই কব খুজিছো বকো অঞ্চলৰ হাহিমত বড়ো সম্প্ৰদায়ৰ মানুহে ১৯৬০ চনতেই এখন স্কুল স্থাপন কৰিছিল। কিন্তু সেই স্কুলখন আজিলৈকে চৰকাৰীকৰণ কৰা হোৱা নাই। এনেধৰণৰ উদাহৰণ আৰু বহুতো আছে। এই স্কুলবিলাক চৰকাৰীকৰণ নোহোৱাৰ ফলত স্কুলৰ যিবিলাক নিয়ম নীতি থাকে সেইবিলাক নষ্ট হৈ যায়, ফলত স্কুলৰ যিটো পৰিবেশ থাকিব লাগে ছাত্ৰ-ছাত্ৰীয়ে সেই পৰিবেশ নাপায়। গতিকে এই স্কুলবিলাক যাতে অতি সোনকালে চৰকাৰীকৰণ কৰিব পৰা যায় তাৰ ব্যৱস্থা শিক্ষা বিভাগে লব লাগে। এই ক্ষেত্ৰত আগৰ চৰকাৰৰ দিনত যিখিনি খেলি-মেলি আছিল সেই খেলি-মেলিখিনি আতৰাই সোনকালে স্কুলবিলাক প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে লগতে স্কুলৰ সম্পত্তিবিলাক চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। কেৱল স্কুলবিলাক চৰকাৰীকৰণ কৰিলে শিক্ষাদানত বহুটো অসুবিধা হয় এই বছৰ স্কুলবিলাকৰ বাটা-বৰণ ৰাজনৈতিকভাৱে চলিছে। ১৯৮৬ চনৰ ২২ জানুৱাৰী তাৰিখে এখন জাননীৰ জৰিয়তে অসমৰ সকলো এড্‌হক কলেজৰ গভৰ্ণিং বডি (Governing body) ভাঙি দিয়া হয়। জাননী মৰ্মে কিছুমান ডেফিচিত কলেজৰ গভনিং ৰি-কনষ্টিটুত (re-constitute) কৰা হৈছে আৰু কিছুমান কৰা হোৱা নাই। ১৯৭৬ চনৰ ৰুল মতে গৱৰ্নিং বডি ভাঙি দিয়াৰ ৩ মাহৰ পিচতেই নতুনকৈ ফৰ্ম কৰিব লাগে। কিন্তু আজি এবছৰে কিয় কৰা হোৱা নাই এই ক্ষেত্ৰত ৰাজনীতিক সামবা হৈছে। উদাহৰণ স্বৰূপে নৱজ্যোতি কলেজৰ গভনিং বডি ভাঙি দিয়া হ'ল কলগেছিয়াৰ গভৰ্ণিং

বডি ভাঙি দিয়া হয়। এই ক্ষেত্রত ৰাইজে আপত্তি জনাইছে। চৰকাৰে ভাঙি দিছে, চৰকাৰে ব্যৱস্থা নকৰিলে আনে ব্যৱস্থা কৰিব নোৱাৰে। কিন্তু শিক্ষাৰ ক্ষেত্ৰত ৰাজনীতি অহাটো জনসাধাৰণ নাইবা আন কোনেও পচন্দ নকৰে। কিন্তু এই ক্ষেত্ৰত ৰাজনীতি আহিছে। উদাহৰণ স্বৰূপে আমি কব খুজিছো যে আমাৰ তাত এটা এলিমেণ্টৰি বোৰ্ড (Elementary Board) গঠন কৰি দিয়া হৈছে কিন্তু তাতো ৰাজনীতি সোমোৱা হৈছে। দক্ষিণ শালমাৰাৰ এলিমেণ্টৰী বোৰ্ড গঠন কৰি দিয়া হৈছে তাৰ ছেয়াৰমেনজন হৈছে পশ্চিম গোৱালপাৰা সমষ্টিৰ এ, জি, পিৰ পৰাজিত প্ৰাৰ্থী শ্ৰীপ্ৰফুল্ল ৰাভা। এই এলিমেণ্টৰি বোৰ্ড সমূহত বেছিভাগ শাসক দলৰেই চেয়াৰমেন হৈ আছে। বিৰোধী পক্ষৰ কোনো সদস্যকে দিয়া হোৱা নাই। শিক্ষাৰ ক্ষেত্ৰত যি ৰাজনীতি কৰা হৈছে এই সম্পৰ্কে আমাৰ সদনত যথেষ্ট আলোচনা কৰা হৈছে। নিয়োগ ক্ষেত্ৰত, গ্ৰাণ্ট বিতৰণৰ ক্ষেত্ৰত যথেষ্ট খেলি-মেলি হোৱা প্ৰমাণ আমাৰ হাতত আছে। প্ৰয়োজন সাপেক্ষে আমি দিব পাৰিম। শিক্ষা বিষয়টো সকলো ৰাজনীতিৰ পৰা যাতে পৃথক কৰা হয় আৰু সমান ভাবে সকলোৱে যাতে শিক্ষাৰ সুবিধা পাই তাৰ বাবে আবেদন জনাই মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন জনাইছো। এইখিনিতে মই কব খুজিছো যে আমাৰ ফালৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে সেইটো শিক্ষা বিভাগত ধৰা ২৮৭ কোটি টকাৰ বিপৰীতে নহয় এই কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে মাত্ৰ শিক্ষা বিভাগত যি খেলি-মেলিৰ সৃষ্টি হৈছে তাক উদঙাই আলোচনা কৰাৰ বাবেহে। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীদুৰ্গা দাস বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়; সীমিত অসমৰ ভিতৰত ত্ৰুটিয়ে কম নে উপদেশে আগবঢ়াম মই ভাবি পোৱা নাই। গতিকে ত্ৰুটি আৰু উপদেশ দুয়োটাই দিব লাগিব নহলে আধকৱা হব। ৰাইজক মানে মাননীয় সদস্যৰ জ্ঞাতাৰ্থে জনাইছো যে যিটো সমষ্টিত অসম স্বাধীন হোৱাৰ ৪০ বছৰৰ ভিতৰত এখনো উচ্চ মাধ্যমিক স্কুল নাই। গতিকে সেই উচ্চ মাধ্যমিক স্কুল নোহোৱাৰ জৰিয়তে ৰাইজ আৰু শিক্ষাৰ মাজত কিবা বেয়ালগা কথা কব লাগিব নেকি? নিশ্চয় নালাগে। আমাৰ শিক্ষা বিভাগত টেকনিকেল, নন-টেকনিকেল যিমান কিখন আছে, বহুত বিলাক বিশ্ববিদ্যালয় ইয়াত আছে। সেইবিলাকৰ ত্ৰুটি আমাৰ মাননীয় সদস্যসকলে জানে। বিশেষকৈ চহৰ অঞ্চলত

---

* Speech not corrected.

ল'ৰা-ছোৱালী গঢ় লৈ উঠে ইংৰাজী মাধ্যম পঢ়োৱাৰ জৰিয়তে। এইবিলাক মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। গাৱঁৰ ল'ৰা বা ছোৱালীয়েও ইংৰাজী মাধ্যমত শিক্ষা লাভ কৰিবলৈ বিচাৰে। কিন্তু তেওঁলোকে সেই শিক্ষা নাপায়। তেওঁলোকে অসমীয়া মাধ্যম পঢ়িব লাগে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, মই গাওঁ আৰু চহৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈষম্য দেখিবলৈ পাইছো। শিক্ষা মন্ত্ৰী মহোদয়ে এই বিষয়ে গাওঁবিলাকৰ স্কুলত কিবা ব্যৱস্থা ল'ব নেকি? নহলে চহৰত থকা ইংৰাজী স্কুলবিলাক উঠাই দিব লাগে। সকলো ছাত্ৰ-ছাত্ৰীকে একেটা মেডিয়ামকে ব্যৱস্থা কৰি দিব নোৱাৰে নেকি? তাৰোপৰি যিবিলাক অঞ্চলত অসমীয়া, অসমীয়া ভাষাৰ ওপৰিও বড়ো ভাষা, মিচিং ভাষা, ৰাভা ভাষা, পঢ়ুৱাই আছে। এইবিলাকৰ মাজতো কিছু পাৰ্থক্য দেখা গৈছে। যত এখন ইলেমেণ্টৰী হব তাত ২০ টা পদ আছে। সেই কেইটাৰ ভিতৰত বড়ো মেডিয়ামত, কিমানটা দিব মিচিং মেডিয়ামত, কিমানটা দিব ৰাভা মেডিয়ামত, কিমানটা দিব অসমীয়া মেডিয়ামত, কিমানটা দিব? তাৰোপৰি মই আৰু এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যদি এখন প্ৰাথমিক স্কুলত অসমীয়া মেডিয়াম আৰু বড়ো মেডিয়াম আছে। এজন শিক্ষকে এখন স্কুলৰ ৩ বা ৪ জন ল'ৰাকহে অসমীয়া মেডিয়াম শিকাই আছে আৰু ৭০ জনক অন্য ভাষা শিকাই আছে। সেই ৩ বা ৪ জন ল'ৰাক পঢ়ুৱা শিক্ষকজনক অন্য এখন স্কুললৈ লৈ যায় ফলত তেওঁৰ নিযুক্তি হৈ যায়। ইয়াৰোপৰি আমাৰ ডি, আই, সকলৰ কথা কব বিচাৰিছো এবছৰৰ কাৰণে ডি, আই, সকলক ১ বছৰৰ কাৰণে ১০ হেজাৰ টকা ফিক্স দিবৰ কাৰণে দিয়া হয়। তেওঁলোকে এই ১০ হেজাৰ টকাটো চেণ্টাৰ বিলাকত খৰছ কৰিবৰ কাৰণে দিব পাৰে। আমাৰ কেইজন মান সদস্যই কৈছে যে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক স্কুলবিলাক একত্ৰিকৰণ কৰিব লাগে। এই কথা বাৰে বাৰে শিক্ষা মন্ত্ৰী মহোদয়ক কৈ অহা হৈছে যদিও আজিলৈকে কৰা হোৱা নাই। কিছুমান স্কুলত হেডমাষ্টৰ নাই, কেৰাণী নাই, চৌকিদাৰ নাই তেনে স্কুলত বহুতো কষ্ট ভোগ কৰিবলগীয়া হৈছে। বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰত অনা হৈছে যদিও কোনো ব্যৱস্থা লোৱা নাই।

শেষত মাননীয় সদস্য গৰাকীয়ে ৰাজনীতি কৰাৰ কথা কৈছে। তেখেতে এ, জি, পিৰ কথা কৈছে। ইউ, এম এফ, হোৱাৰ কাৰণে হয়তো ৰাজনীতি কৰা নাই বুলি ভাবিছে। এসময়ত তেখেতো চেয়াৰমেন আছিল তেখেতক ভাঙি

দিয়াৰ কাৰণে সদনক বিপথে পৰিচালিত কৰিবলৈ বিচাৰিছে। শিক্ষা মন্ত্ৰী মহোদয়ক যি কেইটা পৰামৰ্শ দিছে সেইবিলাক বিৰোধী পক্ষই নিজেই কৰিছে। গতিকে বিৰোধী পক্ষৰ সদস্যসকলৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লব বুলি মই আশা ৰাখিলো।

Shri Dewan Joynal Abedin : Hon'ble Deputy Speaker Sir, I take my stand to speak in respect of the Cut Motion moved on the grant of education. Sir, a sum of Rs. 2, 87, 13, 16, 000/- has been demanded under this grant. Sir, we are in favour of allocating higher funds for education for the development of education. But Sir. why I support this Cut Motion, because, now it has almost become an open debate that the education system as a whole has gone to the dogs. The number of unsuccessful student is inereasing every year and the standard of education at all levels is going down every year. But where lies the cause of malady ? Different people points out towards different directions. But Sir, it is indeed a matter of great concern that a thing like education with the help of which we are to build up the backbone of our nation, the character of our future generation, we are not very sincere about the serious matter. Sir, it is not only that the Standard of education in the State of Assam is falling down every day, not only that, but larger and larger number of students are getting plucked, They are being dropped out, but the number of illiterate people in the country has a whole even after 40 years of independence is increasing. At the time of independence, the total number of illiterate people was 30 crores and now this figure stands at 43.7 crores. Sir, this shows how alarmingly the number of iliterate people is increasing in our country and the Govern-

ment by way of safeguarding themselves very often want to take higher education as the plea. They say because higher education has been stressed more, education has been neglected at the lower level. But Sir, what is the increase, the expansion of education at the higher level? Sir, only 4·8% people are having higher education today in the country and that shows that emphasis an expansion of higher education is not the cause of lack of education among the common masses. Now, the Government has brought out a brochure called the challenge of education. The policy of the Central Government is infact challenge against education. They have promised that by the year 1990 they will bring universal education at the primary level and by the year 1995 they will achieve universal education at all levels. It is a fantastic idea. Within 10 years after Independence this target of universal literacy was to be achieved below the age group of 14 years. Cent percent literacy. Even after 40 years of independence we have been repeating this and every year we have been repeating this. Sir, what is there in this so called new education policy? In the name of that cducation policy, the whole system of education is to be changed stock and barrel. But in the name of ehanging the education system, we are going to have a worst system of education under this new education policy. The crux of the new education policy will be the curtailment of education and not expansion and they are very cunning ingly sayimp that the new education policy will bring all the goods to the society. But Sir, in reality it is a camouflage. They will start only certain centres of excellence afew model schools. Government

would bear the responsibility of those schools. But as regards the education of the common masses, it will not be their responsibility. They will leave it to the non-formal education. What was the idea behind Education in the British regime ? Degrees were given to as many as people as were required to serve their administrative machinery. Here, under this bourgeois system, the Government cannot give job to the job-seekers but they are planning to give degrees without providing jobs. Sir, they are going to whipe out the system of examinations the system of Degrees. Sir, this system will not do us any good. This system of open rural university, Sir, as for the new Education policy, knowledge will be there in the sky over-head and we are just to go through radio, television etc. non-formal systems of education. The whole plan is to make certain fitters, and mistries etc. and real education will not be imparted. It is a very dangerous things and we must oppose the new education policy of the central Government. Sir, so far as our State Government is concerned, I would like to advice the new Government not to accept the new education policy because this is far less suitable for our State, not to speak of the national level. Here sufficient discussions have been made regarding our present education system and how different school and the children are at very inconvenient position. Sir, I would like to conclude with the suggestion that this Government would try to revitalise the entire education system by looking into it in a very non-political and unbiad attitude so as to devlop the education system. With this words, I conclude, Sir.

উপাধ্যক্ষ : এতিয়া কুমাৰ দীপক দাস।

* শ্ৰীকুমাৰ দীপক দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষাৰ বিষয়ে যিখিনি আলোচনা হৈছে এই সম্পৰ্কে মই কিছু বক্তব্য ৰাখিব বিচাৰিছো। এই কাৰণেই যে অলপ আগতে আমাৰ মাননীয় সদস্য গৰাকীয়ে দৈনিক অসম হাতত লৈ শিক্ষা বিভাগৰ দূৰ্নীতিৰ বিষয়ে বক্তব্য ৰাখিছিল। অসম গণ পৰিষদ চৰকাৰৰ শিক্ষা বিভাগৰ দূৰ্নীতি সম্পৰ্কে দৈনিক অসমত দুই চাৰিটা কথা ওলাইছে, সেই বিলাক আগৰ চৰকাৰৰ দিনৰেই ভুল। কাৰণ আগৰ দিনৰ চৰকাৰে দূৰ্নীতি সজাই থৈ গৈছে। তেওঁলোকে বিভিন্ন বক্তব্যৰে শিক্ষা বিভাগৰ নীতি হাতত লৈ পৰিবেশৰ সৃষ্টি কৰি গৈছে। সেই পৰিবেশ নোহোৱাৰ কাৰণে নতুন চৰকাৰে প্ৰচেষ্টা হাতত লৈছে যে সমালোচনাক উৰ্দ্ধত ৰাখি কাম কৰি যাব বিচাৰিছে। সমালোচনাৰ জৰিয়তে নিকা প্ৰশাসনেৰে দূৰ্নীতি মুক্ত কৰি নতুন চৰকাৰে আগবাঢ়ি যাব। আগৰ চৰকাৰৰ দিনত এনে পৰিবেশ হৈছিল যে শিক্ষক নিযুক্তিৰ কাৰণে ১৫ হেজাৰ খৰছ কৰিবলগা হৈছিল। স্কুলৰ চৰকাৰীকৰণ কৰিবৰ কাৰণে ১৫ হেজাৰৰ ওপৰ খৰচ কৰিবলগীয়া হৈছিল। এনে ধৰণৰ বহুতো কথা আছে। কিন্তু আমাৰ চৰকাৰে এই শিক্ষা বিভাগটো বিভিন্ন ভাবে সংস্কাৰ কৰিবলৈ বিচৰা হৈছে। আমাৰ চৰকাৰে প্ৰগতিমূলক আচনি হাতত লৈছে। আমাৰ এই শিক্ষা বিভাগটো সুন্দৰ ভাবে আগবঢ়াই নিয়াটো সকলোৰে প্ৰয়োজন আছে। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰে বিশেষ মনোনিবেশ কৰিব লাগে। অসমত অৰ্হতা থকা যুৱক-যুৱতী সকলক বিশেষ কাৰিকৰী দিশত আগবঢ়াই নিবলৈ কাৰিকৰী শিক্ষা লাভৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মই পৰামৰ্শ আগবঢ়াব খুজিছো যে অসমত নতুনকৈ যি কাৰিকৰী অনুষ্ঠান কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা হাতত লব তাত যাতে বেলেগ ৰাজ্যৰ মানুহে সুবিধা লব নোৱাৰে তেনে ধৰণে যুৱক-যুৱতী সকলক সম্পূৰ্ণৰূপে তৈয়াৰ কৰিব পাৰে তাৰ কাৰণে শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ভাষা সম্পৰ্কে যি ধৰণৰ আলোচনা সমালোচনা হৈ আছে এই ক্ষেত্ৰত যাতে কোনো খেলি-মেলিৰ সৃষ্টি নহয় আৰু মানুহৰ মনত অশান্তিৰ ভাবৰ যি অঙ্কুৰ হৈছে সেইটো যাতে বিনষ্ট হয় তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

---

* Speech not corrected.

* শ্ৰীদীলেশ্বৰ তাতী : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱটো সমৰ্থন কৰি মই দুটামান কথা কবলৈ আগবাঢ়িছো। উপাধ্যক্ষ মহোদয়, আজি কুৰি শতিকাৰ বৈজ্ঞানিক যুগত শিক্ষা হৈছে একমাত্ৰ মাফকাঠি। ইয়াৰ ওপৰত এটা জাতি বা এখন ৰাষ্ট্ৰৰ সভ্যতা নিৰ্ণয় কৰিব পাৰি। আমাৰ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত শিক্ষাৰ ক্ষেত্ৰত আমাৰ ৰাজ্য পিচপৰা। আমাৰ দেশৰ মাত্ৰ শতকৰা ২৮ ভাগ মানুহে শিক্ষাৰ পোহৰ পাইছে। কিন্তু তুলনামূলক ভাবে দেখা যায়, অসমৰ চাহ মজদুৰ গোষ্ঠী আৰু চাহ প্ৰাক্তন গোষ্ঠীৰ শিক্ষা ক্ষেত্ৰত যি বিকাশ ঘটিছে সি অতি নগন্য। মাত্ৰ শতকৰা ৭ জন মানুহেহে এই শিক্ষাৰ পোহৰ পাইছে। গতিকে ভাৰতবৰ্ষৰ নিচিনা এখন স্বাধীন দেশৰ আৰু কেইবাটাও ৫ বছৰীয়া পৰিকল্পনা পাৰ হৈ যোৱাৰ পাচতো আজি চাহ মজদুৰ সকলৰ শিক্ষাৰ ক্ষেত্ৰত যি ব্যৱস্থা আছে সেইটো অতি দুখলগা। মই ভাবো এনে ধৰণৰ ৫ম পৰিকল্পনা নালাগে ১০ টা পৰিকল্পনা পাৰ হৈ গলেও এই চাহ মজদুৰসকলৰ জনগোষ্ঠীৰ মাজত যিখিনি শিক্ষাৰ সম্প্ৰসাৰণ হব লাগিছিল সেই খিনিও হৈ নুঠিব। শিক্ষাৰ যিটো প্ৰসাৰিত বৈজ্ঞানিক নীতি সভ্য জাতিৰ প্ৰয়োজন সেই খিনি পূৰণ কৰা সম্ভৱ নহব। আজি ৰাষ্ট্ৰীয় শিক্ষা নীতি হিচাবে কিছুমান ব্যৱস্থা লোৱা হৈছে। প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয়, পৌৰ শিক্ষা আদিৰ ব্যৱস্থা কৰি দেশ খনৰ শিক্ষাৰ গতিক আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু আজি ৫০/৪৫ হাজাৰ প্ৰাক্তন চাহ মজদুৰ আৰু চাহ মজদুৰ গোষ্ঠীক শিক্ষা দিবৰ কাৰণে গাওঁত ১/২ প্ৰাথমিক স্কুলৰ ব্যৱস্থা কৰা হৈছে। কিন্তু চৰকাৰী নিৰ্দ্দেশ মতে যি দৰে এখন স্কুলত দুজনকৈ শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা আছে আৰু এখন প্ৰাথমিক বিদ্যালয়ত প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ ব্যৱস্থা থাকে। কিন্তু চাৰিটা শ্ৰেণীত চাৰিজন শিক্ষক নোহোৱাকৈ বৈজ্ঞানিক ভাবে শিক্ষা দিয়া সম্ভৱ নহয়। কিন্তু চাহ বাগিছা বিলাকৰ স্কুলত অধিকাংশই এজন শিক্ষকৰ দ্বাৰা শিক্ষা দিয়া ব্যৱস্থা চলি আছে। আজি চৰকাৰৰ যি নীতি হৈছে, দুজনীয়া শিক্ষকৰ সেই ব্যৱস্থা চাহ কতৃপক্ষ সকলক কাৰ্য্যকৰি কৰিবলৈ নিৰ্দ্দেশ দিয়া নাই। প্ৰাথমিক শিক্ষাৰ দায়িত্ব চাহ বনুৱা আইনৰ ওপৰত ন্যস্ত কৰা হৈছে। ১৯৫৬ চনৰ যি নিয়মাৱলী আছে তাক সংশোধন কৰা হোৱা নাই। সেই নিয়মাৱলী সংশোধন কৰি যদি দুজনীয়া শিক্ষক দিয়াৰ নীতি প্ৰয়োগ

* Speech not corrected.

কৰিব নোৱাৰে তেনেহলে চৰকাৰৰ যি শিক্ষা নীতি সেই শিক্ষা নীতিয়ে চাহ বাগিছাৰ স্কুল বিলাকত কোনো প্ৰভাৱ পেলাব নোৱাৰিব। তাৰ পৰিনতি হিচাবে লাখ লাখ চাহ মজদুৰ শিক্ষাৰ পৰা বিৰত হৈ থাকিব। এই নিয়মাৱলী সংশোধন কৰাৰ প্ৰয়োজন আছে আৰু এই বিষয়ে নিৰ্দ্দেশ দিবলৈ মই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আজি কিছু বছৰ আগতে শিক্ষা বিভাগত একোটাকৈ এডুকেচন চেল খোলা হৈছিল। দেখা গৈছে এই চেল এজন সঞ্চালকৰ অধীনত দিয়া হৈছে যিহেতুকে এই চেল চাহ বাগিছাৰ মজদুৰ সকলৰ উন্নতিৰ কাৰণে খোলা হৈছিল সেই হেতুকে এজন প্ৰাক্তন চাহ মজদুৰক দায়িত্ব দিব লাগিছিল। কিন্তু সেইটো কৰা নহল। এই চেলত এতিয়া মাত্ৰ এটা কামেই চলি আছে দুপৰীয়াৰ আহাৰ দিয়াটো। তাকো কেতিয়াবা কেতিয়াবা টকা পইচাৰ অভাৱত বন্ধ ৰখা হয়। এই চেলত কেৱল এজন কেৰানী আৰু এজন ৪ৰ্থ বৰ্গৰ কৰ্ম্মচাৰীক নিয়োগ কৰিছে তাৰ বাহিৰে আন কোনো কৰ্ম্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। চৰকাৰ যি মহত্ উদ্দেশ্যৰে চাহ মজদুৰ সকলৰ শিক্ষাৰ প্ৰসাৰ কৰিবলৈ এই ব্যৱস্থা লৈছে যেনে পোচাক-পৰিচ্চদ দিয়া, জলপানী দিয়া আদি উদ্দেশ্যেৰে এই চেল খুলিছিল সেই মহত্ কাৰ্য্যত অগ্ৰসৰ হব পৰা নাই। চৰকাৰৰ উদাসীনতাৰ কাৰণেই মই ভাবো এনে এটা অৱস্থাৰ সৃষ্টি হৈছে। বৰ্ত্তমান চৰকাৰে ইয়াৰ উচিত ব্যৱস্থা লব বুলি মই আশা ৰাখিছো। অধ্যক্ষ মহোদয় মোৰ কবলৈ বহুত আছিল কিন্তু সময়ৰ অভাৱত মই কব নোৱাৰিলো। নৱ গঠিত চৰকাৰে কুৰি শতিকাৰ বৈজ্ঞানিক যুগৰ ওপৰত লক্ষ্য ৰাখি চাহ মজদুৰ সকলৰ কথা অনুভৱ কৰি শিক্ষাৰ ক্ষেত্ৰত প্ৰাধান্য দি এই সমাজখনক আগবঢ়াই নিয়াৰ চেষ্টা চলাবলৈ আহ্বান কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীগনেশ বড়ো : অধ্যক্ষ মহোদয়, সময় তাকৰিয়া যদিও মই মাত্ৰ দুষাৰমান কথা কবলৈ বিচাৰিছো। আজি সময় এদিনীয়া ক্ৰিকেট টেষ্ট মেচ খেলাৰ নিচিনাই হৈছে। এতিয়া বাতৰি কাকতৰ হেদ লাইন পঢ়াৰ দৰেই কব লাগিব। বৰ্ত্তমান আমাৰ চৰকাৰৰ সন্মুখত আটাইতকৈ ডাঙৰ সমালোচনা হল পাঠ্যপুথিৰ বিতৰণ আৰু শিক্ষক নিযুক্তিত বহুতো খেলি-মেলিৰ সৃষ্টি হৈছে। এই বিষয় দুটা অতি সোনকালে আমাৰ চৰকাৰে সমাধান কৰিলে আমাৰ

* Speech not corrected.

সকলো শ্ৰেণীৰ ৰাইজৰ উপকাৰ হব। আমাৰ ভবিষ্যত বংসধৰ সকলো উপকৃত হব। গতিকে যিমান পৰা যায় কম সময়ৰ ভিতৰত সমাধান কৰিবলৈ চাব লাগে। কাৰণ আজি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত খেলি-মেলি হৈছে। বহুতো বিদ্যালয়ত এজন শিক্ষক আছে আৰু আজি চৰকাৰে ৬১ হাজাৰকৈ টকা দিছে ৪ টাকৈ কোঠালী কৰাৰ বাবে। কিন্তু আজি এই এজন শিক্ষকে এইবিলাক বিদ্যালয়ত কেনেকৈ শিক্ষাদান কৰিব? গতিকে এটা জটিল সমস্যাৰ সৃষ্টি হৈছে। মন্ত্ৰী মহোদয়ে এই বিষয়ে নিশ্চয় দৃষ্টিপাত কৰিব। শিক্ষা পদ্ধতিটো কৰ্মমুখি কৰিব লাগে আৰু যাতে চাকৰীমুখী নহয় তাৰ বাবে লক্ষ্য ৰাখি কৰ্মমুখী কৰি তোলাৰ আঁচনি গ্ৰহণ কৰিব লাগে। নহলে আমাৰ নিবনুৱা সমস্যা দূৰ কৰাটো সম্ভৱপৰ নহব। সদায়ে এটা বিসঙ্গতি থাকিব। আজি শিক্ষা মন্ত্ৰীয়ে ঘোষণা কৰিছে যে, যিবিলাক স্কুলত ১৫/২০ ভাগ নেপালী ভাষী লৰা-ছোৱালী আছে তাত নেপালী ভাষাৰ শিক্ষক নিযুক্তি দিব। আমাৰ এ, জি, পি, চৰকাৰে মিছিং আৰু ৰাভা ভাষাৰ ক্ষেত্ৰত শতকৰা ১০০ ভাগেই ৰাখিছে। গতিকে বৈষম্যতাৰ সৃষ্টি হৈছে। এই বিষয়ে শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। নেপালী ভাষা নিদিয়াৰ বাবে কোৱা নাই। আনহাতে আজি হিন্দী ভাষাক ৰাষ্ট্ৰীয় ভাষা হিচাবে লৈছে বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে। আমাৰ মজলীয়া বিদ্যালয়ৰ পৰা আৰম্ভ কৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যি বিলাক স্কুল আছে সেইবিলাকত অনুদান বা স্বীকৃতি দিয়া হৈছে কিন্তু দুখৰ বিষয় যে, এইবিলাক স্কুলত হিন্দী গ্ৰাণ্ট দিয়া নহয়। গতিকে গ্ৰাণ্ট নোহোৱাৰ বাবে হিন্দী ভাষা গ্ৰহণ কৰাৰ পৰা বিৰত থাকিব লগা বা কষ্টকৰ হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এই বিষয়টো সমাধান কৰিব লাগে। আনহাতে ভেনচাৰ স্কুল ( Venture School ) বিলাকৰ অৱস্থাও অতি দুখলগা আৰু ডাঙৰ সমস্যা হিচাবে আছে। অন্যান্য ৰাজ্যত প্ৰাথমিক বিদ্যালয় চৰকাৰে খোলে ৰাইজে নহয়। আমাৰ ৰাইজে নিজেই খোলে ৰাইজেই ইয়াৰ বাবে প্ৰয়োজন হোৱা সকলোবিলাক কন্দিচন ফুলফিল কৰিছে তথাপিও ১০/১২ বছৰে চৰকাৰে অধিগ্ৰহণ নকৰে। আজি এম, ও, এম, ভি, আদি স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চাব ডিভিজনেল এডভাইচৰী বোৰ্ড ( Sub-Divisional level Advisory Board ) আছে। কিন্তু এই বোৰ্ডে এইবিলাক স্কুলত নিযুক্তি দিব নোৱাৰে। নিযুক্তিৰ ক্ষেত্ৰত চাব ডিভিজনেল বোৰ্ডক কিয় দায়িত্ব দিয়া হোৱা নাই? কি কাৰণত নিযুক্তিকৰণৰ দায়িত্ব ইয়াত ৰাখি আছে নাজানিলো আজি ২৬/২৭ হাজাৰ স্কুলৰ এই সমস্যা হৈ আছে। গতিকে চৰকাৰে ইয়াৰ এটা

সু-ব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিব লাগে। অসমৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ হলে অসমৰ চাৰিওফালৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ উত্তৰ পাৰৰ অনগ্ৰসৰ অঞ্চলবিলাকৰ প্ৰতি লক্ষ্য ৰাখি অৰুনাচলৰ অনগ্ৰসৰ অঞ্চলৰ প্ৰতি লক্ষ্য ৰাখি এক স্থান নিৰ্ণয় কৰি কেন্দ্ৰীয় বিশ্ববিদ্যালয় পাতিবৰ বাবে চিন্তা কৰিব লাগে। আজি আমাৰ শিক্ষা শিতানত যি দাবী মঞ্জুৰী আনিছে তাত মই পূৰ্ণ সমৰ্থন দিছো আৰু তেখেতৰ সাফল্যৰ প্ৰতি আন্তৰিক সদইচ্ছা জনাই গ্ৰাণ্টটোত সমৰ্থন দি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীঅকন চন্দ্ৰ ৰাভা : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে, শিক্ষা শিতানৰ বাবে যি টকা মঞ্জুৰী আগবঢ়াইছে মই তাক পূৰ্ণ সমৰ্থন জনাইছো উপাধ্যক্ষ মহোদয়, শিক্ষা বিষয়টো হল মানৱ জীৱনৰ অপৰিহাৰ্য্য বিষয়। সেয়েহে মাননীয় উপাধ্যক্ষৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক দুটামান কথা পৰামৰ্শ সহকাৰে অৱগত কৰিব বিচাৰিছো। আজিৰ শিক্ষাৰ যি ব্যৱস্থা, এই ব্যৱস্থাৰ আমূল পৰিৱৰ্ত্তন আনিবলগীয়া হৈছে। দেখা গৈছে অসমৰ নতুন চৰকাৰ আহিয়েই শিক্ষাৰ যি মানদণ্ড যিদৰে নিম্নগামী হৈ যাব ধৰিছে তাক আমাৰ চৰকাৰে আহিয়েই নতুন ৰূপত গঢ় দিবৰ বাবে চেষ্টা চলাইছে। এইটো এটা ভাল পদক্ষেপ। আমাৰ যি জিলা ভিত্তিত পৰিষদ আছে, মহকুমা ভিত্তিত যি বিজাক ইনস্পেকটৰ অব স্কুল আছে সেইবিলাকৰ উপৰিও অন্ততঃ আমাৰ চৰকাৰে এইটো বিবেচনা কৰিব নেকি যে যি সকল অৱসৰপ্ৰাপ্ত শিক্ষক আছে সেই সকলক লৈ এটা 'চেল' গঠন কৰিব লাগে। চাৰ্কল ভিত্তিতেই হওঁক, মহকুমাৰ ভিত্তিতেই হওঁক, জিলা ভিত্তিতেই হওঁক অবৈতনিক পৰিষদ হিচাপে নিয়োগ কৰাটো বিবেচনা কৰিব নেকি ? যদিহে এইটো ব্যৱস্থা কৰিব পৰা যায় তেতিয়া হলে যিসকল শিক্ষা বিভাগত কৰ্মচাৰী আছে সেই কৰ্মচাৰী সকলে কাম-কাজ কৰাত বহুতো সুবিধা হব। আজি যিবিলাক অভিযোগ আহিছে কিছুমান সত্য, কিছুমান অসত্য। সেয়েহে মই কওঁ যে যদি এই অৱসৰ প্ৰাপ্ত শিক্ষক বিলাকক যদি অবৈতনিক ভাৱে দায়িত্বভাৰ দিব পৰা হয় তেতিয়াহলে শিক্ষাৰ ক্ষেত্ৰত কিছু আগবাঢ়ি যাব পাৰিম বুলি ভাবিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ পিচত দেখা গৈছে আমাৰ বিদ্যালয় সমূহত গৃহ অৱস্থা বিষয়ে আমাৰ কেইবাজনো মাননীয় সদস্যই উল্লেখ কৰিছে আৰু

---

* Speech not corrected.

সেই কাৰণেই আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে পৰ্য্যায়-ক্ৰমে প্ৰতি বছৰে ৭ হাজাৰৰ অধিক বিদ্যালয় গৃহ নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই হিচাপে দেখা যায় যে প্ৰাইমাৰী জুনিয়ৰ বেচিক (Primary Junior Basic) স্কীমত ১৯৮৪-৮৫ চনত ২৫ হাজাৰ ৯ শ ১৫ খন বিদ্যালয় লৈছে। অহা বছৰৰ ভিতৰত প্ৰাইমাৰী আৰু হাইস্কুলৰ বেচিক অধিক গৃহ নিৰ্মাণৰ বাবে আহুকালৰ সৃষ্টি নহব। এইটো ক্ষেত্ৰত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। তাৰ পিচত বিদ্যালয় সমূহৰ যিবিলাক সা-সজুলী যেনে, বিজ্ঞান, ভূগোল, বুৰঞ্জী খেলা ধূলা আদি সা-সৰঞ্জামৰ প্ৰয়োজন সেই-বিলাক নথকাৰ কাৰণে শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াত অসুবিধা হৈছে। গতিকে এই বিষয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰোপৰি আমাৰ চৰকাৰৰ ফালৰ পৰা শিক্ষক সকলক এটি নিৰ্দেশ দিব লাগে যে ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা দান কৰোতে আমাৰ থলুৱা উদাহৰণ দি শিক্ষাদান কৰিব লাগে। কাৰণ আমাৰ ছাত্ৰ-ছাত্ৰী সকলে যাতে দেখিবলৈ পায় অসমত কোনে কেতিয়া কি কি কৰিছিল, অসমত কি কি আছে, আজি আমাৰ লৰা-ছোৱালীয়ে অসমৰ বিষয়ে একো নাজানে। কনকলতা কোন, বিষ্ণু ৰাভা, জ্যোতি প্ৰসাদ, আজাদ ফকিৰৰ ব্যাখ্যা দি গুৰুত্ব সহকাৰে পাঠদান কৰিব লাগে। মই ভাবো এনে ধৰণৰ নিৰ্দ্দেশ দিলে নিশ্চয় উপকৃত হব। মই এটা পৰামৰ্শ দিব বিচাৰো যে আজিৰ শিক্ষাৰ মানদণ্ড দিনে দিনে নিম্নগামী হৈছে। প্ৰতি বছৰে জিলাৰ ভিত্তিত শিক্ষাৰ মানদণ্ড বিচাৰ কৰিলে এই ক্ষেত্ৰত উপকৃত হব বুলি ভাবো। গোৱালপাৰা জিলা শিক্ষাৰ ক্ষেত্ৰত পিচপৰা। গতিকে এই গোৱালপাৰা জিলাকো অন্যান্য জিলাৰ সমকক্ষ কৰি আগবঢ়াই আনিব লাগে। তাৰোপৰি যিবিলাক বি, টি, চি আছে, তাৰে ভিতৰত দুখনৈ বি, টি, চিৰ (B T C) অৱস্থা অতিকৈ সোচনীয়। তাত যিবিলাক মহিলা প্ৰশিক্ষাৰ্থী আছে তেওঁলোকে প্ৰশিক্ষণৰ বাবে গুৱাহাটী বা যোৰহাটলৈ যাব লাগে। বাৰে বাৰে কৈ থকাৰ পিচতো ইয়াৰ কোনো উন্নতি হোৱা নাই। আজি দেখা গৈছে জনজাতীয় এলেকাত ৪০ খন কলেজ আছে। তাৰ ভিতৰত দুখনৈটো এখন আছে। ইয়াৰ ভিতৰত ৪ খন কলেজত বিজ্ঞান শাখা খোলা আছে বুলি স্পষ্ট লিখা আছে। তাৰ বাবে অনুদানো দিয়া হৈছে। কিন্তু দুখৰ বিষয় যে টি, এচ, পি, এলেকাত থকা দুখনৈ কলেজে এই অনুদান পোৱা নাই। মোৰ সমষ্টিৰ লগত যোগাযোগ কৰাৰো অসুবিধা। গতিকে আশা কৰিছো যে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত গুৰুত্ব সহকাৰে অনুদান

দিয়াৰ ব্যৱস্থা কৰিব। মই বেচি নকওঁ শিক্ষাৰ শিতানত যি দাবী মঞ্জুৰী আহিছে তাত মই পূৰ্ণ সমৰ্থন দিছো আৰু শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দি অসমক ভাৰতৰ অন্যান্য ৰাজ্য সমকক্ষ কৰি তোলাৰ বাবে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীমোক্তাৰ হুচেইন : মাননীয় অধ্যক্ষ মোহোদয়, শিক্ষাৰ মঞ্জুৰীৰ ওপৰত আমাৰ দলপতি শ্ৰী এ, এফ, ওচমানীয়ে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে মই তাক সমৰ্থন কৰিছো। শিক্ষা বিভাগটো সচাকৈয়ে এটা গুৰুত্বপূৰ্ণ বিভাগ। আমাৰ পাচটা বস্তু খাদ্য, বস্ত্ৰ, স্বাস্থ্য, বাসস্থান আৰু শিক্ষা। এই ৫টা বস্তুৰ শিক্ষাও এটা গুৰুত্বপূৰ্ণ বস্তু। শিক্ষা নহলে মানৱ সমাজত জীয়াই থাকিব নোৱাৰে। অসম তথা ভাৰতবৰ্ষত ১৯৭১ চনৰ লোকপিয়ল মতে এতিয়াও শিক্ষাৰ হাড় মাত্ৰ শতকৰা ৩৪ ভাগ। গতিকে এই নিৰক্ষৰতা দুৰ কৰিবৰ কাৰণে ভাৰতবৰ্ষত দুটা বৰ সুন্দৰ আচনি আছে। এটা হল প্ৰাপ্তবয়স্ক শিক্ষা আচনি আনটো অনানুস্থানিক শিক্ষা। নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে এতিয়ালৈকে যিমান বিলাক টকা পইছা খৰছ কৰা হৈছে সেই খিনি কিমান কামত লাগিছে নাজানো। এই অনুস্থান বিলাকত যিবিলাকে শিক্ষকতা কাম কৰে তেওঁলোকক মাত্ৰ ১০০ বা ১৫০ টকাহে মাননী দিয়ে। তেওঁলোকৰ এই মাননী বৃদ্ধি কৰি দিলে শিক্ষকসকলে নিশ্চয় যথেষ্ঠ অৰিহনা যোগাব পাৰিব আমাৰ লৰা-ছোৱালীক এই দুটা বলিষ্ঠ আচনিৰ যাতে অসমত কৃতকাৰ্য্য হয় তাৰ কাৰণে গুৰুত্ব দিবলৈ মই নতুন চৰকাৰৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ খেলি-মেলিৰ বিষয়ে বহুতো মাননীয় সদস্যই উল্লেখ কৰিছে। মই অৱশ্যে সিফাললৈ নাযাও কিন্তু ইয়াৰ কাৰণে এটা ডাঙৰ সমস্যা হৈছে। শিক্ষকৰ অভাৱৰ কাৰণে হাইস্কুলৰ ছাত্ৰ ভৰ্তিকৰণ কৰিব পৰা নাই। ইয়াৰ কাৰণে এজন প্ৰধান শিক্ষকক অভিভাবক সকলে অফিচতে মাৰপিত কৰিব গৈছিল। পিচত যেনিবা ছাত্ৰ-ছাত্ৰী বা শিক্ষকসকলৰ হস্তক্ষেপত তেনে ব্যৱস্থা হৈ নুঠিল। কিন্তু আমি জনাত চৰকাৰে অতিৰিক্ত পদ মঞ্জুৰী দিয়াৰ তেনে কোনো প্ৰস্তাৱো নাই। এই অতিৰিক্ত পদ মঞ্জুৰী নোহোৱাৰ কাৰণে বহুত বহুত সৰু সৰু লৰা ছোৱালীয়ে শিক্ষা সামৰিব লগা হৈছে।

* Speech not corrected.

কাৰণ তেওঁলোক প্ৰাথমিক বিদ্যালয়ৰ সৰু সৰু ছাত্ৰ দূৰত পঠিয়াই দি শিক্ষা লোৱা সম্ভৱপৰ নহয়। চৰকাৰৰ হেমাহীৰ কাৰণে নতুন শিক্ষক পদৰ কোনো প্ৰস্তাৱ বা ব্যৱস্থা নকৰাৰ কাৰণে আজি বহুত দুখীয়া পৰিয়ালৰ লৰা ছোৱালীয়ে শিক্ষা আহৰণ কৰিব নোৱাৰা হৈছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। শিক্ষা বিভাগৰ বৈষম্যৰ কথা ইয়াত উত্থাপন কৰা হৈছে। প্ৰাথমিক বিদ্যালয় সমূহত গৃহ নিৰ্মাণৰ কাৰণে ৬১ হাজাৰকৈ টকা দিয়া হৈছে। ১৯৮৫ চনতে মোৰ সমষ্টিৰ পৰা এখন স্কুলৰ তালিকা দিয়া হৈছিল কিন্তু তাৰ পিছত তাৰ স্থানীয় সদস্য অৰ্থাৎ চেঙা সমষ্টিৰ বিধায়ক দানেশ আলী আহমেদ মৰিল আৰু মৰাৰ পিছত সেই সময়ৰ ৰাজ্যিক শিক্ষা মন্ত্ৰী শ্ৰীইব্ৰাহীম আলীয়ে চেঙা সমষ্টিৰ পৰা স্কুল কেইখন কাটি নি তেখেতৰ সমষ্টিত দিলে, আমাৰ মাননীয় সদস্যা সোনোৱাল বাইদেৱেও কৈছে এই বৈষম্য কংগ্ৰেছৰ দিনতো আছিল। সেই বৈষম্য এতিয়া আতৰ কৰিব লাগে। মোৰ চেঙা সমষ্টিৰ স্কুলৰ তালিকা এখন শিক্ষা মন্ত্ৰীক দিছো, মই ব্যক্তিগত ভাবে তেখেতক কোৱাৰ ওপৰিও চিঠি এখনো লিখি দিছো। ১৯৮৫ চনৰ পৰা মোৰ সমষ্টিটো মঞ্জুৰীৰ ক্ষেত্ৰত বাদ পৰি আছে। এই কথাত শিক্ষা মন্ত্ৰীয়ে বিশেষ দৃষ্টি দিব বুলি আশা কৰিলো। প্ৰশ্নোত্তৰ কালতে মই এটা উত্থাপন কৰিছিলো মাদ্ৰাছা স্কুল অধিগ্ৰহণ কৰা সম্পৰ্কত। হাই স্কুল, এম-ই স্কুল, প্ৰাথমিক স্কুল প্ৰাদেশিকৰণৰ চেষ্টা চলি আছে। কিন্তু কি ধৰণে এই স্কুল বিলাক অধিগ্ৰহণ কৰা হব তাত কিবা বৈষম্যমূলক নীতি লব বুলি আমাৰ ভয় হৈছে। শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা আমাৰ এই ভয় বা সংস্কাৰ আতৰ হোৱাকৈ কিবা এটা উত্তৰ বিধান সভাত পাম বুলি আশা কৰিলো। কাৰণ আপোনালোকে জানে ভেনচাৰ স্কুলত কাম কৰা আৰু কেঞ্চাৰ বেমাৰত ভোগ কৰা একে কথা, এই যন্ত্ৰনা ভোগ নকৰিলে নুবুজিব। গতিকে মাদ্ৰাছা প্ৰাদেশিকৰণৰ ক্ষেত্ৰত এটা কথা কব বিচাৰিছো ১৯৮৪ চনতে যি ৬খন ফাইনেন্স ষ্টেজত আছে। এই কেইখন ১৯৭৯ চনৰ পাৰ্মিচন পোৱা আৰু ১৯৮৪ চনৰ ৰিকগনিচন পোৱা। এই স্কুল মাদ্ৰাছা অধিগ্ৰহণ কৰা ক্ষেত্ৰত তেনে কোনো যদি নীতি লয় তেতিয়া হলে মোৰ চেঙা সমষ্টিতে আনোৱাৰ উলুম মাদ্ৰাছা বুলি এখন মাদ্ৰাছা আছে ১৯৭৯ চনতে ৰিকগনিচন পাইছে আৰু ২৩২ জন ছাত্ৰ-ছাত্ৰী আছে, এই খনৰ কথা চিন্তা কৰিব লাগিব। আমি জনাত শোলমাৰী চিনিয়ৰ যিখন মাদ্ৰাছা লব বুলি শুনিছো এইখনে ১৯৮৪ চনত ৰিকগনিচন পাইছে আৰু ছাত্ৰ ছাত্ৰীৰ সংখ্যা

আছে ১৭৭ জন। মই যদি মিছা কোৱা নাই এই মাত্ৰাছাখন বোধকৰো মুখ্য মন্ত্ৰী মহোদয়ৰ সমষ্টিৰ আৰু জানিব পৰা মতে বান বিধস্থ বুলি অগ্ৰাধিকাৰ দিছে। কিন্তু আমাৰ তাত আপত্তি নাই বান বিধস্থ অঞ্চলৰ পৰা এইবাৰ ইমান খনকৈ স্কুল লোৱা হব তেতিয়া বৰাক নগাও ও পৰিব নাইবা অনুসুচিত জাতিৰ পৰা এইবাৰ ১০০ খন লোৱা হব অনুসুচিত জনজাতিৰ পৰা ইমানখন লোৱা হব বুলি যদি চৰকাৰে কিবা এটা নীতি ললেহেতেন তাত আমাৰ কবলগীয়া একো নাই, তেতিয়া কিবা বৈষম্য কৰিছে বুলি শিক্ষা মন্ত্ৰীক সমালোচনা কৰিবলৈকো আমি সুবিধা নাপাম ( সময়ৰ সংকেট ) মই যেতিয়া শিক্ষা মন্ত্ৰীক সিদিনা দেখা কৰিছিলো তেতিয়া প্ৰাইমাৰী, হাই স্কুল, এম-ই স্কুল লোৱা সম্পৰ্কত জানিব বিচাৰিছিলো তেতিয়া তেখেতে কেইখনমান লব পৰা হব বুলি কৈছিল কিন্তু কেতিয়াৰ পৰা কি ভিত্তিত লোৱা হব তাৰ কোনো ইঙ্গিত নিদিলে। এই প্ৰাদেশিকৰণৰ ক্ষেত্ৰতো যদি এল-পি স্কুলক বিল্ডিং গ্ৰেণ্ট দিয়াৰ নিচিনা হয় তেতিয়াহলে দুখৰ কথা হব। গতিকে প্ৰাদেশিকৰণ সম্পৰ্কে চৰকাৰৰ বলিষ্ঠ নীতি বিধান সভাত প্ৰচাৰ কৰিবলৈ শিক্ষা মন্ত্ৰীক অনুৰোধ কৰি মই পুনৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে উত্থাপন কৰা বিভাগীয় দাবী মঞ্জুৰীলৈ মই সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। দুৰ্নীতি পৰায়ণ বিভাগৰ ভিতৰত এই বিভাগো এটা যিটো বিভাগৰ ওপৰত আমি আলোচনা কৰি আছো। এক ব্যাপক দুৰ্নীতিৰ পৰা এই বিভাগটোক এতিয়াও মুক্ত কৰি আনিব পৰা নাই। অসম গণ পৰিষদ চৰকাৰ হোৱাৰ পাছৰ পৰা আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে ৰাতি দিনে চিন্তা বা চেষ্টা চলাইছে যদিও পৰিবৰ্ত্তনৰ ফালে যিমান আগবাঢ়িব লাগিছিল এতিয়াও বহুত বাকী আছে। কিন্তু তেখেতৰ যত্নক মই আদৰণি জনাইছো।

এই বিভাগটোত তেখেতে এনে কেইটামান বিষয়ৰ ওপৰত ব্যৱস্থা লৈছে আৰু মনোনিবেশ কৰিছে যাক আমি আদৰি লৈছো। শিক্ষা বিভাগ আৰু বিজ্ঞান আৰু প্ৰযুক্তি আৰু পৰিবেশ এই সম্পৰ্কত তেখেতে লোৱা ব্যৱস্থা সমূহৰ ওপৰত মই দুটামান কথা কব খুজিছো। এখন সাচিপতীয়া পুথি স্বৰ্গীয় ৰুদ্ৰসিংহ দেৱৰ

* Speech not corrected.

দিনৰ এইখন আমাৰ অসমৰ উঠি অহা লৰা-ছোৱালী বিলাকৰ কাৰণে অতি প্ৰয়োজনীয় বস্তু। এইখন উলিয়াই দিয়াত আমি সন্তোষ পাইছো। ইয়াৰ উপৰিও বাংলাদেশ সীমান্তৰ ওচৰৰ ছত্ৰশাল আদি কৰি অন্যান্য সত্ৰসমূহৰ উন্নয়নৰ ব্যৱস্থা কৰা আৰু কিছুমানৰ ক্ষেত্ৰত উন্নয়নৰ ব্যৱস্থা কৰিব খোজা প্ৰচেষ্টাক আমি আদৰণি জনাইছো। এই বিলাকলৈ আৰ্থিক সাহাযাৰ ব্যৱস্থাও কৰিছে বাবে আমি ভাল পাইছো। ইয়াৰ উপৰিও উচ্চ শিক্ষা, কাৰিকৰী শিক্ষানুষ্ঠান সমূহত চাহ বাগিছাৰ লৰা-ছোৱালীৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে, এই বিলাক তথ্য দাঙি ধৰিবলৈ পাই মই ভাল পাইছো।

এই বিভাগটোত চলি থকা কিছুমান দুৰ্নীতিৰ কথা মই আজি আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ ওচৰত দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ১৯৮৬ চনৰ ২৬ নবেম্বৰৰ দৈনিক জনমভূমিত এটা বাতৰি প্ৰকাশ পাইছে। বাতৰিৰ শিৰোনামাই হল "অসমত বিদ্যালয়ত শিক্ষকৰ পদত বাংলাদেশী নাগৰিক"। এখন চৰকাৰ যদি ভাল ভাৱে চলি থাকে তেতিয়াহলে কেনেকৈ এই ধৰণৰ দুৰ্নীতি সোমাব পাৰে? কেতিয়াও নোৱাৰে। মাটিয়েই হওক, পানীয়েই হওক বা জলবায়ুয়েই হওক এই সকলো বিলাক নিয়ন্ত্ৰণ কৰে এখন চৰকাৰে। তেনে এখন চৰকাৰ স্বাধীনতাৰ পিচত বৰ্ত্তি থকাৰ পিচত কেনেকৈ বাংলাদেশী নাগৰিকে অসমৰ মাজ-মজীয়াত চাকৰি কৰি থাকে কেনেকৈ? এইটো আচৰিত কথা নহয় নে? বাংলা-দেশৰ কোন ঠাইৰ কোন কোন জিলাৰ পৰা অহা মানুহ এই বিলাক এই সকলো কথা ইয়াত কাগজখনত লিখিছে। ইয়াত লিখিছে যে "শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰবোৰ বাংলাদেশৰ কুমিল্লা বোৰ্ড, ঢাকা বোৰ্ড, ঢাকা চেকেণ্ডাৰী স্কুল চাৰ্টিফিকেট বুলি উল্লেখ কৰা আছে।" সেইবোৰ শিক্ষাগত অৰ্হতা ভাৰতীয় বা অসমৰ কোন শিক্ষাৰ সমপৰ্য্যায়ৰ তাক বিচাৰ কৰা হোৱা নাই। ১৯৭৮ চনত পূব লামডিং প্ৰাথমিক বিদ্যালয়ত নিযুক্তি পোৱা শ্ৰীমতী আৰতি হোড় নামৰ শিক্ষয়ত্ৰী গৰাকীৰ অদ্ভুত ধৰণৰ বাংলাদেশৰ শিক্ষাগত অৰ্হতা থকা প্ৰমাণ পত্ৰ খনৰ শ্ৰেণীত মাত্ৰ অলপ অনুসন্ধান কৰাৰ নমুনা আছে। কিন্তু সেই কাম বিধিগত ভাবে সম্পাদন নকৰি অসমৰ প্ৰবেশিকা পাছ সমপৰ্য্যায়ৰ বুলি নিযুক্তি দিছে। এই তথ্যখিনি দাঙি ধৰি মই এই বিষয়টোৰ ওপৰত শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অতীতত ঘটিযোৱা এই ঘটনাবোৰৰ পৰাই আজি অসমৰ এই অৱস্থা হৈছে। সোনৰ অসম মাটিৰ অসমত পৰিণত হৈছে। আজি আমি টকা দিছো আৰু দিম সি যিমানেই নহওক কিয় কিন্তু আচলতে

তাৰ সত্ ব্যৱহাৰ হব লাগিব। নহলে কোনো দিশতে অসম আগবাঢ়িব নোৱাৰে। মই এই কাগজখন আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ হাতত দিম যাতে এই ব্যৱস্থা বিলাকৰ ওপৰত শিক্ষা মন্ত্ৰী মহোদয়ে উপযুক্ত ব্যৱস্থা লব পাৰে। মই কেইটামান কথা পৰামৰ্শ হিচপে এইখিনিতে আগবঢ়াব খুজিছো।

কথা হল শিক্ষক সকলক শিক্ষাদান দিয়াৰ বাহিৰে আন কাম দিব নালাগে। বা অন্য দায়িত্ব থাকিব নালাগে। কাৰণ দৰমহা আনিবলৈ জিলালৈ যাওঁতেও শিক্ষক এজনৰ দুদিন স্কুল খতি হয়। আকৌ ডি, আইয়ে কিবা কামত শিক্ষক জনক পঠিয়ালেও স্কুল ক্ষতি হয়। তাৰোপৰি গাওঁত সকাম আদি থাকিলেও কেতিয়াবা স্কুল ছুটী দিয়া দেখা যায়। শিক্ষকসকলে যাতে একমাত্ৰ শিক্ষাদানত মনোনিবেশ কৰি থাকিব পাৰে এই কথাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আজি কালি ঘৰে ঘৰে স্কুল খোলাৰ যি এটা অৱস্থাৰ সৃষ্টি হৈছে সেইটো বন্ধ কৰি একমাত্ৰ স্কুলতে ভাল ধৰণে যাতে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়া হয় তাৰ ব্যৱস্থা কৰিব লাগে। স্কুলত ভাল শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাহে মাহে বা তিনি মাহৰ মূৰত পৰীক্ষা পতাৰ ব্যৱস্থা কৰিব লাগে যাতে লৰা-ছোৱালী বিলাকৰ পঢ়াৰ প্ৰতি মনোযোগ বাঢ়ে। আকৌ এন, চি, চি বা স্কাউট আদিৰ যোগেদি নিয়মানুবৰ্তিতা আদিৰ শিক্ষা দিব লাগে। বছৰত এবাৰকৈ বা দুবাৰকৈ ছাত্ৰ-ছাত্ৰীৰ শৰীৰৰ পৰীক্ষা কৰিবলৈ ব্যৱস্থা কৰি দিলে ভাল হয়। কাৰণ তেতিয়া সৰু সৰু লৰা-ছোৱালী বিলাকৰ যদি কিবা ৰোগ বেয়া ৰোগ আদি থাকে তেন্তে তাৰ চিকিৎসাৰ ব্যৱস্থা কৰি দিলে ভাল হয়।

আমাৰ ছাত্ৰ-ছাত্ৰী সকলক ভাৰতবৰ্ষত নহলেও অসমৰ ভিতৰতে ফুৰিবলৈ ব্যৱস্থা কৰি দিলে ভাল হয়। কাৰণ আমাৰ শিৱসাগৰৰ লৰা-ছোৱালীয়ে গোৱালপৰা দেখা নাই হয়তো। সেয়ে অন্ততঃ বুৰঞ্জী প্ৰধান অঞ্চল তেজপুৰৰ অগ্নিগড় আছে। তেনে প্ৰধান ঠাইবোৰ চাবলৈ সুবিধা কৰি দিব পাৰিলে ভাল হয়। অন্ততঃ নৱম, দশম মান শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক সেই সুবিধা দিলে ভাল হয়। কাৰণ দেখিও মানুহে বহু শিক্ষা লব পাৰে। আকৌ স্কুলৰ পৰা প্ৰতি বছৰে অন্ততঃ কমেও ১০ জন ভাল ছাত্ৰ-ছাত্ৰী ওলাব লাগে খেলুৱৈ হিচাপে। ভাল খেলুৱৈ কৰি গঢ়ি তুলিব পাৰিব লাগে। অকল ফুটবল নহয় অন্যান্য যেনে ক্ৰিকেট, টেবুল টেনিচ বা সাতোৰ আদি সকলো খেলতে যাতে ভালদৰে শিক্ষা লব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।

উপাধ্যক্ষ মহোদয়, আজি কালি সঘনে এটা কথা উল্লেখ কৰা দেখা যায়। প্ৰায় সকলো স্কুলতে বা কলেজতো দেখা যায় শিক্ষকসকলৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। কোনোবা স্কুলত হেডমাষ্টৰক ভাল নাপায় আৰু শিক্ষক সকলে তাৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ আগতে ছাতিৰে মাৰামাৰি কৰে। অলপতে তেনে এখন কাজিয়াত ছাতিৰে মাৰি গাল ফালি দিছে। এই বিলাক কথাই কেতিয়াও ছাত্ৰ-ছাত্ৰীৰ ভাল কৰিব নোৱাৰে। তাৰোপৰি নকল কৰা কাকতো আকৌ শিক্ষকেই আনি দিয়া ঘটনাও হৈছে। এই বিলাকৰ ওপৰত অলপ লক্ষ্য ৰখা উচিত। ইতিমধ্যে শিক্ষা মন্ত্ৰী মহোদয়ে এনে ধৰণৰ বহুতো ব্যৱস্থাৰ বাবে নিৰ্দ্দেশ আদি দিয়া গম পাইছো তথাপিও আমি আশা ৰাখিছো আৰু অলপ কঠোৰ ভাৱে এই দিশত দৃষ্টি ৰখা প্ৰয়োজন। আগৰ চৰকাৰৰ দিনত দেখিছো মদ খাই শিক্ষক স্কুল, কলেজলৈ আহে। আকৌ মদৰ নিচাত সৰু লৰা-ছোৱালীক মাৰপিটো কৰে। এজন ৫০ বছৰীয়া মানুহে ডাঙৰ ডাঙৰ আঙুলিৰে সৰু লৰা এটাক মৰিয়ালে কি অৱস্থা হব ভাবি চাওক। অৱশ্যে মদৰ নিচাতে মাৰিছে। যি সকল শিক্ষকে মদ খাই ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিবলৈ আহে তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা ডাঙি ধৰিব বিচাৰিছো বিধায়কৰ চহী নোহোৱাকৈ মন্ত্ৰীৰ চহীহে চায়। ডি, আই, অফিচ বা ডিৰেক্টৰেট অফিচ বিলাকত কেৰাণীৰহে অধিপত্য বেছি। গতিকে তাক কেৰাণীৰ অফিচ বুলিহে কব লাগিব। শিৱশাগৰ, যোৰহাটৰ কাৰ্য্যালয়ত এনে কৰ্মচাৰী আছে যে তেওঁক কোনো হিলাব নোৱাৰে। আনকি ডিৰেক্টৰেও হিলাব নোৱাৰে। সঞ্চালকৰ কাৰ্য্যালয়ত ভাল ব্যৱহাৰ পাব লাগে। অমি প্ৰতিনীধি হিচাবে আমাক ভাল ব্যৱহাৰ কৰিবই। আজি চৰকাৰী কৰ্মচাৰী সকলৰ প্ৰতি বেয়া ভাব হৈছে কাৰণেই তেওঁলোকে ৰাইজৰ মাজত ভাল সম্পৰ্ক গঢ়ি তুলিব লাগিব। বিধায়ক আৰু মন্ত্ৰীৰ যোগেদি দেশখন ভাল হোৱাৰ সম্ভৱ নহয়।

উপাধ্যক্ষ মহোদয়, দুৰ্নীতিৰ বিষয়ে যি আলোচনা বিলোচনা হৈছে তাৰ কথা আৰু মই নকও, কিন্তু বাংলাদেশৰ ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব বুলি আশা ৰাখিছো। এই খিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীফনি টায়েং : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ ওপৰত আমাৰ বিৰোধী পক্ষই যি বক্তব্য ডাঙি ধৰিছে তাৰ বিৰোধীতা কৰি মই তুষাৰমান কবলৈ ওলাইছো। অসমত শিক্ষা বিভাগত বিশেষকৈ যাতে পৰীক্ষাৰ চেচন সলনি হয় তাৰ বাবে পৰামৰ্শ আগবঢ়াইছো। আমাৰ অসমত শিক্ষাৰ মানদণ্ড বহুত তললৈ নামি গৈছে। কিছুমান মেট্ৰিক পাছ মানুহে দৰখাস্ত লিখি লৈ আহে। কিন্তু সেই দৰখাস্তত কিছুমান বানান শুদ্ধকৈ লিখিব নোৱাৰে। বহুতো বানান ভুলকৈ লিখি লৈ আহে। আগতে আমাৰ ক্লাচ এইটলৈ পঢ়া লৰা-ছোৱালী কাৰিকৰী বিভাগত সোমাবলৈ পাইছিল। এতিয়াও চৰকাৰে কিছুমান সৰু সৰু কাৰিকৰী অনুষ্ঠান খুলিব লাগে যাতে সেই সকলে ভাত শিক্ষা লাভ কৰিব পাৰে। দেখা যায় যে মেট্ৰিক পাছ কৰি প্ৰি-ডিগ্ৰীত ইংৰাজী বিষয়ত শতকৰা ৮০ ভাগ ফেল কৰে। হাইস্কুলত ইংৰাজী বিষয়ত ৭০ ভাগেই ফেল কৰে। এতিয়া স্কুল বিল্ডিং সাজিবলৈ লোৱা হৈছে, তাৰ লগে লগে শিক্ষাৰ পৰিবেশো সৃষ্টি কৰিব লাগে। অসমৰ বিভিন্ন বিভাগৰ এটা খটিয়ান দিব লাগে। এজন শিক্ষকে স্কুলত কিমান লেছন শিকালে কি কি কৰিলে ইত্যাদিৰ বিষয়ে আমাৰ শিক্ষা সঞ্চালকে প্ৰত্যেক স্কুলতে অগ্ৰগতিৰ খতিয়ান হিচাবে লোৱাটো নিয়ম কৰিব লাগে। আমাৰ গণ পৰিষদ চৰকাৰে ভাল কামেই কৰিছে। জন্ম দিয়াটো এটা বেলেগ কথা আৰু লালন পালন কৰাটো বেলেগ। আমাৰ মাননীয় সদস্য শ্ৰীদুৰ্গা দাস বড়োৱে এই বিষয়ে কৈ গৈছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ো আছে। গতিকে আমি এই বিষয়টো গুৰুত্ব দিব লাগে। অনুন্নতক শিক্ষাৰ উন্নত কৰাৰ কামনা কৰিছো। তাৰ ওপৰত চৰকাৰে চকু দিব লাগে। নেপালী বুলি কওঁতে বিদেশী নেপালীও হব পাৰে। অসমীয়া নেপালী নহবও পাৰে। তেওঁলোকক ৰাষ্ট্ৰীয় নেপালী বুলি কোৱা হয়। এনেকুৱা যদি ১৫ জন নেপালী আছিল, তেনেকুৱা নেপালী নাগৰিকে আকৌ অসমলৈ ঘূৰি আহিছে।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী : মাননীয় উপাধ্যক্ষ মহোদয়, নেপালী কথা কোৱা হৈছে নে ভাৰতীয় নাগৰিকৰ কথা কোৱা হৈছে।

শ্ৰীফনী টায়েং : মই বিদেশৰ পৰা নেপালী মানুহ অহাৰ কথাহে কৈছো। উপাধ্যক্ষ মহোদয়, মই আৰু বেছি কথা নকওঁ। আমাৰ কলেজ বিলাকত এন, চি, চি, চাবজেক্ট নাই। কিন্তু এন, চি, চি, চাবজেক্টটো পঞ্চাৱত কম্পালচৰি

* Speech not corrected.

হিচাবে আছে। আমাৰ ইয়াটো এন, চি, চি, চাবজেক্টটো কম্পালচৰি হিচাবে লব লাগে। এইখিনি কৈয়ে মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Monilal Gowala : Mr. Deputy Speaker Sir, I take my stand to support the Cut Motion moved by Hon'ble member Mr. Muktadir Choudhury. Sir, education is such a subject that it should be kept above politics. Hence, while participating in the discussion, on education I shall try my best to putforward my observations which would be impartial and free from politics. Sir, so far as I remember the Text book Production Corporation was the brainchild of Kothari Commission. Its objective was to give books at a cheaper rate and to improve the quality also. But Sir, it has failed to serve both the purposes. Scarcity of books is will known to the members. It is well known to the Government as well that books are sold at a much higher rates in black-markets, on the other hand quality has fallen down. There is no perfect competition among the writers. Only a few writers are given chance and they have monopolised the system and this monopolising system has deteriorated the standard of education. I would request the Government through you Sir, that from this current year Government should introduce book bank system and if this system is introduced crores of rupees can be saved. Sir, let the Inspectors collect the enrolment from the schools and let it be submitted to the Directorate ahead. Then if the books are despatched to the Headmaster I think, for the next year also after the examinations are over, those books can be supplied to the students and by this crores of rupees can be saved and this amount can

be utilised for better purposes. Sir, corruption and negligency of duty in the Education Department are beyound description. I happened to see the list of venture schools of the tea garden in the Directorate. From my Constituency, Sir, names of 11 tea garden venture schools have been sent and I am surprised to find that out of those 11, two names have been overlapped, two names have been omitted and few names are recorded in such a manner that either its location is wrong or its name is wrong. So, Sir, this is the administration and this is how the administration runs in its lower levels. Of course, I do not blame the Directorate. So far I remember and as I know, they are sincere, and reasonable.

Next, Sir, in the last budget session also I told of control and improvement policy that was initiated by Lord Curzon. He was not accepted because of obvious reason; but today it is very much essential. Sir; you see hundreds of venture schools are coming up and if the system is allowed to go on, the very objective of improvement of education will be a failure. The Government has declared to provide atleast two teachers in each school; but I do not think that within the next year or within some other years, it would not be possible for the Government to fulfil its objective. Hence, Sir, for improvement of quality I would request the Government to adopt the policy of control and improvement also. Next, Sir, as regards inspection of schools in the provincialised ones specially in the tea gardens, there is no inspectors. Sir, there are more than 800 tea garden schools and for inspection of those schools, perhaps, there are only 17 nos.

of Sub-Inspectors appointed. Sir, this number is quite insufficient and the Directorate have not been able to recruit the required number of Inspectors. It is not functioning properly. There is no Deputy Director in the Directorate to deal with looking after of the tea garden schools; Hence, I would request the Government to immediately appoint one Deputy Director and recruit some Inspectors for tea garden schools as well as for the general schools.

Mr. Deputy Speaker Sir, probably 14th months have passed ; but for the Primary Schools no teacher is appointed. Advisory Boards are constituted, Selection Committees are formed and interviews have been held but appointments are not made through two months of the current academic session is going to be over. Sir, due to dearth of teachers the schools are sufferring much. I think the Government has been the prisoners of indecision. So long it has not been possible to take a decision by the Government So, I would request the Hon'bie Education Minister to kindly take immediate steps so that teachers are appointed. I would also request the Education Minister to take sympathetic view upon the tea garden schools. Moreover, Sir; while selecting candidates for appointment teacher in the tea garden schools and the tea garden condidates should be given some relexation marks. With this observation and with these few words I resume my seat. Thanking you.

* শ্ৰীসুৰেণ স্বৰ্গীয়াৰী : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ নিচিনা বিভাগ এটা চলাবলৈ যি থিনি দাবী মঞ্জুৰী আহিছে সেইটোৰ মই পূৰ্ণ সমৰ্থন জনাই শিক্ষা মন্ত্ৰীক কেইটামান পৰামৰ্শ দিব বিচাৰিছো ।

* Speech not corrected.

প্ৰথমতে আমাৰ প্ৰাথমিক বিদ্যালয় বিলাকত কিতাপ বিতৰণৰ যিটো খেলি-মেলি, সেই খেলিমেলিটো বৰ দুৰ্ভাগ্যজনক কথা হৈছে। এতিয়াও ছাত্ৰ-ছাত্ৰী সকলক সম্পূৰ্ণ ভাৱে কিতাপ দিব নোৱাৰাটো বৰ পৰিতাপৰ বিষয়। কব নোৱাৰো কি কাৰণত কিতাপ এতিয়ালৈকে বিতৰণ কৰা হোৱা নাই। কাৰণ যি কি নহওক কিয়, এই পাঠ্যপুথি সমূহ স্কুল সমূহত অতি সোনকালে অৰ্থাৎ অহা ১৫ দিনৰ ভিতৰত চৰকাৰক দিবলৈ অনুৰোধ জনালো। বৰ্ত্তমান কিতাপ পত্ৰ বিতৰণৰ যিটো পদ্ধতি সেইটো পৰিবৰ্ত্তন কৰিলে অৱস্থা ভাল হব বুলি মই ব্যক্তিগত ভাবে বিবেচনা কৰো। কিতাপ পত্ৰ বিলাক চৰকাৰৰ তৰফৰ পৰা বিতৰণ নকৰি মুকলি বজাৰত দিলে ভাল হয়। কিতাপ কিনাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলক এটা মঞ্জুৰী দিয়া ভাল হব বুলি মই বিবেচনা কৰো। আজি দেখা গৈছে যে আমাৰ শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে। নিম্নগামী হোৱাৰ কাৰণ হৈছে যে কিতাপ পত্ৰ সময়-মতে দিব নোৱাৰে। শিক্ষক সকলৰ যি কৰ্ত্তব্য সেই কৰ্ত্তব্য যি ভাবে পালন কৰিব লাগে সেই ধৰণে পালন কৰা নাই। মই নিজেই দেখিবলৈ পাইছো যে, আমাৰ যি সকল প্ৰাথমিক স্কুলৰ শিক্ষক এই শিক্ষক সকলে উপযুক্ত সময়ত স্কুললৈ নগৈ বাটে-পথে, দোকানে-পোহাৰে আড্ডা মাৰি থাকে। এই হবলগাৰ একমাত্ৰ কাৰণ হৈছে আমাৰ যি সকল চাব-ইনচ্পেক্টৰ আছে তেওঁলোকে স্কুল সমূহ পৰিদৰ্শন নকৰে। মই সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আমাৰ যি সকল চাব ইনচ্পেক্টৰ আছে তেখেতসকলে এই শিক্ষক শিক্ষয়ত্ৰী সকলে ঠিকমতে পাঠদান কৰিছে নে নাই আৰু স্কুলখনৰ উন্নয়নৰ অন্যান্য দিশবোৰো চোৱাৰ কাৰণে পৰিদৰ্শনৰ ব্যৱস্থা কৰিবলৈ একোখনকৈ গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু এই পৰিদৰ্শন কৰিবলৈ যিখিনি টকাৰ আৱশ্যক হয় সেইখিনি কতৃপক্ষৰ জৰিয়তে পঠোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আমাৰ এই শিক্ষা বিভাগত নতুনকৈ এটা বিভাগ খোলা হৈছে, সেইটো হৈছে খণ্ড উন্নয়ন শিক্ষা বিষয়াৰ কাৰ্য্যালয়। এই খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় বিলাক খোলা হ'ল। তদুপৰি তাত একোজন কৰ্মচাৰী নিয়োগ কৰা হল। লগতে কেৰাণী, পিয়ন ইত্যাদিও নিয়োগ কৰা হ'ল। কিন্তু সেই কাৰ্য্যালয়ত যিজন বিষয়া আছে সেই বিষয়াজনে কাম কৰিবলৈ বা কাম কৰিবলগা একো নাই। তেওঁক কি কাৰণে ৰাখিছে তাত, মই নাজানো। গতিকে তেওঁ এনেয়ে বহি থকাতকৈ তেওঁক কিবা এটা দায়িত্ব দিয়াৰ ব্যৱস্থা অনতিপলমে কৰিব লাগে। অতি দুখৰ কথা যে, আমাৰ প্ৰতিখন জিলাতে জিলা অফিচাৰৰ কাৰ্য্যালয় বা

আই, এচ ৰ কাৰ্য্যালয় খোলাৰ ব্যৱস্থা কৰা হৈছে যদিও নলবাৰী জিলাত এই আই,এচ ৰ কাৰ্য্যালয় বা জিলা বিষয়াৰ কাৰ্য্যালয় বহুওৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আমাৰ শিক্ষা বিভাগৰ কাম খিনি নিয়াৰিকৈ চলাবৰ কাৰণে আৰু আমাৰ শিক্ষক সকলে সকলো কাম কাজ সুচাৰুৰূপে চলাবৰ কাৰণে এই জিলা বিষয়া বা অই, এচ ৰ কাৰ্য্যালয়টো অতি সোনকালেই নলবাৰীলৈ স্থানান্তৰ কৰিব লাগে। প্ৰাথমিক স্কুলবিলাক পৰিদৰ্শন কৰাৰ অভাৱ দেখা গৈছে। এই বিষয়ে পৰিদৰ্শক সকলক সুধিলে তেওঁলোকে কয় যাতায়তৰ একো সুবিধা তেওঁলোকৰ নাই। আমাৰ কাৰণে গাড়ীৰ ব্যৱস্থা নাই যাৰ ফলত আমি পৰিদৰ্শন কৰিব নোৱাৰো। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰতিখন জিলাতে, প্ৰতিটো কাৰ্য্যালয়তে অন্ততঃ মুৰব্বী সকলৰ কাৰণে একো একোখনকৈ গাড়ীৰ ব্যৱস্থা কৰি দিয়ে। মই আৰু বেচি কথা নকও, ইতিমধ্যে এই সম্পৰ্কে আমাৰ বহুতো আলোচনা বিলোচনা হৈ গৈছে। আমাৰ মাননীয় সদস্য সকলৰ বহুতো কব লগা আছে। সদৌ শেষত এই দাবী মঞ্জুৰীৰ প্ৰস্তাৱটোৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছো আৰু মই আশা ৰাখিছো আমাৰ বিৰোধী দলৰ সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাব আনিছে সেইটো উঠাই লব। এইখিনি পৰামৰ্শ দিয়েই মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে সদনত যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জাইছো আৰু মাননীয় বিৰোধীপক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাব আনিছে তাৰ মই পূৰ্ণ বিৰোধীতা কৰিছো। লগতে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই পুৰণি আহোকলীয়া যি বিলাক সমস্যা সেই সমস্যা বিলাক দুৰ কৰাৰ কাৰণে শিক্ষা বিভাগত যিবিলাক নতুন নীতি উদ্ভাবন কৰিছে আৰু তাৰ কাৰণে যি অহোপুৰুষাৰ্থ প্ৰচেষ্টা কৰিছে তাৰ প্ৰতি তেখেতলৈ মোৰ শলাগ লৈছো। সময় যিহেতু খুব কম, সেই কাৰণে থুলমূলীয়া ভাবে কেইটামান পৰামৰ্শ দিব বিচাৰিছে, যিহেতু মাননীয় সদস্য সকলে এই বিলাক বিষয়ত আলোচনা কৰি গৈছে। মই মাত্ৰ কেইটামান পৰামৰ্শহে ইয়াত ডাঙি ধৰিবলৈ বিচাৰিছো। প্ৰথমটো হ'ল—ভাষা নীতিৰ ক্ষেত্ৰত মই মোৰ মতামত ডাঙি ধৰিব বিচাৰিছো। আমি দেখিবলৈ পাইছো দিত্যালয় সমূহত যি ভাষা নীতি প্ৰয়োগ কৰা হৈছে সেই ভাষা নীতি বাধ্যতামূলক হোৱাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত হাৰাশাস্তিৰ

* Speech not corrected.

সৃষ্টি হৈছে। ইয়াৰ উপৰিও আমাৰ যি প্ৰথম ভাষা, দ্বিতীয় ভাষা আৰু তৃতীয় ভাষা আছে এইটো নকৰি ইয়াক এটা ভাষা গোট হিচাবে ব্যৱহাৰ কৰিব লাগে আৰু বাস্তবিকতে ভাষা গোট প্ৰবৰ্ত্তন কৰা অৰ্থাৎ লেঙ্গুৱেজ গ্ৰুপ (Languag group) বাধ্যতামূলক কৰি দিলে সেইখিনি হাৰাশাস্তি বা অসুবিধা ভোগ কৰিবলৈ নাপাব। গতিকে লেঙ্গুৱেজ গ্ৰুপৰ পদ্ধতি এটা সৃষ্টি কৰিব লাগে। আনহাতেদি আমাৰ ভাষাৰ যিটো মাধ্যম সেই সম্পৰ্কত মই কব বিচাৰিছো যে প্ৰাথমিক পৰ্যায়ত আমি সকলোবিলাক মাতৃ ভাষাৰ মাধ্যমত কৰিব লাগে আৰু আমাৰ মাধ্যমিক স্কুলৰ ভাষা আৰু বিশ্ববিদ্যালয়ৰ ভাষা সংবিধান অনুসৰি পদ্ধতিমূলক ভাবে প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিবলৈ পাইছো যে আমাৰ দেশখনত বিজ্ঞান আৰু কাৰিকৰী যিটো শিক্ষা আছে সেই শিক্ষাতো আমি বাস্তৱ দৃষ্টি ভঙ্গীৰে লব পৰা নাই। যিহেতু গতানুগতিক ভাবে আমি কলা শিক্ষাকেই দি আহিছো সেয়েহে নিবনুৱা সমস্যাৰ বেচি সৃষ্টি হৈছে। আমাৰ মাননীয় সদস্য সকলে উপলব্ধি কৰিব পাৰিছে আৰু আমাৰ ৰাইজেও উপলব্ধি কৰিছে। মই কব বিচাৰিছো মোৰ সমষ্টিত এনেকুৱা এটা সমস্যা হৈছে। খোৱাং আৰু পুথিবৰ এই দুয়োখন হায়াৰ চেকেণ্ডাৰী স্কুলতেই কলা বিভাগহে আছে আৰু কলেজ এখনো হাতত লোৱা হৈছে, কিন্তু তাতো বিজ্ঞান শিক্ষা বিভাগ নাই। গতিকে বিজ্ঞানক অবহেলা কৰিলে নিবনুৱা সমস্যা সমাধানত সহায় নহব বৃদ্ধিহে হব। কাৰিকৰী আৰু বিজ্ঞানৰ যিটো বিষয় এইটোত অধিকতৰ ভাবে উন্নতি কৰিব লাগিব। মই আমাৰ দলৰ পৰা পৰামৰ্শ দিব বিচাৰিছো যে যিবিলাক আমাৰ উচ্চ মাধ্যমিক বিদ্যালয় আছে সেই বিলাকত বাধ্যতামূলক ভাবে কাৰিকৰী আৰু বিজ্ঞান শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ যিবিলাক অঞ্চলত এই কাৰিকৰী আৰু বিজ্ঞান শিক্ষাৰ ব্যৱস্থা নাই সেই অঞ্চল বিলাকৰ একো একোখন স্কুলত এই শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিবলৈ পাইছো ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটা সাংঘাটিক ব্যৱস্থা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৩ বছৰীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। কিন্তু ইয়াত আজিলৈকে পাঠ্যপুথি ছপা কৰা ব্যৱস্থা কৰা হোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই ইয়াৰ এটা ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনাইছো। নিযুক্তিৰ ক্ষেত্ৰত ৰাজনীতি আৰু দুৰ্নীতিৰ আশ্ৰয় লৈ দিয়া হৈছিল। এনেধৰণে এই বিলাক হৈছিল। এই দুটা ৰাজনীতি আৰু দুৰ্নীতিৰ ফালৰ পৰা মুক্ত হবৰ কাৰণে এটা নিয়োগ নীতিৰ ব্যৱস্থা কৰিব লাগে। গতিকে মই অনুৰোধ জনাব

বিছাৰিছো প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে নিয়োগ নীতিৰ বিষয়ে এটা পদ্ধতি নিৰ্দ্ধাৰণ কৰে। আমি উচ্চ মাধ্যমিক বিদ্যালয়ত বহুতো অসুবিধা দেখিবলৈ পাইছো। উৰ্চ্চ মাধ্যমিক বিদ্যালয়ত যিটো চৰকাৰী নীতি সেই নীতিৰ সাল-সলনি কৰিব লাগে। যি সকল শিক্ষকে উচ্চ মাধ্যমিক স্কুলত শিক্ষকতা কৰে সেই সকল শিক্ষকে কেইবা বছৰো কাম কৰাৰ পাচহে সেই স্কুলখন চৰকাৰীকৰণ কৰা হয়। তাৰ ফলত সেই শিক্ষক সকলে বহুতো পইচা হেৰুৱাব লগাত পৰে। গতিকে সোনকালে চৰকাৰীকৰণ (Provincialized) কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। অন্যথাই আমাৰ এই শিক্ষক সকলে বহুতো অসুবিধা ভোগ কৰিবলগীয়া হয়। অৱশ্যে বহুতো কথা কবলগীয়া আছিল। তথাপিতো আমাৰ শৈক্ষিক পৰিৱেশৰ ক্ষেত্ৰত যিখিনি অসুবিধা আছে সেই অসুবিধাখিনি দূৰ কৰাৰ কাৰণে বিবেচনা কৰিব। সদৌ শেষত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিখিনি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক পূৰ্ণ সমৰ্থন জনাই মই মোৰ মন্তব্যৰ সামৰিলো।

Shri Santi Ranjan Das Gupta : Mr. Deputy Speaker, Sir, I am very much reluctant to take part on the Education Demand for 287 crores and I am also very much reluctant the way the Education Depertment is functioning. Sir, I will read out a letter given to me by the Education Minister and that letter is self-explanatory what I want to say and it will be manifested in this letter, This letter is dated 27-5-86 No. MEI /86.

সন্মানিত মহোদয়,

শ্ৰদ্ধা সম্ভাষণ গ্ৰহণ কৰিব। আপোনাক আপোনাৰ সমষ্টিৰ প্ৰত্যেকখন পঞ্চায়ত ভিত্তিত পাচখনকৈ প্ৰাথমিক বিদ্যালয়ৰ গৃহ পুনৰ নিৰ্মানৰ কাৰণে তালিকা দিবলৈ অনুৰোধ জনোৱা হৈছিল। সকলো বিধায়কৰ পৰা তালিকা সমূহ আমাৰ হাতত এতিয়ালৈকে পৰা নাই। সেয়ে ৰাজ্যিক পৰ্য্যায়ৰ পূৰ্ণাঙ্গ তালিকা প্ৰস্তুত কৰি দিব নোৱাৰিলে প্ৰাথমিক পৰ্য্যায়ৰ উন্নয়নৰ কাৰ্য্যসূচী স্থবিৰ হৈ ৰব। গতিকে অতি কম সময়ৰ ভিতৰতে আপোনাৰ সমষ্টিৰ জৰাজীৰ্ণ হোৱা প্ৰাথমিক বিদ্যালয়ৰ গৃহ সমূহ পাচখন বা ততোধিক (প্ৰত্যেক পঞ্চায়তৰ ভিত্তিত) অতি সোনকালে দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

(২) ভাষা সম্পৰ্কীয় বিষয়টো আপোনালোকৰ মতামত বিচৰা হৈছিল। এই বিষয়ত পুনৰ জনজাতীয় ভাষা আৰু অন্যান্য ভাষা সম্পৰ্কীয় সমস্যাৰ বিষয়ে আপোনালোকৰ মতামত জনালে বাধিত হম।

(৩) আপোনাৰ অন্তৰ্গত সমষ্টিৰ পাচ গৰাকী শিক্ষাবিদৰ নাম বিচৰা হৈছিল। উক্ত নামৰ তালিকাও সোনকালে দিবৰ কাৰণে অনুৰোধ জনালো।

স্বাক্ষৰ : বৃন্দাবন গোস্বামী

মন্ত্ৰী, শিক্ষা বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ।

Sir this is my fourth time I am in this Assembly. When we go to the people we never promise them anything. We simply say that we will be with you at the time of our distress and difficulties. We have never assured them that we will give them so many schools, so many roads and so many other things. Sir, we do not please them with all these things during our election. When the Education Minister gave us this letter, naturally prior to replying to the letter we had to consult with our workers of the Constituency and other elderly people of the Constituency as to which are the schools to be given and accordingly after consultation with the people of our Constituency we submitted the list to the Education Minister. In my Constituency there are 6 Gaon Panchayats. I gave names of 30 schools as it was said ( পাচখন বা তাতোধিক ) About giving the names of 5 educationists, which I understand for the Education Board, I supplied the name of Dr. Hem Chandra Bora who is an active member of A.G.P. Sir, I love him ; he is the son of a brilliant freedom fighter, Late Bhuban Bora. Then I gave the name of Shri Nikunja Behari Banik, who is the retired Principal of Hojai Desh Bandhu Bidyapith, then Syed Imdadul Hussain,

Shri Somnath Datta and Shri Sailendra Chandra Das, Advocate. Out of them Shri Somnath Datta was appointed Chairman of the Hojai Education Board. But the day on which Shri Datta went to take charge of the Education Board, another person Miss Saraswati Sinha came with a letter being appointed Chairman. So as Saraswati Sinha came with a letter issued subsequent to that of Shri Somnath Datta she was made the Chairman: Shri Somnath Datta consted as A.G.P. candidate from Lumding Constituency and Saraswati Sinha contested from Hojai Constituency as A.G.P. candidate. So there was a tussle between these two and untimately Shri Somnath Datta had to retire as I have said earlier, Saraswati Sinha's letter of appointment was issued at a subsequent date. Except Shri Somnath Datta none from my list was taken by the Education Minister. May I pose a question to the Education Minister what right he had to redicule us before the electorate ? We did not want to be given so many schools. I am an old man ; I do not go to any officers. I do not go to any Ministers as well. Then what right he has to redicule me in the eyes of the public ? Is it the way he is functioning ? Hojai College Governing Body was dissolved. I do not know whether it has been formed or not. In Education maximum money is spent. That will be lengthy thing and as the time short I do not want to discuss any more. Therefore, Sir, I will conclude with a note of caution that the Education Minister must be careful about his Department and about his Commitment.

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি মই মাননীয় শিক্ষা মন্ত্ৰী

মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে আৰু তাৰ সম্পৰ্কত যিবিলাক কৰ্ত্তন প্ৰস্তাব আনিছে তাৰ বিৰোধিতা কৰিছো আৰু দাবী মঞ্জুৰী সমৰ্থন কৰিছো। মই এটা অংক কৰি দেখুৱাব বিচাৰিছো, অংকটো হৈছে যে আমি এনে এখন ৰাজ্যত বাস কৰিছো, আজি সচাকৈয়ে এইখন ৰাজ্যত বাস কৰা যি সকল ছাত্ৰ-ছাত্ৰী স্কুললৈ আহে আৰু শিক্ষা জগতত সোমাই পৰে ভবিষ্যতে দেশৰ কাৰণে তেওঁলোকে নিজৰ নিজৰ দায়িত্ব লব। অসমত প্ৰাথমিক শিক্ষাত বৰ্ত্তমান ৩৮ লাখ ৭১ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকত ৬০ লাখ লৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰি আছে। এতিয়া আমাৰ ৰাজ্যৰ ভৰালৰ পৰা ২৮৭ কোটি টকা ধৰা হৈছে। এই ২৮৭ কোটি টকাক ৬০ লাখৰে হৰণ কৰিলে প্ৰতি গৰাকী ছাত্ৰৰ মাজত মাত্ৰ ৪৬০ টকাকৈ পৰে। অৰ্থাৎ প্ৰতি গৰাকী ছাত্ৰৰ কাৰণে ৪৬০ টকাকৈ খৰচ কৰিব পাৰে। আমি মাত্ৰ বছৰটোত প্ৰতি গৰাকী ছাত্ৰৰ কাৰণে ৫শ টকাকৈ খৰচ কৰিব পৰা নাই। ইয়াত বাজেটত দেখা গৈছে এই শিক্ষা বিভাগত বেছি 'ডিমাণ্ড' কৰিছে। তথাপিতো শিক্ষাৰ ক্ষেত্ৰত এজন ছাত্ৰৰ কাৰণে আজিৰ এই দিনত ৫শ টকাকৈ খৰচ কৰিবলৈ সমৰ্থ হোৱা নাই। শিক্ষা বিভাগটোত কোনো নীতি নাই। শিক্ষা 'পলিছি' বুলি আমি কোনো নীতিয়ে দেখিবলৈ পোৱা নাই। ইয়াৰ এটা নীতি বা ব্যৱস্থা আছে। এই ব্যৱস্থাটো ৰাজ্য চৰকাৰৰ দায়িত্বত। শিক্ষাৰ উন্নতিৰ কাৰণে চৰকাৰৰ যি দায়িত্ব সেই দায়িত্ব নীতিগত ভাবে পালন কৰিব লাগে। আজি মই বিশেষ কৈ শিক্ষাৰ ওপৰত মন্তব্য ৰাখিব পৰা নাই আৰু ইতিমধ্যে বহুতে সমালোচনা কৰিছে, মই মাত্ৰ দুটামান পৰামৰ্শহে দিব বিচাৰিছো। আজিৰ দিনত যিমান শিক্ষক আছে আৰু যিমান ছাত্ৰ আছে বিশেষকৈ আমাৰ অসমৰ প্ৰাথমিক পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰী অনুযায়ী যিমান শিক্ষক লাগে সিমান শিক্ষক দিয়া হোৱা নাই। অংকটো কৰিলে দেখা যায় প্ৰতি ৮১ জন ছাত্ৰ-ছাত্ৰীৰ মাজত মাত্ৰ আমি এজনহে শিক্ষক দিব পাৰিছো। 'ব্লেকবৰ্ড' বেলেগ সমষ্টিত আছে নে নাই নেজানো মোৰ দৰং জিলাৰ চিপাঝাৰ সমষ্টিৰ বহুতো স্কুলতে এই 'ব্লেক বড'ৰ অভাৱ পৰিলক্ষিত হোৱা দেখা যায়। ইয়াৰ কাৰণ কি? এখন 'ব্লেকবৰ্ড' আমি ছাত্ৰ-ছাত্ৰীক দিব পৰা নাছিলো। কি শিক্ষা নীতি; ছাত্ৰ-ছাত্ৰী সকলক এডাল চক পেঞ্চিলো দিব পৰা নাছিল, ইয়াৰ কাৰণ কি? শিক্ষাক ৰাজনীতিৰ ভিতৰত সোমোৱাইছিল শিক্ষাক ৰাজনীতিৰ পৰা আতৰ

* Speech not corrected.

কৰিব পৰা নাছিল। 'বিনীত' আৰু 'নিবেদন' বানান লিখিব নজানা প্ৰৰ্থীকো প্ৰাথমিক স্কুলৰ শিক্ষকৰ চাকৰিত নিয়োগ কৰা হৈছিল। এতিয়া তেওঁলোকক চাকৰীৰ পৰা ডিচাৰ্জ কৰিব পৰা নাই। কাচাৰৰ শিক্ষক এজনক মই লগ পাইছিলো। শিক্ষকজন অসমীয়া মিডিয়ামৰ নহয়। তেওঁ মোক কলে— ইয়াৰ অচমীয়া ছাত্ৰ-ছাত্ৰী ভালদৰে অচমীয়া কব নোৱাৰে। গোটেই বিভাগটো নীতিৰ ওপৰত ঘূনে ধৰিছে। এই ঘূন আতৰাবলৈ সময় লব। মই কালি দৈনিক অসমত দেখিলো বিনামূলীয়া পাঠ্য পুঠি বিতৰণৰ ক্ষেত্ৰত লিখিছে। বিনামূলীয়াকৈ কিয় দিব লাগে এই ক্ষেত্ৰত জলি পকি মৰিছে। বিতৰণত খেলি-মেলি হৈছে। খেলিমেলি কোনে কৰিছে? খেলি-মেলি কৰিছে প্ৰধান শিক্ষকে। এ, জি, পিৰ বিধায়ক বা বৃন্দাবন গোস্বামীয়ে কৰা নাই। এনে ধৰণৰ প্ৰধান শিক্ষকৰ পৰা যি শিক্ষকে কণ-কণ লৰা-ছোৱালীৰ বহী কিতাপ বিক্ৰী কৰে তেনে ধৰনৰ শিক্ষকৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ভাল শিক্ষা পাব বুলি আশা কৰাটো টান। যি বিলাক অভিভাৱক এনে ধৰনৰ কাৰ্য্যত লিপ্ত থাকে সেই অভিভাৱকৰ লৰা-ছোৱালী সাধু হব বুলি কোৱা টান। গতিকে গোটেই শিক্ষা বিভাগটোৱে প্ৰি-ইণ্ডিপেণ্ডেঞ্চ (Pre-Independance)ৰ পৰা পোষ্ট ইণ্ডি-পেণ্ডেন্টলৈকে যি ধৰণে চলি আহিছে যোৱা ১ বছৰ বা ১৪ মাহতে ওফৰাই দিয়া সম্ভৱ নহয় বৃটিছৰ দিনত কেৰাণী বনাবলৈ শিক্ষা দিছিল। আজিও একে ফৰ্ম্মুলাই চলি আহিছে। আমি পঢ়িছিলো $(A+B)^2 = A^2 + 2AB + B^2$ Formula। এই ফৰ্ম্মুলা কোনজন কেৰানীয়ে কত ব্যৱহাৰ কৰিবলৈ পাইছে? ফিজিক্‌চ, কেমেষ্ট্ৰিৰ ফৰ্ম্মুলা কোনজন কেৰানীয়ে কামত ব্যৱহাৰ কৰিছে? আমাৰ অসম সচিবালয়ত ব্যৱহাৰ কৰিছে নে কোনোবা বেঙ্কত ব্যৱহাৰ কৰিছে? এই কেৰাণী বনাবলৈ লোৱা যি শিক্ষা ব্যৱস্থা আছিল আজি ৩৮ বছৰ পিচতো মেৰামতি কৰাৰ ব্যৱস্থা লোৱা নহ'ল কিয়? মই মাত্ৰ আৰু দুটা কথা কৈ সামৰিব খুজিছো। প্ৰথম কথা হ'ল ৮১ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক, এই ব্যৱস্থাটো বৃদ্ধি কৰিব লাগে। আমাৰ আৰু ৪ বছৰ আছে তাৰ পিচত আকৌ আহিম যদি আমাৰ এই ৮১ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে কমেও ৪ জন শিক্ষক দিব পাৰো। দ্বিতীয় কথা হল আচ-বাব পত্ৰ বৃদ্ধি। এল-পি স্কুল বিলাকত আচ-বাব পত্ৰ নাই। পকা মজিয়া আছে নে নাই সেইটো মই কব নোৱাৰো। কিন্তু ঘৰৰ পৰা ধাৰি-পাতি নি বহা বা লেপেত কাঢ়ি বহা ব্যৱস্থাটো বৃন্দাবন গোস্বামী অহাৰ পৰা হোৱা নাই এইটো আগৰ পৰাই আছে। এই

আলোচনাতো কৰোতে এই কথা কিয় কোৱা হোৱা নাই। আৰু এটা সাংঘাটিক কথা হৈছে এই স্কুল বিলাকত ব্লেক বোৰ্ডৰো অভাৱ। তাৰোপৰি এই স্কুলত এটা কোঠালীতেই প্ৰথম, দ্বিতীয়, তৃতীয় শ্ৰেণীক একেলগে শিক্ষাদান কৰা হয়। সৰু সৰু লৰা-ছোৱালী বিলাকে সৰুকৈ নপঢ়ি ডাঙৰ কৈ পঢ়ে ফলত বাকীবোৰ ল'ৰা-ছোৱালীৰ পঢ়াত মন নবহে। এতিয়া মোৰ প্ৰশ্ন হৈছে শ্ৰেণীত কি পঢ়ায়? আমি সত্য নে অসত্য শিক্ষা সম্পৰ্কত? কোনো এল, পি স্কুলতে বেৰ দেখা নাই। কিছুমান যদি আছেও সেইটো সাংঘাতিক বিসংগতি। গতিকে সকলো শ্ৰেণীৰ কাৰণে ব্লেক বোৰ্ড দিবলৈ আৰু চক্ পেঞ্চিল সকলো ছাত্ৰ-ছাত্ৰীকে দিবলৈ বাজেতত যি ২৮৭ কোটি টকা ধৰা হৈছে তাতকৈ বেচি ধৰিবলৈ কৈছো। অষ্টম বিত্তীয় আয়োগে সকলো স্কুল পকা কৰিবলৈ টকা দিছে। গোটেই ভাৰতবৰ্ষত শতকৰা ৩৪ খন স্কুল খেৰি ঘৰ নহয় বুলি কৈছে। কিন্তু আচলতে খেৰি হয় নে নহয় সেইটো মই নেজানো। টকা কাক দিয়া হৈছে কাক দিয়া হোৱা নাই সেইটো লৈয়ো কথা নাই। মন্ত্ৰীৰ সমষ্টিতেই স্কুল ঘৰ পকা হওক সেইটো লৈ কথা নাই। অষ্টম বিত্তীয় আয়োগে ১২ খন স্কুল কাচাৰত দিছে। মোৰ সমষ্টিত ৩৮ খন দিছে। মই আৰু ধৰিছো। কাৰণ মোৰ সমষ্টিৰ ল'ৰা-ছোৱালীও এই দেশৰে ল'ৰা-ছোৱালী, উন্নতি হলে এই দেশৰে উন্নতি হব। আমি ৰাইজৰ প্ৰতিনিধি। গতিকে ৰাইজৰ হৈ ৰাইজৰ ভালৰ কাৰণে কাম কৰিবই লাগিব। ১৯৮২-৮৩ চনত চিপাঝাৰত নাপালে। মুখ্য-মন্ত্ৰীৰ সমষ্টিত বেছিকৈ পাইছে, পাওক হলে তেওঁৰ সমষ্টিতে ভাল হওক। ইউ, এম, এফৰ সমষ্টিতেই হওক তাত আমাৰ আপত্তি তাই। কাৰণ সেই ঠাইৰ লৰা-ছোৱালী ভাল হলে আমাৰ লৰা-ছোৱালীয়ে ভাল হব।

উপাধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনত কাছাৰত যদি পায় ছিপাঝাৰত কিয় নাপায়। পাওঁক, এটা সমষ্টিয়ে ভাল হওকচোন। যদি মোৰ সমষ্টিটোৰ লৰা-ছোৱালীবিলাক ভাল হয় তেন্তে অসমৰেই ভাল হব। দ্বিতীয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ এটা কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে ইংৰাজী মেডিয়ামত প্ৰি-প্ৰাইমাৰী শিক্ষা দিয়াৰ ব্যৱস্থা আছে কাৰণে লৰা-ছোৱালীৰ মাক দেউতাকে ইংৰাজী মেডিয়ামত পঢ়োৱাব বিচাৰে। কিন্তু তাকে নকৰি সকলো শিশু আৰু কণ কণ মইনা সকলক অসমীয়া মেডিয়ামত প্ৰি-প্ৰাইমাৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ সকলোৰে শিক্ষা সমান কৰিব লাগে। আমাৰ স্কুলৰ নামত এতিয়া আৰু অলপ বেছি টকা কিয় ধৰিব নোৱাৰো। গতিকে মই

মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে শিক্ষাৰ বিষয়ত যিটো 'পলিচি' লোৱা হৈছে সেইটো চাই-মেলি চৰকাৰে এটা সিদ্ধান্ত লব লাগে। মই আগতে কৈছো যে ছাত্ৰ-ছাত্ৰীৰ কাৰণে স্কুল ঘৰ নিৰ্ম্মাণৰ ব্যৱস্থা কৰক। ফাৰ্নিচাৰৰ ব্যৱস্থা কৰক আৰু লগতে স্কুল পৰিদৰ্শন কৰাৰো ব্যৱস্থা কৰিব লাগে। মই ভাবো ২৮৭ কোটি টকা যদি শিক্ষা খিতানত ধৰা হয় তেন্তে প্ৰত্যেক স্কুলতে ১১ হেজাৰ টকা খৰচ কৰিব পৰা যাব। তাৰে ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছো। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননী উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীইউচুফ আলি আহমেদ।

* শ্ৰীইউচুফ আলি আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমতে আমাৰ দলপতিয়ে উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ প্ৰতি মই সমৰ্থন জনাই দুআষাৰ কবলৈ আগবাঢ়িছো। প্ৰথমতে আমাৰ শিক্ষা বিভাগৰ ফালৰ পৰা অৰ্থাৎ নিগমৰ ফালৰ পৰা যি কিতাপ ছপা কৰা হৈছে তাৰ মাজত কিছুমান খেলি-মেলি দেখিবলৈ পাইছো। ভূগোল পৰিচয় বুলি এখন কিতাপ আছে। প্ৰথম ভাগ দ্বিতীয় শ্ৰেণীৰ কাৰণে। তাত ৭৭ পৃষ্ঠাত ধুবুৰী জিলাৰ বিষয়ে লিখিছে। ব্ৰহ্মপুত্ৰ চৰ অঞ্চলত পূব পাকিস্থান আৰু বাংলাদেশৰ পৰা অহা বহুতো ভগনীয়া লোক অস্থায়ীভাৱে বসবাস কৰিবলৈ লৈছে। এই সকল ভগনীয়াক চৰকাৰে ভৰণ-পোষণ দি ৰাখিছে। আমাৰ চৰকাৰে কৈছে যে আমি বিদেশী খেদিম। এনে অৱস্থাত আমাৰ ৰাজ্যখনত কত কিমান বিদেশী লোক আছে আমাৰ মুখ্যমন্ত্ৰীয়ে নিজেই নাজানে। কিন্তু কিতাপত তাৰ ওলোটাটোহে আছে। ভুলকৈ ছপা কৰা কিতাপৰ পৰা যদি পাঠদান কৰা হয় তেন্তে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব আৰু কি হব? সেই বিষয়ত বিভাগীয় মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো। কিতাপত থকা কথাবিলাক ভালদৰে পৰীক্ষা কৰি এনেকুৱা কথাবিলাক যাতে উঠাই লয় তা'ৰ কাৰণে মই অনুৰোধ জনাইছো। দ্বিতীয়তে আমাৰ ধুবুৰী জিলাত যিখন এডুকেশ্যন বোৰ্ড গঠন কৰা হৈছে, সেই বোৰ্ডখন ৯ জন সদস্যৰে গঠিত। তাত আমি দেখিবলৈ পাইছো পশ্চিম বিলাসীপাৰাৰ পৰা এজনো সদস্য লোৱা হোৱা নাই। অৱশ্যে মই মন্ত্ৰী মহোদয়ক এই বিষয়ে আগতে কৈছিলো যদিও তাৰ কোনো বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই। মহোদয় মই আৰু এটা কথা কব বিছাৰিছো ইউচুফ আলি আহমেদকো সদস্য কৰা হৈছে।

* Speech not corrected.

এই লৰাজনে মেট্ৰিক পাচ কৰি এখন ভেন্‌চাৰ এল-পি স্কুলত কাম কৰি আছে। এল-পি খন এতিয়াও চৰকাৰীকৰণ হোৱা নাই। চাকৰি কৰা এই লৰাজন কেনেকুৱা শিক্ষাবিদ এইটো আজি সদনত বিবেচনাৰ কাৰণে উল্লেখ কৰিলো। মই যিটো সমষ্টিৰ কথা কৈছো সেই সমষ্টিটোত প্ৰায় ৭০ ভাগ শিক্ষিত লোক থকা সত্বেও এজনো শিক্ষিত লোক নোলাল নেকি? মোৰ সমষ্টিত বহুত কেইখন হাইস্কুল আছে। কলেজ আছে। তাৰ পৰাও এজন শিক্ষিত লোক নোলাল নেকি? অৰ্থাৎ মোৰ সমষ্টিত এজনো শিক্ষিত লোক নাই নেকি? সেই সমষ্টিৰ গোটেইখিনি মানুহ অশিক্ষিত হৈ গল নেকি? যোৱা অধিবেশনত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কোৱা কেই আষাৰমান মোৰ মনত পৰিছে। নিয়োগৰ ক্ষেত্ৰত জন সংখ্যালৈ চাই নিয়োগ কৰা হব। মই আশা ৰাখিছো নিয়োগৰ ক্ষেত্ৰত জন সংখ্যা অনুপাতে নিযুক্তি দিয়া হওঁক তাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰিলো। লগতে আমাৰ গাৱঁলীয়া অঞ্চলত যি বোৰ হাইস্কুল আছে সেই স্কুল বিলাক কাৰীকৰী শিক্ষা দিয়াৰ ব্যৱস্থা লোৱা হওক। লগতে হাইস্কুলবিলাক উচ্চতৰ মাধ্যমিক কৰা হওঁক। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীদেৱকুমাৰ বৰাই কব।

* শ্ৰীদেৱকুমাৰ বৰা : আজি বিৰোধী পক্ষৰ সদস্যসকলে যি কৰ্ত্তন প্ৰস্তাব আনিছে তাৰ মই নীতিগতভাবে বিৰোধীতা কৰিছো। আৰু মাননীয় শিক্ষা মন্ত্ৰীয়ে উত্থাপন কৰা ২৮৭ কোটি ১৩ লাখ ১৬ হেজাৰ টকাৰ মঞ্জুৰী সমৰ্থন জনাইছো। যোৱা শুক্ৰবাৰৰ পৰা আজি দুদিন যথেষ্ট আলোচনা হৈ গৈছে। শিক্ষা শিতানত বহু পৰামৰ্শ ইয়াত উত্থাপিত হৈছে আৰু সমালোচনা কৰা হৈছে। মোৰ অধ্যয়নৰ মাজেদি দুই এটা কথা আঙুলিয়াই দিব খুজিছো। ইয়াত যিখিনি আলোচনা-সমালোচনা কৰা হৈছে, সেই খিনি চিঞৰ-বাখৰ নকৰি ভাল ভাবে পৰামৰ্শ ৰূপে দিলে ভাল হয় আৰু কিছুপৰিমানে পুনৰ নিৰ্মাণ কৰা হব। শিক্ষা বিভাগৰ বিভিন্ন বেমেজালি বা অন্যান্য কিছু কথাৰ পৰিবেশ সলনি কৰাত সহায় হব বুলি কব খুজিছো। এজন শিক্ষকৰ ওপৰত যথেষ্ট খিনি বাৰডেইন ( burden ) দিয়া হৈছে। স্কুল ঘৰৰ গৃহ নিৰ্ম্মাণ, বা শিক্ষক মঞ্জুৰী সহায় কৰা হব বুলি ভাবিছো শিক্ষাক বিনামুলীয়া আৰু সাৰ্ব্বজনীন কৰা হব এই

* Speech not corrected.

অনুস্থানৰ উন্নতিৰ কাৰণে এজন শিক্ষকে যদি চৰকাৰৰ ওচৰত ফুল স্কেপ ধৰণৰ ৰাষ্ট্ৰীয় নীতি আছে তাৰ পৰিপ্ৰেক্ষিতত দেখা পাইছো যে, এখন শিক্ষা কাগজেৰে আবেদন নজনায় তেন্তে সেই শিক্ষা অনুস্থান চৰকাৰৰ দৃষ্টি গোচৰত নপৰে। এই ধৰণে ব্যৱস্থা চলি থাকিলে সামগ্ৰিকভাবে উন্নতিৰ কথা সম্ভৱপৰ নহয়। মই কব খুজিছো শিক্ষক সকলৰ দৰে সকলোবিলাক বাৰডেইন চৰকাৰী বিভাগে লব লাগে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত চৰকাৰে একে ব্যৱস্থা লব লাগে আৰু গ্ৰান্ট পোৱাৰ ব্যৱস্থাটো চৰকাৰী বিভাগে লব লাগে। ঠিক সেই ধৰণে চৰকাৰী কৰণৰ ক্ষেত্ৰটো হব লাগে। অৰ্থাৎ এটা বাস্তব নীতিৰ ভিত্তিত কামবিলাক হব লাগে ডেৰ বছৰৰ অভিজ্ঞতাত বহু কথাই সুধৰাবৰ কাৰণে আলোচনা-বিলোচনা কৰি গৈছো। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যতপৰনাস্তি সকলো শক্তি প্ৰয়োগ কৰি প্ৰচেষ্টা লৈছে। সেই ক্ষেত্ৰত প্ৰশংসা নকৰিলেও ধন্যবাদ দিব লাগিব। ইমান কম সময়ৰ ভিতৰত সেইখিনি শুধৰাবৰ কাৰণে পাৰ হৈ যোৱা সময়খিনি যথেষ্ট নহয়। কাহিলীপাৰাত থকা শিক্ষা বিভাগৰ কাৰ্য্যালয় সমূহৰ ওপৰত সমালোচনা কৰিলে বোধহয় কোনো মহাভাৰত অশুদ্ধ নহব। কাহিলিপাৰাৰ শিক্ষা বিভাগৰ কাৰ্য্যালয় সমূহত বিশৃঙ্খল অৱস্থা চলি আছে আৰু যি মানুহ যায় সেই সকলৰ কাম হয়, নোযোৱা সকলৰ কাম নহয়। এই ক্ষেত্ৰত বহু কথাই কাণত পৰে সেয়েহে শিক্ষানুষ্ঠানৰ পৰিবেশ সলনি ব্যৱস্থা কৰাৰ বাবে পৰামৰ্শ দিব বিচাৰিছো। শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত আবেদন-নিবেদন অন্ততঃ অহা বছৰৰ কাৰণে বন্ধ কৰি দিয়ক আৰু এখন মাষ্টাৰ ৰেজিষ্টাৰ ( Master register ) তৈয়াৰ কৰা হওঁক। মাষ্টাৰ ৰেজিষ্টাৰ জিলাৰ ভিত্তিত হব আৰু ষ্টেট ভিত্তিত হব। মাষ্টাৰ ৰেজিষ্টাৰক এখন শিক্ষানুষ্ঠানৰ থাকিব পৰা সকলো সমস্যা তাত লিপিবদ্ধ কৰা হওঁক আৰু এটা জেনেৰেল পলিচি ( general policy ) ঘোষণা কৰক। যিবিলাক শিক্ষানুষ্ঠানৰ ব্লেক বোৰ্ড নাই গ্ৰান্ট নাই আৰু কোনোবা স্কুলত দুজন শিক্ষক নিযুক্তি হৈছে এই ধৰণৰ সমস্যা বিলাক সমাধান কৰিব পৰা হব। তাৰ পিচত দেখা যায় যে বিল্ডিং গ্ৰান্ট কোনোৱা স্কুলত এন, আৰ, ই, পিৰ পৰাও পাইছে আৰু শিক্ষা বিভাগৰ পৰাও পাইছে। এই ধৰণৰ বেমেজালি বিলাক মাষ্টাৰ ৰেজিষ্টাৰৰ ওপৰত ভিত্তি কৰি অনুদান বিতৰণৰ ব্যৱস্থা লব লাগে। কাহিলিপাৰা কাৰ্য্যালয় যদি বিকেন্দ্ৰীকৰণ ( decentralised ) নকৰে তেন্তে পৰিবৰ্ত্তন সধাটো সম্ভৱপৰ হবনে নহয়। আমাৰ বেছি সংখ্যক মানুহ শিক্ষা বিভাগৰ লগত জড়িত। আৰু এই ধৰণে চলি থাকিলে সদায় অসুবিধা হৈ থাকিব। এই সমস্যা বিলাক কমাবৰ বাবে এটা কৰ্মক্ষম যন্ত্ৰ লাগে। কাহিলিপাৰাৰ

অফিচটো বিকেন্দ্ৰীকৰণ কৰি 'জনেল' বেচিচত ( Zonal office with full decentralise power ) দুই / তিনিটা কাৰ্য্যালয় কৰি এজন জইন ডিৰেক্টৰৰ ( joint Director ) দ্বাৰা চলাব পাৰিলে আমাৰ বহু অশান্তি কমি যাব পাৰে। এই ক্ষেত্ৰত বিবেচনা কৰিবৰ কাৰণে মই পৰামৰ্শ আগবঢ়ালো। তাৰ পিচত কাৰিকৰী শিক্ষাত কিছু কাম কৰিব পাৰিলে ভাল হয়। একোখন চাৰ্টিফিকেত লৈ আই, টি; আই পাচ কৰিছে কিন্তু লৰাজনে প্ৰফেচনেল মিষ্টিৰ লগত কাম কৰিবলৈ ইচ্ছা নকৰে। সদায় এইদৰে হোৱাৰ ফলত চাৰ্টিফিকেট লৈ আৰু বহি থাকে আৰু চাকৰিৰ বাবে আবেদন কৰে। এই ধৰণে নিবনুৱা হৈ বহি থাকে। গতিকে চাৰ্টিফিকেট দিয়াৰ লগতে প্ৰয়োজনীয় টোলচ ( Free tools box ) দিব লাগে যাতে চেলফ্ এমপ্লয়মেণ্ট ( Self employment )ত আগবাঢ়ি যাব পাৰে। প্ৰত্যেক আই, টি, আইত এই ধৰণে বিনামূলীয়াকৈ টোলচ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেনেকুৱা ব্যৱস্থা কৰিলে শিক্ষা কৰ্মমুখী কৰাৰ যি মূল দৃষ্টিভঙ্গী লোৱা হৈছে সেই ক্ষেত্ৰত এক দৃঢ় পদক্ষেপ হব বুলি ভাবিছো। প্ৰত্যেক আই, টি, আই সমূহত আগতকৈ বেছি গুৰুত্ব দি ট্ৰেডওৱাইজ ( tradewise ) কৰিব লাগে। নতুন নতুন বিষয়সমূহ শিক্ষাৰ লগত খাপ খোৱা বিষয় সমূহ নতুন শিক্ষা নীতি মতে কিছুমান চাবজেক্ট অন্তৰ্ভুক্ত কৰিব লাগে। কোন কোন বিষয় বিলাক ভাল হব সেইটো উত্থাপন নকৰো। আমাৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ কাৰিকৰী শিক্ষাত অধিক ভাৱে টকা খৰচ কৰি কিছু পৰিবৰ্ত্তন আনিব পাৰিলে ভাল হয়। শিক্ষাৰ বিষয়ত কব লাগিলে বহু সময় লাগে।

অধ্যক্ষ মহোদয়, মোৰ কবলগীয়া বহুতো আছিল, কিন্তু সময়ৰ অভাৱত কবলৈ নোৱাৰিলো। শিক্ষা বিভাগত আৰু বেছি সময়ৰ প্ৰয়োজন। অৱশ্যে সকলোবিলাক পইণ্ট মিলি এটা নীতি হব বুলি ভাবিছো। মোৰ মাত্ৰ এটাই মূল পৰামৰ্শ যে, অহা বছৰত আমি মাষ্টাৰ ৰেজিষ্টাৰ কৰিব লাগিব। আবেদন কাগজ দিচপুৰলৈ অহাটো বন্ধ কৰিব লাগিব। ফুল্‌চকেপ কাগজ দিচপুৰলৈ আহিব নালাগিব। স্কুলবিলাকত টেক্স বুক নাই, ব্লেক বোৰ্ড নাই, কিতাপ পত্ৰ নাই আজি কোনোবাই যদি গাৱৰ পৰা আঙুলিয়াই নিদিয়ে দিচপুৰে গম নাপায়। সেই কাৰনেই আজি গণ পৰিষদৰ জন্ম বাস্তৱ ৰূপত অতি শীঘ্ৰে মাষ্টাৰ ৰেজিষ্টাৰ আনিব লাগে। স্পেচিয়েল ষ্টাফ কৰি হলেও মাষ্টাৰ ৰেজিষ্টাৰ তৈয়াৰ কৰি সমস্যা সমাধান কৰিব লাগে।

* শ্ৰীকুল বাহাদুৰ চেত্ৰী : অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ শিতানত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰিছো। শিক্ষা মানে শিক্ষা। আজি এজন মহাপুৰুষৰ বানী এটাৰ্লৈ মনত পৰিছে। 'শিক্ষক যদি ইষ্ট প্ৰান' কোনে জানিব ছাত্ৰ আন গতিকে সকলো ভাল হব লাগিব আৰু তেওঁলোক ভাল হোৱাৰ সহায়ক ব্যৱস্থাও ভাল হব লাগিব। আজি গোটেই পৃথিবীতে শিক্ষাৰ প্ৰতিযোগিতা চলিছে। শিক্ষা ব্যৱস্থা ভাল হওঁক, ভবিষ্যতে উঠি অহা লৰা-ছোৱালী বিলাকে যাতে শিক্ষিত হব পাৰে, দেশৰ কৰ্ণধাৰ হব পাৰে তাকে কামনা কৰিছো। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বহুবাৰ বিধান সভাত কৈছে যে, শিক্ষা নীতি ভাল কৰিম, উন্নত কৰিম, সংস্কাৰ কৰিম আমি শুনি ভাল পাইছো। এইবিলাক ঠিক ঠিক ভাবে যদি কাৰ্য্যত পৰিণত হয় সেইটো কামনা কৰিলো। আমাৰ আজি নৈতিক শিক্ষাৰ প্ৰয়োজন আছে। শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে যে, অন্ততঃ নৈতিক শিক্ষা আমি তেওঁলোকক দিব পাৰো। উদাহৰণ স্বৰূপে দেখা যায় যে, আমাৰ শিক্ষক সকলে সঘনে সৰু সুৰা কথাৰ বাবে অফিচলৈ আহি থাকিবলগীয়া হয়। ব্লেক বোৰ্ড নাথাকিলে নিবলৈ আহিব লাগে ফাৰ্নিচাৰ নাথাকিলে আনিবলৈ আহিব লাগে গতিকে সকলোবিলাক বস্তু তালৈ পঠিয়াবলৈ ব্যৱস্থা কৰিব লাগে। কাচাৰত ১২ খন স্কুল দিছে হয়তো সমষ্টিয়ে প্ৰতি ৩/৪ খন স্কুলকৈ পৰিছে। দ্বিতীয়তে আমি দেখিছো যে, এই চৰকাৰ হোৱাৰ লগে লগে মুখ্যমন্ত্ৰীয়ে কৈছিল যে, আমি সকলোকে সমানে চাম। কিন্তু আপোনালোকে ৬০ খন স্কুল পাইছে আমি ১২ খন পাইছো। আমাৰ চৰকাৰে সপ্তমমান শ্ৰেণীলৈকে বিনামূলীয়াকৈ পাঠ্যপুথি দিয়াৰ কথা কৈছিল। হয়তো কিছুমান স্কুলত দিছে আৰু কিছুমানে পোৱা নাই। বজাৰতো কিতাপ পাবলৈ নাই। এই অৱস্থাত লৰা-ছোৱালী বিলাকে কিতাপ পত্ৰ নোহোৱাকৈ পঢ়াশুনা কেনেকৈ কৰিব ? আগতে যিবিলাক প্ৰতিষ্ঠানে কিতাপ পত্ৰ ছপা কৰিছিল সেইবিলাকেও চৰকাৰে বিনামূলীয়াকৈ কিতাপ পত্ৰ বিতৰণ কৰিব বুলি কিতাপ আদি ছপা নকৰা হল। এই কথাবিলাক আজি চাবলগীয়া হৈছে। আমি ভাবো যে, সকলোবিলাক বিষয়াই বেয়া নহয়। যদি বেয়া হলহেতেন তেনেহলে যোৱা ৩৮ টা বছৰে কেনেকৈ শিক্ষা নীতি চলিলেহেতেন। 'সাপেহে সাপৰ ঠেং দেখে'। শিক্ষা নীতি যাতে ভাল হয় তাকে কামনা কৰিলো। অহাবাৰ শিক্ষাৰ ক্ষেত্ৰত বহুতো ভাল কাম কৰাৰ কথা কৈছে দেখা যাওক বাইজে কি কৰে। আজি আমি

* Speech not corrected.

সমালোচনা কৰিছো হয়, কিন্তু এইবিলাক গঠনমূলক সমালোচনাহে কৰা হৈছে। মই আশা কৰিছো যে, আমি ৩৮ বছৰৰ আগৰ পৰা দেউতা, ককাদেউতা দিনৰ পৰাই একেলগে ভাল কাম কৰিবৰ কাৰণে চেষ্টা কৰি আহিছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

* শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাত শিক্ষাৰ দাবী মঞ্জুৰীৰ শিতানত বহুতো আলোচনা বিলোচনা বিৰোধী আৰু চৰকাৰী পক্ষৰ সদস্যসকলে কৰিছে। আৰু এই আলোচনা বিলোচনা বিলাক অধিক আগ্ৰহেৰে মই শুনাৰ বাবে বৈ আছিলো। ভালেখিনি বিষয়ৰ পৰামৰ্শ এই আলোচনাৰ মাজেদি প্ৰকাশ পাইছে। যদিও সমস্যাৰ প্ৰতি, গভীৰতাৰ প্ৰতি মনোনিবেশ কৰিব নোৱাৰাৰ কাৰণে যদিও আলোচনাটো নিৰ্দ্দিষ্ট ভাবে হৈছে এই বিষয়ে আলোচনা কৰাৰ বাবে সুখী হৈছো। সুস্থ জীৱনৰ বাবে প্ৰস্তুত কৰা প্ৰধান আহিলা হৈছে শিক্ষা। গতিকে শিক্ষাৰ শিতানত আমি আশা কৰিছো যে, আমাৰ মাননীয় সদস্য সকলে এই বিষয়ে অলপ আলোকপাত কৰিব। শিক্ষা বিষয়ক নীতি সম্পৰ্কে আলোচনা কৰোতে বহুতো মাননীয় সদস্যই কৈছিল যে, শিক্ষা বিভাগত কোনো নীতি নাই। এই কথা স্পষ্ট ভাবে কবলৈ বিছাৰিছে। শিক্ষা সমাজৰ আদৰ্শ আৰু মৰ্য্যদা। আদৰ্শ আৰু মৰ্য্যদাৰ পৰা শিক্ষা বিভাগক সুকীয়া কৰিব নোৱাৰি। আজি গণ পৰিষদ চৰকাৰে সমাজৰ সন্মুখত এক নতুন জীৱনৰ মূল্যবোধ আনি দিছে, প্ৰতিস্থা কৰিছে আৰু সেই বাবেই দল গঠন কৰিছে। যোৱা বিগত সময়ছোৱাত ধন দৌলতেৰে, পদৰ দ্বাৰা মানুহৰ মৰ্য্যদা নিৰ্ণয় কৰা হৈছিল। কিন্তু মানুহৰ আদৰ্শৰ মূল সত্বা হবলাগে সত্বা। এই সত্বাই সমাজক বিকাশ কৰে আত্ম বিশ্বাসৰ প্ৰত্যয় আনে শিক্ষাই। আজি আদৰ্শৰ ভিত্তিত নতুন সমাজ গঢ়িবৰ কাৰণে অসমৰ শিক্ষা পদ্ধতিক সমৃদ্ধিশালী কৰি তুলিব লাগিব। আমাৰ ৰাজ্য শিক্ষাৰ ক্ষেত্ৰত অন্যান্য ৰাজ্যৰ তুলনাত বহুতো পিচপৰা। ইয়াৰ মূল কাৰণ হল দৰিদ্ৰতা আৰু বহুতো মানুহ সুদীৰ্ঘ সময় ধৰি আধুনিক জীৱনৰ লগত পৰিচয় নোহোৱাৰ মূল কাৰণ। সেই কাৰণেই অসম গণ পৰিষদ দলে বিনামূলীয়াকৈ পাঠ্যপুথি বিতৰণৰ আচনি গঠন কৰিবলৈ লৈছে। এই সম্পৰ্কত নানা আলোচনা এই সদনত ব্যাপকভাবে হৈছে।

অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে, দৃঢ়তাৰে আমাৰ আগৰ যি শিক্ষা

* Speech not corrected.

পদ্ধতি আছিল, সেই শিক্ষা পদ্ধতিৰ সাল-সলনি কৰি উন্নত পদ্ধতিৰ দ্বাৰা শিক্ষা দান দিয়াৰ বাবে আমি সক্ষম হৈছো। কেইবাগৰাকী মাননীয় সদস্যই কৈছে আৰু বিনামূলীয়া পাঠ্যপুথিৰ সংক্ৰান্তত বহুতো সমালোচনা কৰিছে। এই সম্পৰ্কত 'দৈনিক অসম' বাতৰি কাকততো নানা ধৰণে সমালোচনা কৰি আমাক ভৎসনা কৰিছে। পাঠ্যপুথি বিতৰণৰ বাবে কিতাপ ছপা কৰিব অসম টেক্স বুক কৰ্পোৰেচনে মাননীয় সদস্য সকলে কৈছে যে কিতাপ প্ৰকাশ কৰা আৰু বিতৰণ কৰাৰ দায়িত্ব চৰকাৰে লৈছে বুলি কৈছে। পূৰ্ব্বৰ চৰকাৰ থাকোতে অৰ্থাৎ আগৰ মুখ্যমন্ত্ৰী শৰত সিংহ দেৱে থাকোতেই সকলোবিলাক পাঠ্যপুথি অসম পাঠ্যপুথি নিগমে ছপা কৰে। এতিয়াও আমি বিনামূলীয়াকৈ কিতাপ পত্ৰ দিয়াৰ আচনি লৈছো; কিন্তু আজি আমি ভৎসনাৰ পাত্ৰ হৈছো। লক্ষ্য কৰিলে দেখা যায় যে, যোৱা বছৰত প্ৰায় ৩৮ লাখ ৭১ হাজাৰ ৫ শ ছাত্ৰ-ছাত্ৰীৰ কাৰণে আমি কিতাপ যোগান দিছিলো প্ৰায় ২ কোটি ১৪ লাখ ৭৮ হাজাৰ আৰু মেনুস্ক্ৰিপ নোহোৱাৰ বাবে কিছুমান কিতাপ প্ৰিন্ট নোহোৱাৰ বাবে মুঠ ৯ লাখ ৫০ হাজাৰ কিতাপ বাদ পৰিছে। কিন্তু পূৰ্ব্বৰ চৰকাৰৰ দিনত ১৯৮২-৮৩ চনত কিতাপ ছপা কৰিছিল ১২৩ খন আৰু প্ৰয়োজন আছিল ৭২ লাখ ৬৪ হাজাৰ খন। সেই হিচাবে ১৯৮৩-৮৪ চনৰ বাবে ছপা কৰিছিল ১৫৫ খন আৰু প্ৰয়োজন হৈছিল ৯৯ লাখ ৮ হেজাৰ খন। ১৯৮৪-৮৫ চনত ছপা কৰিছিল ১২৭ খন আৰু প্ৰয়োজন হৈছিল ১ কোটি ১২ লাখ ৫৬ হাজাৰ।

অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ মানদণ্ডৰ কথা উল্লেখ কৰা হৈছে। আৰু শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱাৰ বাবে আজি পাঠ্যপুথিৰ অভাবেই মূল কাৰণ বুলি পৰিলক্ষিত হৈছে। এতিয়া প্ৰশ্ন হৈছে যে, বিত্তীয় বছৰত দুটা শিক্ষা বছৰ মিলোৱা হৈছে। গতিকে প্ৰয়োজন সাপেক্ষে কিতাপ ছপা কৰিব নোৱাৰা বাবে ততাতয়াকৈ বাহিৰত থকা প্ৰেছৰ পৰাও কিতাপ ছপা কৰিব লগা হৈছিল। তাৰো বড়ো ভাষাৰ কিতাপৰ স্ক্ৰিপত নথকাৰ বাবে বাহিৰত প্ৰিন্ট কৰিবলগা হৈছিল। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা মাত্ৰ ৫ কোটি টকাহে পাইছিলো। অসম গণ পৰিষদ চৰকাৰে অসমৰ ছাত্ৰ-ছাত্ৰীক কিতাপ নিশ্চয় দিব। কিতাপ ছপা কৰাৰ বাবে ২০ লাখ টকা খৰচ কৰিবলগীয়া হয় আৰু কাগজ বাহিৰৰ পৰা আনিলে দাম বেছি পৰে বাবে জাগিৰোড পেপাৰ মিলৰ পৰা কম দামত কাগজ কিনা হৈছে। আজি আমি শিক্ষাৰ শিতানত অগ্ৰগতি লাভ কৰিছো পূৰ্ব্বৰ তুলনাত বহুতো আগবাঢ়ি গৈছো গতিকে কোনোবাই ইচ্ছা কৰিলে প্ৰত্যাহ্বান

জনাব পাৰে। কুহিপাঠ কোনোবা কোনোবা প্ৰেছে আগতেই উলিয়াইছে। আমাৰ কেইজনমান সদস্যই উষ্মা প্ৰকাশ কৰিছে যে, আৰু কৈছে যে, আলুৰ বজাৰৰ লগত কিতাপৰ বজাৰৰ তুলনা কৰিছে। শিক্ষা মন্ত্ৰী এই কৰ্পোৰেচনৰ সভাপতি আৰু ধন কোনো ব্যক্তিগত মালিক গোষ্ঠীক লৈ যাবলৈ দিয়া নাই। কিতাপ ব্যাপক ভাবে প্ৰকাশ কৰাৰ কাৰণে ৫ কোটি টকাৰে ব্যৱস্থা অনা হৈছে। আগতে আমি কনচেচন হিচাবে কাগজ পাইছিলো। এতিয়া আমাৰ পেপাৰ মিলৰ পৰা কাগজ আনি কিতাপ ছপা কৰা হৈছে।

এইবিলাক কথা মাননীয় সদস্যসকলে উত্থাপন কৰিব বুলি আমি ভাবিছিলো। আগৰ সময়চোৱাত এল-পি স্কুল বা হাইস্কুলৰ শিক্ষক সকলৰ পৰা শিক্ষক দিৱস পাতি ৪ অনাৰ এটা টিকত বিক্ৰী কৰি কিছু পইচা সংগ্ৰহ কৰিছিল আৰু তাৰে কিছু সুদ খাই বেমেজালি কৰি বাকী শিক্ষক সকলৰো কেতিয়াবা বেমাৰ আজাৰ হলে শিক্ষা মন্ত্ৰীয়ে ৫০০ শ টকা দিব পৰা এটা ব্যৱস্থা আছিল। কিন্তু আমি শাসনভাৰ লোৱাৰ পাছত তাৰে বাহি টকাৰে ৪০ লাখ টকাৰ এটি বিশেষ পুজিৰ ব্যৱস্থা কৰিছো যাতে শিক্ষকসকলে কিবা বিপদত পৰিলে সাহায্য কৰিব পৰা যায়। গতিকে মহাভাৰতত এটা কথা কৈছিল গীতাতো কৈছে শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল কুৰুক্ষেত্ৰ যুদ্ধত অৱতীৰ্ণ হবলৈ গৈ অৰ্জুনে আপত্তি দৰ্শোৱাত শ্ৰীকৃষ্ণই কৈছিল পাণ্ডৱকুল ধ্বংস কৰি আজি যিদৰে কৌৰৱে আত্মযশ লভিছে তুমিও কৌৰৱ ধ্বংস কৰি আত্মযশ লাভ কৰা, ই এটা কৰ্মহে। বিৰোধী দলৰ সদস্য সকলে যোৱা বছৰৰ খতিয়ান লবলৈ গৈ আমি আশা কৰিছিলো তেখেত সকলে আমাৰ ভাল কামখিনিৰো উল্লেখ কৰিব। কিন্তু তেখেতসকলে মাত্ৰ মৌলিক বিষয়ৰ প্ৰশ্ন উত্থাপন কৰি অকল স্কুল ঘৰ নিৰ্মাণ কৰা মঞ্জুৰী দিয়া আদি কথাবহে অৱতাৰণা কৰিলে। কিন্তু শিক্ষাৰ মৌলিক কথাবিলাক তেখেতসকলে উল্লেখ নকৰিলে। অৰ্থাৎ আত্মশ্লোগান দিবলৈ বাধ্য কৰালে। অধ্যক্ষ মহোদয়, স্কুল ঘৰ নিৰ্মাণ কৰাৰ অভিযোগ আহিছে আমি যোৱা বছৰ স্কুল ঘৰ নিৰ্মাণ কৰা নাই। আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই উচ্চ কণ্ঠেৰে কৈছে যে আমি কাম নকৰিলো— যোৱা বছৰ ধুমুহা নাহিল গতিকে বৰষুণত ভগা ঘৰ নিৰ্মাণ কৰিব খোজা নাই। আমাৰ অসম গণ পৰিষদ চৰকাৰ অহাৰ পাছত আমি সৰ্ব্বোতো প্ৰকাৰে গুৰুত্ব দিছো প্ৰাথমিক শিক্ষাৰ ওপৰত এই কথা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন জনসভাত বিভিন্ন স্থানত আৰু মই শিক্ষা মন্ত্ৰী হিচাবেও বিভিন্ন ঠাইত উল্লেখ কৰি আহিছো। এই কথাবিলাক আমি ৰাষ্ট্ৰীয় পৰ্য্যায়তো

আলোচনা কৰোতে কৈছো আমি কৈছো যে আমাক কম্পিউটৰ নালাগে, ইলেকট্ৰনিকচ নালাগে আমাক প্ৰতিখন স্কুলত একোখন ব্লেকবোৰ্ড দিয়ক। পূৰ্বৰ চৰকাৰৰ ঘৰ বনোৱাৰ নমুনাও আমাৰ হাতত আছে আৰু আজিৰ চৰকাৰে ঘৰ বনোৱাৰ নমুনাও মোৰ হাতত আছে। এয়া চাওঁক-- মোৰ হাতত এনেকুৱা বহুত ফটো আছে। যোৱা এটা বছৰত গণ পৰিষদ চৰকাৰৰ সমন্বয় নাই বুলি অভিযোগ আনিছে কিন্তু মই এই কথাৰ দুৰ্ঘোৰ বিৰোধীতা কৰিছো। প্ৰয়োজন হলেই আমি বা বিভিন্ন মন্ত্ৰীয়ে মুখ্য-মন্ত্ৰীৰ লগত বা তেখেতৰ কোঠাত বহি আলোচনা কৰো। আমি ইতিমধ্যে ক্ষিপ্ৰ গতিত আগৰ পৰি থকা ধনবিলাক ব্যয় কৰিবলৈ বিভিন্ন আচনি প্ৰস্তুত কৰিছো আৰু সেইমতে কাম আৰম্ভ কৰা হৈছে। কোকৰাঝাৰ, নলবাৰী, দৰং, লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আদি ঠাইত স্কুলঘৰ নিৰ্মাণৰ কাম চলি আছে। আমাৰ গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ১১০ খন স্কুল নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এই স্কুলসমূহ নিৰ্মাণৰ কাৰণে এই বিভাগতে এটা টেকনিকেল চেল খোলাৰ চিন্তা কৰি থকা হৈছে। শিক্ষা বিভাগৰ লগত অৰ্থাৎ চৰকাৰৰ লগত যাতে ৰাইজক জৰিত কৰিব পাৰি, ব্যাপকভাৱে জনসংযোগ গঢ়ি তুলিব পাৰি তাৰ কাৰণে ঘৰ সজাৰ যিখিনি ধন ৰাইজৰ হাতত তুলি দিয়া হব। এই বছৰ আমি ৩৩০২ খন স্কুল সাজিবলৈ লৈছো। ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰত প্ৰাথমিক স্কুলঘৰ নিৰ্মাণৰ বাবে ৮ম বিত্তীয় আয়োগৰ মুঠ ৮০৬'৩৮ লাখ টকা অনুদান পোৱা হৈছে। আমি সকলো অঞ্চলতে সমানেই অগ্ৰাধিকাৰ দিম। আমি পূৰ্বৰ চৰকাৰে কৰাৰ নিচিনা কৰিব বিছৰা নাই। আমি নিজে পাইছো—সোনাৰীৰ প্ৰাক্তন বিধায়কে তাত এটা স্কুলঘৰ নিৰ্মাণৰ কাৰণে ৫০ হাজাৰ টকা দিছিল কিন্তু কাম নকৰিলে। তেনেকুৱা অজস্ৰ অভিযোগ আমাৰ হাতত আছে। গতিকে এই স্কুলবিলাক আমি পৰ্য্যায়-ক্ৰমে নিৰ্মাণ কৰিবলৈ লৈছো আৰু আমাৰ বিশ্বাস আমি নিৰ্মাণ কৰি তুলিব পাৰিম।

অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে যি শংকা বোধ কৰিছে তেনে সংকাবোধ কৰাৰ কোনো প্ৰয়োজন নাই। গণ পৰিষদ চৰকাৰৰ নীতিয়ে হৈছে আমি সকলোকে সমান চকুৰে চাম। শিক্ষা বিভাগত দুটা মৌলিক কথা হৈছে তাৰে এটা শৈক্ষিক আৰু আনটো প্ৰশাসনিক। প্ৰশাসনত দুৰ্নীতিৰ কথা কোৱা হৈছে। কিন্তু গত এবছৰত মই নিজে ফাইল চাইছো দুৰ্নীতি কৰিবলগীয়া ক'ত আছে? ডি-আই অফিচ বা ডি-পি-আই অফিচত বদলি প্ৰমোচন আদিত

দুৰ্নীতি কৰিব পাৰে মঞ্জুৰী আনিবলৈ যাওতে দুৰ্নীতি কৰিব পাৰে কনকাৰ্মেচনৰ ক্ষেত্ৰত দুৰ্নীতি কৰিব পাৰে। কিন্তু এইবিলাক হোৱাৰ কাৰণ আগতে দায়িত্ব নহোৱাকৈ সমস্যাবোৰ কেন্দ্ৰীভূত কৰা হৈছিল তাৰ কাৰণে এই অৱস্থা। প্ৰশাসনৰ ক্ষেত্ৰত আমি এখন কেলেণ্ডাৰ কৰিবলৈ ওলাইছো এই সমস্যাবোৰৰ যাতে কিঞ্চিত সমাধান হয়। কিন্তু এই ২৭৮ কোটি টকা আমাৰ হাতত যিমানবিলাক সমস্যা আছে সেই হিচাবে নিচেই তাকৰ। কিন্তু তাৰেই আকৌ কৰ্তন কৰিব লাগে বুলি বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱ আনিছে। দুৰ্নীতিৰ কথা কৈছে নিয়োগ আদিৰ ক্ষেত্ৰত। হায়াৰ চেকেণ্ডাৰীৰ কথা কৈছে ১১৯ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইতিমধ্যে, ৫৫২ জন বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে আৰু ৭০৩ জন শিক্ষক শিক্ষয়ত্ৰীৰ পদ নিয়মীয়া কৰা হৈছে। কিন্তু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহ কৰোতে আমি ভুল কৰা নাই আগতে কি কৰিছিল? য'ত প্ৰয়োজন নাই তাত উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰা হৈছে। গুৱাহাটীৰ মজিয়াত ইমান কেইখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দৰ্কাৰ আছিল নে? আমিও ভাবো এই বৈষম্যবিলাক দূৰ হব লাগে। মই ন-দি কব পাৰো নিযুক্তিৰ ক্ষেত্ৰত আমাৰ কোনো হেমহী হোৱা নাই। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে চি-পি-এম হওঁক বা এ-জি-পি হওঁক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এই নিযুক্তিয়ে হল জটিল সমস্যা আৰু সেই গভীৰতাৰ কথাকে আমি চিন্তা কৰি আছো। আগত কৰি যোৱা কাম বিলাকৰ আমি এতিয়া সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। স্কুলবিলাক প্ৰাদেশীকৰণ কৰিলে কিন্তু শিক্ষক সকলবো কেডাৰ চিনিয়ৰিটি হব নে কি হব তাৰ একো ব্যৱস্থা কৰা নহ'ল। বিধান সভাৰ মজিয়াত বিল পাছ হ'ল কিন্তু তেতিয়া বিৰোধী পক্ষই এই সমস্যা সমূহৰ বিষয়ে মাতমতা নাছিল। প্ৰধান শিক্ষকসকল কি কেডাৰৰ পৰা আহিব নে ৰাজ্যিক ভিত্তিত চিনিয়ৰিটি ধাৰ্য্য কৰা হব সেই বিষয়ে কোনো উল্লেখ নাই। আমি এতিয়া ইয়াৰ সন্মুখীন হবলগীয়া হৈছে। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে আচল সমস্যাটো বুজিবলৈ চেষ্টা নকৰি অধেমধে কথা কলে আমি দুখ পাওঁ। প্ৰকাশন পৰিষদত শিক্ষামন্ত্ৰী হিচাবে মোক বেপাৰ কৰা বুলি কৈছে আৰু মাননীয় আন আন সদস্য সকলেও তাত 'চে চেম' বুলি কৈছে। কিন্তু সমস্যাটোৰ গভীৰতা ক'ত? সেইটো চিন্তা কৰা হলে তেনেকৈ নকলেহেতেন।

অধ্যক্ষ মহোদয়, আজি শিক্ষকসকলে আপত্তি কৰা নাই। কিন্তু বিৰোধী পক্ষৰ সদস্যসকলে সমস্যাটোৰ ভিতৰত নোসোমাই ওপৰে ওপৰে চোৱা কাৰণে

এনে এটা অৱস্থাৰ সৃষ্টি হৈছে। আজি শ্ৰীবিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে ড্ৰপ-আউট হয়। সেইটো অৱশ্যে হয়। ড্ৰপ-আউটৰ সমস্যা আমাৰ আছে। বান পানী বিধস্ত অঞ্চল বা চাহ বাগিছা আদি অঞ্চলত ড্ৰপ-আউটৰ সমস্যা আছে। এই বিলাকৰ ক্ষেত্ৰত আমি ব্যৱস্থা লৈছো।

প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰণে সদস্য গৰাকীৰ লগত মই একমত। সেই কাৰণেই ইয়াৰ লগত আমি এন, চিচি, আদিৰ দৰে ভলেণ্টিয়াৰী অনুষ্ঠানসমূহক আমি ইয়াত জড়িত কৰিছো আৰু টকাও অনুদান দিছোঁ।

অধ্যক্ষ মহোদয়, আমাৰ নিয়ম নোহোৱা চৰকাৰ বুলি কৈছে। শিক্ষাৰ ক্ষেত্ৰত মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই এটা কথা কৈছে যে শিক্ষা বছৰবোৰ কৃষি ভিত্তিক আৰম্ভ কৰিব লাগে। শিক্ষা বছৰ আগবঢ়াই অনাটো আমাৰো লক্ষ্য। এইবাৰ ফেব্ৰুৱাৰীলৈ অনা হৈছে। অহা বছৰৰ পৰা আমি জানুৱাৰী মাহৰ পৰা আৰম্ভ কৰিবলৈ চেষ্টা কৰিছোঁ।

পাঠ্যক্ৰমৰ ক্ষেত্ৰত অহা বছৰৰ পৰা জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৱে গুণগতভাৱে যাতে শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে আমি ব্যৱস্থা লৈছোঁ।

নতুন শিক্ষা নীতিয়ে ভাৰতৰ স্বাধীনতা আৰু সংগ্ৰামৰ ইতিহাস, সাংবিধানিক দায়বদ্ধতা, জাতীয় স্বকীয়তা প্ৰতিফলিত হোৱা, সংশ্লিষ্ট বিষয় বস্তু অৱশ্যে পথনীয় কৰি দিছে। জাতীয় কেৰিকুলামৰ লগত সংগতি ৰাখি অভিজ্ঞক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ এটা নতুন কেৰিকুলাম তৈয়াৰ কৰিছো আৰু ১৯৮৮ চনৰ শৈক্ষিক বছৰৰ পৰা চালু কৰিবলৈ এটা তিনিজনীয়া কমিটীক পাঠ্য পুথি প্ৰণয়নৰ ভাৰ দিয়া হৈছে। মাধ্যমিক শিক্ষা পৰিষদে পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ নতুন কেৰিকুলাম তৈয়াৰ কৰাৰ কাম ইতিমধ্যে হাতত লৈছে। ইয়াৰ উপৰিও ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে চলিত বছৰত নতুন শিক্ষা নীতিৰ ভিত্তিত প্ৰস্তুত কৰা বিস্তৃত শিক্ষক প্ৰশিক্ষণ আচনিত প্ৰাথমিক আৰু মাধ্যমিক পৰ্য্যায়ৰ যোল্ল হাজাৰ শিক্ষক শিক্ষয়ত্ৰীক প্ৰশিক্ষণ দিয়া হৈছে।

অপাৰেচন ব্লেক বোৰ্ড নাম দি নতুন শিক্ষানীতিয়ে প্ৰতিখন স্কুলত শিক্ষাদানৰ বাবে প্ৰয়োজনীয় নিম্নতম সা-সুবিধা যেনে পঢ়াৰ বাবে কোঠা, খেলাৰ বাবে সামগ্ৰী, ব্লেক বোৰ্ড, মেপ, চাৰ্ট আদি সাধাৰণ শিক্ষা দানৰ সজুলী আদি দিয়াত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই নিম্নতম সা-সুবিধা চলিত বছৰৰ

পৰাই অসম চৰকাৰে পৰ্য্যায়ক্ৰমে আগবঢ়াবলৈ স্থিৰ কৰিছে আৰু ৩১২.০০ লাখ টকা এই শিতানত মঞ্জুৰী দিছে।

অধ্যক্ষ মহোদয়, আজি চিলেবাচ বিলাক সলনি হৈছে আগৰ দৰে নহয়। সেয়ে এলিমেণ্ট্ৰৰী এডুকেচনত ইকুইপমেণ্টচ্‌ত টকা ধাৰ্য্য কৰিবলগীয়া হৈছে। কাৰণ গাখীৰ বা পানী জুখিবলৈ হলে যন্ত্ৰ আদি নহলে কেনেকৈ জুখিব ? সেয়ে এইবিলাক ইকুইপমেণ্টৰ প্ৰয়োজন আছে আৰু সেই বাবেই এই টকা ইয়াত ধাৰ্য্য কৰা হৈছে।

প্ৰাথমিক শিক্ষকক স্বীকৃতি দিয়াৰ কাৰণে এই বিধান সভাতে মই বহুবাৰ কৈছোঁ আৰু বহুত প্ৰশ্নও আহিছিল। আৰু ইতিমধ্যেই এই ক্ষেত্ৰত আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে। বহু বছৰ ধৰি শিক্ষকসকলক বহু প্ৰবঞ্চনা কৰি অহা হৈছিল। অকল ডি, পি, আই অফিচৰ কৰ্মচাৰী সকলক গালি-গালাজ পাৰি থাকিলেই নহব মূল সমস্যাটোৰ ভিতৰলৈকে কোনো সোমাব নোখোজে। এইটো বৰ দুখৰ কথা। এই সমস্যাসমূহ মীমাংসাৰ কাৰণে ইতিমধ্যে বিল উত্থাপন কৰা হৈছিল। গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পিচত আমি যিখিনি কাম কৰিছোঁ সেই খিনিকে অন্ততঃ অলপ গতিশীল চৰকাৰ বুলি অভিহিত কৰা উচিত আছিল। কিন্তু কোনেও নকৰিলে।

অধ্যক্ষ মহোদয়, আমি শিক্ষক নিয়োগৰ ক্ষেত্ৰত ডঃ জ্যোতি মেধিক লৈ এখন কমিটী গঠন কৰিছোঁ। চৰকাৰে প্ৰতিখন মহকুমাতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ বাবে একো একোখন শিক্ষা উপদেষ্টা পৰিষদ গঠন কৰি দিছে। এই পৰিষদ সমূহত শিক্ষক, শিক্ষাবিদ আৰু স্থানীয় ব্যক্তিক সভ্য হিচাবে মনোনীত কৰা হৈছে। ইতিমধ্যে বোৰ্ডে ৬ হাজাৰ পদ নিয়মীয়া কৰি দিছে। আৰু বাকী বিলাকৰ ক্ষেত্ৰত ব্যৱস্থা কৰি আছে। আমি নিষ্ঠাৰ মাজেৰে কাম কৰিবলৈ বিচাৰিছো। কোনো ব্যক্তিৰ সন্তুষ্টিৰ বাবে নহয়, সেয়ে অলপ সময়ৰ প্ৰয়োজন হৈছে।

ৰাইজ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সুবিধাৰ অৰ্থে খণ্ড উন্নয়ন পৰ্য্যায়লৈ প্ৰশাসনীয় ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হৈছিল যদিও সুচাৰুৰূপে কাৰ্য্য সম্পাদন কৰিবলৈ পদ সৃষ্টি কৰা হোৱা নাছিল। চলিত বছৰতে প্ৰতিটো ব্লকৰ বাবে এটি পৰিসংখ্যা সহায়ক আৰু এটি উচ্চ বৰ্গৰ সহায়ক মঞ্জুৰী দিয়া হৈছে। সেইদৰে জিলা শিক্ষা বিষয়া সকলৰ কাৰ্য্যালয়ৰ বাবেও অতিৰিক্ত পদৰ সৃষ্টি কৰা হৈছে। ইয়াত কোনো ৰাজনৈতিকতাৰ কথা নাই।

অধ্যক্ষ মহোদয়, আমি প্ৰত্যেক সদস্যৰ পৰা ৫ খন স্কুলৰ নাম বিছাৰিছিলোঁ।

আৰু শিক্ষাবিদৰ নামো ৰিচাৰিছিলোঁ। অকল চৰকাৰী পক্ষৰে নহয় বিৰোধী পক্ষৰ সদস্যসকলৰ লগতো আমি মাজে মাজে যোগাযোগ কৰি আহিছোঁ। শিক্ষাবিদসকলৰ লগত মই নিজে গৈ লগ ধৰি স্থানীয়ভাৱে আলোচনা কৰিছিলো, আৰু আমাৰ মত বিনিময় ইতিমধ্যে কৰিছিলোঁ। মই নিজেই জিলা বিলাকলৈ যেনে শিৱসাগৰ, যোৰহাট, নগাওঁ আদি ঠাইলৈ গৈছিলোঁ আৰু বিভিন্ন শিক্ষাবিদৰ লগত আলোচনা আদি কৰিছোঁ। এইটো উপলব্ধি কৰিছো যে আত্মোপলব্ধিৰ দ্বাৰাহে এইবোৰ কাম সম্ভৱ হব। বিভিন্ন শিক্ষাবিদক বিভিন্ন সময়ত আমি ইয়ালৈ আমন্ত্ৰণ কৰি আনিছোঁ আৰু এই সমস্যাবিলাক আলোচনা কৰিছোঁ।

আমি ইতিমধ্যে কলাইগাৱঁত ২২ লাখ টকা বিতৰণ কৰিছোঁ। অসমত বিভিন্ন অনুষ্ঠানত ইতিমধ্যে লাখ লাখ টকা বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বীৰ হাতত দিয়া হৈছে। ভাষা সম্পৰ্কত বসুমতাৰী ডাঙৰীয়াই ফেক্সিবিলিটি থাকিব লাগে বুলি কৈছে। ময়ো কৈছো যে আমি এই পলিচিৰ পৰা আতৰি অহা নাই। ৰিজিয়নেল লেংগুৱেজ হায়াৰ চেকেণ্ডাৰী ষ্টেজত থাকিব লাগে বুলি কৈছে। আমাৰ ৰাজ্য ভাষা অসমীয়া কিন্তু আমি অসমীয়াৰ লগতে হিন্দী আৰু ইংৰাজীও পঢ়িব লাগে। ইউ, পি আদি ৰাজ্যৰ কথা বেলেগ। তাত মাতৃভাষাও হিন্দী আৰু স্কুলৰ মাধ্যমো হিন্দী। গতিকে অসমক অন্যান্য ৰাজ্যৰ লগত তুলনা কৰিলে নহব। আমি সেয়ে কৈছো যে পলিচী ডকুমেণ্টৰ পৰা আতৰি অহা নাই। সেয়ে আমি নতুন ব্যৱস্থাৰ লগত খাপ খোৱাকৈ নতুন পাঠ্যপুথি প্ৰনয়ণৰ ব্যৱস্থা কৰিব লাগিব। খিলঞ্জীয়া ভাষাৰ ওপৰত আমি গুৰুত্ব দিবই লাগিব। চৰকাৰে সেইটো বিবেচনা কৰিবৰ কাৰণে ব্যৱস্থা কৰি আছে।

অধ্যক্ষ মহোদয়, মিশ্যনাৰী সকলেও অসমীয়া ভাষাক সহায় কৰিছিল। আমাৰ বসুমতাৰী ডাঙৰীয়াইও মিশ্যনাৰী সকলে অসমীয়া ভাষাক সহায় কৰিছিল বুলি উল্লেখ কৰিছে। স্বাধীনতাৰ পিচতো এই ভাষা বিকাশৰ কাৰণে কি কি কৰিছিল? কিন্তু আমাৰ চৰকাৰে ভাষা বিকাশৰ কাৰণে দায়িত্ব লৈছে। যোৱা বছৰ মিছিং ভাষা, বাভা ভাষা, প্ৰবৰ্ত্তন কৰা হৈছিল আৰু ইয়াৰ বাবে অনুসন্ধান গবেষণা কেন্দ্ৰ সম্পূৰ্ণ কৰা হৈছে। এতিয়া আমি ভাষা বিকাশৰ কাৰণে নিশ্চয় ব্যৱস্থা লম।

Mr. Speakar : Order; Order, it is now 1-30 p. m. All the Cut Motions are Guillotined. Now, I put the remaining Grant's for the acceptanes by the House.

I put the Motion. The Motion is that Grants No. 26, 58, 62, 48, 37, 29, 42, 1, 2, 3. 4, 10, 11, 13, 15, 17, 18, 20, 21, 22, 24, 25, 27, 28, 30, 31, 32, 33, 34, 35, 36, 38, 39, 41, 43, 44, 46, 50, 51, 52, 53, 54, 56, 59, 60, 61, 65, 66, 67, 68, 69 be passed.

The Motion is passed and the Grants are passed.

আজি সদনৰ পাচৰ কাৰ্য্যসূচী লবলৈ হলে কিছু সময় লব। আকৌ ডেৰ ঘন্টা পিচত অৰ্থাৎ তিনি বজাত সদন বহিলে ভাল হয়। মই আশা কৰো ইয়াত সদনৰ মাননীয় সদস্যসকলৰ সন্মতি আছে।

( সদনত উপস্থিত থকা সদস্যসকলে সন্মতি জনায় )

তেতিয়া হলে আবেলি তিনি বজালৈ সদন স্থগিত ৰখা হয়। )

( Lanch Break )

Assam Appropriation ( No. II ) Bill 1987

( The House re-assemled at 3 P. M. with Mr. Speaker in the Chair )

Mr. Speaker : Now the Assam Appropriation ( No. II ) Bill, 1987 with be distributed.

( Distribution of the Bill continues )

Now Hon'ble Chief Minister to move.

Shri Prafulla Kumar Mahanta ( Chief Minister ) : Sir, I beg leave of the House to introduce the Assam Appropriation ( No. II ) Bill 1987.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ? ( voices : Yes, yes ). Leave is granted.

Now, here is a message from the Governor of Assam which reads as follows : "Raj Bhavan, Guwahati the 21st March, 1987—Under the provision of Article 207 (I) of the

Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation ( No. II ) Bill 1987.

Sd : Bhishma Narain Singh,
Governor of Assam."

Now, Chief Minister to introduce the Bill.

Shri Prafulla Kumar Mahanta ( Chief Minister ) : Sir, I beg to introduce the Assam Appropriation ( No. II ) Bill 1987.

( Secretary read out the title of the Bill introduced )

Mr. Speaker : Now, item No. 3 (b). There is a message from the Governor of Assam dated 21st March, 1987. It reads as follows :

"Raj Bhavan, Guwahati, the 21st March, 1987.

Uunder the provision of Article 207 (3) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend that the Assam Appropriation ( No. II ) Bill, 1987 be taken into consideration by the Assam Legislative Assembly.

Sd : Bhishma Narain Singh
Governor of Assam."

Now, Chief Minister to move.

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg to move that the Assam Appropriation ( No. II ) Bill, 1987 be taken into consideration.

Shri Ardhendu Kumar Dey : Sir, I like to raise a discussion on a subject that is Grant No. 52 which always remains in a safe zone.

অধ্যক্ষ মহোদয়, আমি শুরুতেই বলেছি যে আমরা এমন একটা বিভাগের কথা আলোচনা করতে যাচ্ছি যে বিভাগ সব সময় একটা সেফ্ জোনে থাকে। অর্থাৎ এই বিভাগের দুঃখ দুর্দশার কথা, উন্নতির কথা বা এই বিভাগে যাঁরা কাজ করেন তার কথা আলোচনা করার সুযোগ আমরা পাই না। তাই, মহোদয়, এই ৫২ নং গ্রান্টে অর্থাৎ এনিমেল হাজবেণ্ড্রী বিভাগের জন্য ধরা হয়েছে ২১ কোটী ৪৮ লক্ষ ৪৩ হাজার টাকা। মহোদয়, এতো কোটী কোটী টাকা এই বিভাগে খরচ হয়। আমরা খুবই আনন্দিত যে এই বিভাগ 'আসাম ৮৬'তে পুরস্কার আনতে পেয়েছে।

স্যার, এই বিভাগের অধীনে কিছু স্কীম ( Scheme ) নেওয়া হয়েছে যে গুলি খুবই আনন্দের সংবাদ। দেখে মনে হচ্ছে খুব শীঘ্রই ব্রহ্মপুত্র দিয়ে আর জল যাচ্ছে না—কেবল দুধ যাবে। আমরা সেদিনের জন্য অপেক্ষা করে আছি।

মহোদয়, এই দুগ্ধ প্রকল্প আচনিতে কতগুলি গ্রামকে ধরে নেওয়া হয়েছে যে গুলিতে এই প্রকল্প বাস্তবায়িত করতে সরকারের তরফ থেকে অবশ্য কোন কিছুরই অভাব দেখতে পাচ্ছি না। কিন্তু যে কথাটা এখানে বলা প্রয়োজন সেটা হলো যে কথা বলা এবং তা বাস্তবে রূপায়িত করার মধ্যে যে পার্থক্য যে সম্পর্কে আমি আপনার মাধ্যমে সদনের দৃষ্টি আকর্ষণ করতে চাই। মহোদয়, এই সেফ জোনে থাকার সুযোগে যে পরিমান দূর্নীতি এই বিভাগে চলে তা সবাই জানেন তা বিস্তারীত আলোচনা করার সুযোগ আজ হবে না কিন্তু এই মার্চ মাসের ২৭ তাং 'আসাম বানী' যা লিখেছে তা পড়ে শোনালে মহোদয়, আপনি আশ্চর্য্য হবেন যে এমন একটা বিভাগে সেখানে স্কীম নেওয়া হয়েছে এবং প্রচুর অর্থ মঞ্জুর করা হচ্ছে দুগ্ধ প্রকল্পে গরীব লোকেদের সাহায্য করার জন্য অথচ এই অর্থ সাহায্য গরীব লোকেদের না দিয়ে ব্যাংকে জমা করে দেওয়া হচ্ছে। বেংক নাকি এসব লোকেদের লোন দেবে। এটা একটা অদ্ভুদ ইরেগুলারিটি। অসম বানী সত্য কথা লিখেছে কি না সেটা সত্যই ভেবে দেখা দরকার। আমি জানতে চাই মন্ত্রী মহোদয়ের নিকট থেকে যে এই কথা সত্য কি না? আমি তার অংশ পড়ে শোনাচ্ছি।

দূর্নীতিৰ খীৰতী বিভাগ দুগ্ধ উন্নয়নৰ ৬৭ লাখ টকাৰ ৰহস্য কাহিনী।

বিশেষ সংবাদাতা : সম্প্ৰতি অসম চৰকাৰৰ দুগ্ধ উন্নয়ন বিভাগৰ আন এটা কেলেংকাৰী পোহৰলৈ আহিছে। ৬৭ লাখতকৈ অধিক মঞ্জুৰী প্ৰাপ্ত টকা এই

বিভাগটোৱে সময়মতে খৰচ নকৰাৰ এক ৰহস্যজনক ঘটনাৰ সম্ভেদ পোৱা গৈছে। অসম চৰকাৰৰ পশুপালন বিভাগৰ নামত উল্লেখিত পৰিমাণ টকা যোৱা ১৯৮৬ চনৰ মাৰ্চ মাহত ( ১৯৮৫-৮৬ চনৰ পৰিকল্পনা অনুযায় ) ৰাইজক খীৰতী গাই বিতৰণ আৰু কৰ্মচাৰীৰ কুৱাটাৰ নিৰ্মাণৰ বাবে মঞ্জুৰ কৰা হৈছিল। মঞ্জুৰীকৃত উক্ত ধনৰ হিচাব খীৰতী গাই দিয়াৰ শিতানত তলত প্ৰাপ্তবোৰৰ নামত এনেদৰে দেখুৱা হয়। (১) জনজাতীয় লোকক ৯, ৯৬, ৫০০'০০ (২) অনুসূচীত লোকক ৯, ৯৬, ৫০০'০০ (৩) সাধাৰণ পৰিকল্পনাৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক ৩০, ০০, ০০০'০০ (৪) চৰ অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক ৪, ৯৯, ৯৮০'০০ টকা (৫) চৰ অঞ্চলৰ ৩০, ০০০'০০ (৬) চৰ অঞ্চলৰ ইঞ্জিন নাওঁ কিনাৰ বাবে ২, ৮২, ০০০'০০ আৰু (৭) কৰ্মচাৰীৰ গৃহ নিৰ্মাণৰ কাৰণে ৯, ১৬, ৭০০'০০ মুঠ ৬৭, ৪১, ৬৮০'০০ টকা। আরও অনেককিছু আছে। স্যার সবচেয়ে দুখজনক কথা হলো যে প্ৰসংগক্ৰমে উল্লেখ কৰিব পৰি যে বিভাগটোত প্লেন মতে ৰাইজক অকল গাই গৰুৱেই নহয় তাৰ উপৰিও গৰু ৰখাৰ ঘৰ সজা, গৰুৰ দানা, গৰুৰ চিকিৎসা ইত্যাদিৰ বাবেই চৰকাৰৰ পৰা বিভাগটোলৈ ধন মঞ্জুৰ কৰা হৈছিল। গৰুৰ সহ অন্যান্য সুবিধা বিনামূলীয়াকৈ দিবৰ বাবেই উক্ত ধন দিয়া হয়—যাৰ সহায়ত দৰিদ্ৰ কবলিত ৰাইজে জীৱন জিবিকাৰ সমস্যাৰ পৰা অলপ সকাহ পাব পাৰে। কিন্তু আজিলৈকে কৰ্মচাৰীৰ কুৱাটাৰ নিৰ্মাণেই হওক নাইবা মটৰ বোট কিনাই হওক নাইবা ৰাইজক বিনামূলীয়া গাই বিতৰণেই হওক কোনো কালতেই টকা খৰচ নকৰাৰ অভিযোগ উঠিছে। শুনা গৈছে যে এনেকৈ এক বছৰ অতিক্ৰম কৰাৰ পিচত জমা টকা খিনিক ভিন ভিন ধৰণে খৰচ কৰাৰ জমা ৰিভাগটোৱে চলাইছে। সেইটো হল যে গাই দিয়া টকাখিনি বেংকত স্থায়ী জমা কৰি থৈ দিয়া হব। তাৰ বিনিময়ত ( চিকিয়ৰিটি ) বেংকে বিভাগটোৰ প্লেনমতে ৰাইজক গাই কিনাৰ বাবে ঋণ মঞ্জুৰ কৰিব।

স্যার, কি দুৰ্ভাগ্যের কথা যে টাকা গ্ৰাণ্ট করা হয়েছে কতগুলি লোককে দেওয়ার জন্য। জনজাতি, অনুসূচীত লোক যারা দরিদ্র সীমারেখার নীচে রয়েছে অথচ তাদেরে বঞ্চিত করে বেংকে জমা রেখে এই টাকা আবার এদেরে লোন হিসাবে দেওয়া হবে? অদ্ভুত কথা।

মহোদয়, আসাম ৮৬ ( Assam 86 ) তে এই পশুপালন বিভাগ প্ৰথম পুরস্কার পাওয়ায় আমরা আনন্দিত হয়েছিলাম কিন্তু অত্যন্ত দুঃখের বিষয় যে এই আসাম ৮৬ তে যে খীৰতী গাইজনী আৰু চেউৰীজনী নেপালীৰ পৰা জনা

হৈছিল। নেপালীৰ গোহালীৰ পৰা অনা গাই আৰু চেউৰি দেখুৱাই প্ৰথম পুৰস্কাৰ ললে। কনি ৩ টাকৈ খাব লাগে বুলি এটা গান আছে। এই ব্যৱস্থা হলে ব্ৰহ্মপুত্ৰই দি গাখীৰ বব। ব্ৰহ্মপুত্ৰৰ পানীবিলাক গাখীৰ হলে মানুহে খাই পেলাব আৰু তেতিয়া ব্ৰহ্মপুত্ৰ নদী শুকাই যাব।

এই জন্য আমি বলছি যে এটা এমন একটা বিভাগ যে খুবই নীচু হয়ে কাজ করছে অথচ আমরা কেউ লক্ষ্য করছি না। এদিকে আমাদের চোখ দেওয়া প্রয়োজন। কিন্তু কেউ এদিকে চোখ দেয় না কারন এখানে চলে গরুর কারবার, মুরগীর কারবার মানুষের কারবার নয়। আমরা গরু মুরগীর আলোচনা করি না. কিন্তু ৩ টা ডিম জোর খাবার পরামর্শ দেই। বলি ইজরাইলের লোকরাই রোজ কইটা ডিম খায়। আমাদেরও খেতে হবে। আরও দুধ ছানা খেতে হবে কিন্তু এই বিভাগের যে লালবাতি জ্বলছে তা বন্ধ করে যাতে সবুজ বাতি জ্বালানোর ব্যবস্থা করা হয় এই অনুরোধ আমি করে আমি আমার বক্তব্য শেষ করছি! ধন্যবাদ।

Shri Silvius Condpan : Mr, Speaker Sir, in this very Appropriation Bill, I would like to observe on certain departments. I would like to refer the Department of Minerals. The Department of Minerals deals with mineral products and I know that as in many other Departments we have Corporations and Boards, so also in the Department of Minerals we have got the Assam Mineral Development Corporation and I know, Sir, this Department does not draw such a popular attention of all of us. This Department is working with the authorised capital of Rs. 20 lakhs and Sir, th s Corporation, I understand, is one of the most important Corporations that can earn revenue for the State and from its inception in the year 1983 with this Rs. 20 lakhs authorised capital, it has been gradually making profit. But I understand, the Government is not very much serious to improve this very Corporation

and this Corporation in Assam could be made to work atleast in the line, say, in Assam there is possibility of working in the line of mining in beneficiation of heavy mineral and precise metals, producing of coal from small colliaries specially from the Central Assam. Superior quality of sand, line, brick project are all important projects which can be taken up by the Mineral Development Corporation. But it cannot go for such big projects because of fund. I think it might have been started just on experimental basis with Rs. 20 lakhs of authorised capital. In other states, Mineral Development Corporations have authorised capital of Rs: 2 crores to 6 crores: So, Sir in this way, I would like to request the Government and particularly the Department concerned to give more incentive to this Corporation to take up the projects and in obtaning licence, lease etc. and by increasing authorised capital from Rs. 20 lakhs to Rs. 2 to 6 crores so that it can earn more revenue and give employment to the people in the State. Secondly Sir, the Department of labour has not been discussed. The Department of labour is looking after the people who are earning gold for the State. Not only for the State but for the country. But to-day the machinery who is looking for the welfare of this people is not adequately manned ; for example, the Labour Inspector, the labour Officers, the Assistant labour Commissioner posts are not adequately manned. With the change of social working system, working condition, the problem of the tea garden workers have increased. Sir, the strength of the labour Inspector, Assistant labour Commissioners, the labour officers is not adequate. The arrangement is not adequate to look after the welfare, to

look after the implementation of the Assam Tea Plantation labour Acts, or any Acts provided by the Government. To-day we will pass this Bill. But I will request the dynamic Chief Minister who is the Finance Minister to see that he will not be miser enough to sanction posts for the Department of labour. He knows the problem already. This Department should not be allowed to suffer for financial constrainst. So more labour Inspectors and labour Officers should be appointed in the Department. This machinery should be geared up. Thirdly, Sir, although we have discussed the Transport Department, one thing I want to submit to the Transport Minister through you Sir,. It is about the Auto-rickshaws and the Taxies of Gauhati city. The treatment the Auto-rickshwallas and the taxi drivers give to the ordinary passengers is very much astonishing. The other day I went to the Hengrabari Public Health Engineering Department from the Janata Bhavan gate, I have to pay Rs. 10·00. On Saturday I went to the DPI office from Ganesh Mandir, I have to pay Rs. 3·00 Add the Auto-rickshawalass say that it is the rate fixed by their Association. They have no meter system for the rates they charge. I want to request the Transport Minister to came to the rescue of the public. They should introduce meter system in Guwahati city. If it is done the poor public who use to came every day for their day-to-day work will get a great relief. There should be a proper policy of the Government in all these. The public should know what is the rate for what distance. Sir, through you I request the Transport Minister to help and save the poor passangers coming from villages. Thirdly,

Sir, for purposes of appropriation there should not be misappropriation. I am very much shocked to see the newsitem in the 'Dainik jugosankha. I am not against the Department of Irrigation. The Irrigation Minister is a very amiable person. He gives patient hearing to everything what ever is brought to him. But what is happening there, it is reported that pipes are purchased from Calcutta. There are officers who have passed such orders. The officers has power to purchase upto Rs. 30,000/- worth of pipes. But has ordered for materials for more than a few lakhs of rupees. This is really matters about which the Government is to take not of. These officers are going beyond thief financial authority. There is every possibility that corruption is indulged in. I would request the Chief Minister and the Finance Minister to see that not a single Department or Heads of Department spends beyond the financial power they have been given so that not a single farthing is misappropriated and indulged into corruption. With these words I conclude.

Shri Altaf Hussain Mazumdar : Sir, I will speak on certain grants which are not discussed in the House. And I will also be very brief. Now, Sir, I have observed the functioning of the Irrigation Department. The Minister is trying to do his best in the Department. What I say is not a castigation of the Minister. Inspite of his best efforts and sincerity he is not able to have the full control over the Department. It become difficult for him to get the Department controlled to the desired way. I am not coming to details. Even on the other day in course of

the answer the hon'ble Minister was pleased to say that certain officers, they have violated some norms in executing the works. The Minister may not know the officers. But the Department knows who these officers are. Another S. D. O. in the protection of a pumping Station not only violated all the norms, but he did the work in a substandard manner The Quality Control also went into it. Inspite of all the effects of quality control to protect the interest of the officer, the report have been suppressed. A work may fail impile of high order of technical specification. It is a different matter. So I will request the Minister Irrigation to deal with such officers little strongly. Who have violated all norms specifications in execution of works for their self interest.

Now, the appropriation means how the money is to be economically used. I am not going to details. Let me come to the Power Department. I think regarding electrification of the villages, the hon'ble Minister of Power is wrongly briefed by some officers. The other day the Minister has in his answer said that the Badarpur of Tarapur GP or Cachar village have been electrified. I myself have visited the village. There are only few posts in the village. The major part of the area is left out. If one part of village is electrified, the people of the other part become restive. The people use to come to the legislators. So my request to the Hon'ble Power Minister to see that.

So, my request to the hon'ble Minister, Power is that let them find out the real difficulties and take up a programme and then let them do it properly. Again, another

thing has come up. One branch of Powers department has fixed certain posts but then they say we have no responsibility, the responsibility is of expansion programme is of somebody else. Even you ask at sub-divisonal office level they say we do not know, we do not deal with this part of the village. So, I request the Minister just to look into all these aspects. It is not only the fault of this Government, alone in earlier Governments time also these things happend and not rectified, So, my request to the Minister is that let it be rectified

Now Sir, I come to the Health grant. Here also personally I have no complaint against the person in the helm of affairs but cartain things are there. I have got a telegram yestarday from Silchar that for want of Oxygen Cylinders, operation and all these things are stopped in Silchar Medical College. The Silchar Medical College cater to the needs of the people coming from Mizoram, Manipur, Tripura and for want of oxygen, operations have been stopped. This is not the whole part of the story, I submitted a question that how many officers from Silchar Medical College are transferred with posts but the Assembly Secretariat has termed the question as vague. But sir, some officers have been transferred from Silchar Medical College with posts. I request the hon'ble Minister to examine it properly. Just to favour some officers, they have been transferred with posts and those posts are lying vacant.

Sir, I personally visited the hospital. I want to see a gentleman there. The Cabin service has been practically stopped. They have stopped the Cabin service. Sir, you

think of Medical cabin Service, if this service is stopped, the patients will suffer. This is not a demand for new Medical College, it is the request just to run the existing college. So I would request the minister kindly to run the college properly, money is not problem. When money would have been the problem then the matter would have been otherwise. So, I once again request the Minister Health just to take up all these things and try to improve the state of affairs. With these observations, I conclude sir.

Mr. Speaker sir, participating on the debate in this Appropriation Bill I like to make a few suggestions only. Sir, in other states, the Veterinary department and Animal Husbandry department, these are completely separate portfolios. So, I shall suggest that at least Veterinary department and Animal Husbanday department should be made separate portfolios because Animal Husbandry department has to research many things. If these two departments are not made separate, they cannot function well. This is my personal opinion only and that is my suggestion. I think the Chief Minister and Minister-in-Charge of Veterinary will kindly take a note of it and will consult other States whether my statement is correct or not. Then sir, I like to make a few observations regarding the Co-operation department. Sir, in Co-operation department, It is a pre-condition that whenever election of any Samabai Samiti takes place, the accounts must be pre-audited. If the account is not pre-audited, then that election is completely void, but sir, in Assam, I have brought more than six or seven matters to the knowledge of the Co-operation Minister, like Hojai. It was Hojai Marketing Society

but now it has given a separate name. Then Jugijan and Dabaka Samabai Samiti and many matters I had referred that they did not submit their accounts at the annual meeting. But sir, the annual general meetings were held. When the shareholders raised the objections that the audited accounts are not placed and there cannot be any election and this meeting cannot proceed further but the departmental officer did not care to ask for the audited accounts. I particularly name about the Dabaka Samabai Samiti and the Hojai Consumers co-operative Marketing Society. It has been given a different name now. So, Audit must be a precondition because they deal with crores of rupees. They deal with crores of rupees in Hojai Marketing Co-oparative society. We find that there is an ammount of Rs. 1 crore 73 lakhs but no account has been given; there were banking transactions also. So sir, this is all about the functioning of the Co-operative Societies. Almost all the Co-operative societies are running under deficit budget. A very beatiful system introduced in Assam by the former Chief Minister Shri Sarat Chandra Sinha with the purpose of making people Co-operative minded but ultimately, it has gone to the hands of the people or persons who play as they like and there is no department to look after this. So, I particularly request the Co-operation Minister to kindly look into these affairs otherwise, Co-operation departments or Samabai Samities can never supply the consumers their commodities at the time of need.

Sir, another suggestion about the Research Department, scientific service and research. Sir, one 1,72 lakhs have een earmarked for this Department. In 1964 I with a team of

Assembly members went to other States and at that time we visited the Mysore Research Laboratory. When we asked to comment, the Director of Research said with much reluctance that when the Second World War began Churchill reduced the expenditure of all other Departments but in the Research Department amount has been multiplied like anything. But in India, neither the Government of India nor the State Governments have given much importance in research. Therefore my suggestion is that we should put more importance and sufficient funds must be allotted for this Department. Educated and intelligent persons must be drawn from the State to get them properly trained in research jobs. Otherwise, Sir, to go ahead with a progressive Plan it will not be possible without the help of the research people. Here, I shall take up another point that is about the Housing of the rural people. Sir, this Department is under the Ministry of Town and Country planning, but it should be a separate Department. The Housing Board should have a separate Department and HUDCO is there to give plenty of money. If this Department can be run properly, the rural areas of Assam, in the matter of housing, will develop miraculously, Maharastra, Punjab, Haryana and other States of India have done so. Even West Bengal also is going ahead with the housing development scheme. Therefore, Sir, this Department should be completely given an independent status particularly to improve the condition of the rural people.

Sir, I have another suggestion about the reduction of money. So far Freedom Fighters and Rajyik Sainik Board are concerned, out of 3,18 lakhs has been earmarked. This

amount is also not very sufficient, because this is a very vital Department and those people who are ex-service men and those people who took active part in the freedom movement have become very old and they should not be neglected. Majority of them may not exist today but those who are living should not be neglected. So there cases should also be examined and the Department connected with this should see that they do not suffer. Sir, my last suggestion is that in the budget speech I raised certain points to the Hon'ble Chief Minister: I asked him to go through the Rule 74 of the Budget Manual with Appendix M. I requested Chief Minister to go through Appendix M. The Government of India circular is also there in the Budget Volume No: 1 under Rule 74. These three should be read together to get a valid answer so far as budget provision is concerned. With these suggestions I conclude Sir.

* শ্ৰীগোলক ৰাজবংশী : মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি গ্ৰাণ্ট ইয়াত পাচ কৰি দিছো সেই বিষয়ে মোৰ কবলগীয়া নাই। কথা হৈছে যিখিনি টকা আমি মঞ্জুৰ কৰিছো কেনে ধৰণে খৰছ কৰা হয় বা খৰচ কৰিব লাগে সেই বিষয়ে মই দুটামান পৰামৰ্শ দিব খুজিছো। এই পৰামৰ্শ দুটাৰ এটা কৃষি আৰু আনটো হৈছে মীন। কৃষিৰ ক্ষেত্ৰত যথেষ্ঠ আলোচনা হৈছে। সেই কাৰণে মই বেছি উল্লেখ নকৰো। কিন্তু অল ইণ্ডিয়া পেটাৰ্ণত যদি কৃষিৰ উন্নতি কৰিব যায়, মোৰ যিটো অভিজ্ঞতা তেতিয়াহলে আমি অসমত কৃষিৰ উন্নতি কৰিব নোৱাৰিম। আমাৰ সাধাৰণতে দুটা খেতি বুলি কলে শালি আৰু বেহুৰ কথাই মনলৈ আহে। অসমৰ যি মাটি, অসমৰ যি জলবায়ু আৰু অসমৰ যি গৰু এই তিনিটাৰ ওপৰত নিৰ্ভৰ কৰি যদি আমি বেহু খেতি কৰিবলৈ যাও তেতিয়াহলে আমি কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰিম। কাৰণ এই বেহু খেতি কৰিবলৈ হলে নবেম্বৰ মাহত যদি গুটি সিচা যায় তেতিয়া লাভজনক হব পাৰি। যিহেতু

* Speech not corrected.

যেহুৰ বিজ অসমত উৎপাদন নহয় বাহিৰৰ পৰা আনিবই লাগে। এই বীজ আহোতে আহোতে ডিচেম্বৰ মাহ পায়। মনচুন ( monsoon ) যেতিয়া আহে আপোনালোকে দেখিবলৈ পায় যে আমাৰ ইয়াত ঘেহু কটাই নাই। গছতে গজালি মেলে। গতিকে এই ঘেহু কেতিয়াও ফলদায়ক হব নোৱাৰে। অসমৰ মানুহে ধান খেতি নকৰিলে খেতিয়ক বুলি নেভাবে। তেওঁলোকে ধানক লখিমী বুলি ভাবে ঘেহুক নাভাবে।

অধ্যক্ষ মহোদয়, আমি দুটা ধানৰ খেতি কৰিব পাৰোনেকি— এটা বানপানীৰ আগত আৰু আনটো ঠিক বানপানীৰ পিচত। অসমত কৃষি বিশ্ববিদ্যালয় আছে। কিন্তু দুখৰ কথা অসমত আজিলৈকে জলবায়ুৰ লগত খাপ খাব পৰাকৈ বীজৰ যোগান ধৰিব পৰা নাই। যদি এনেকুৱা কাম কৰা হয় তেতিয়া ৫৮ বছৰহে নালাগে আৰু ৩৮ বছৰ লাগিব। অসমৰ জলবায়ু, মাটি আৰু খেতিয়কৰ স্বভাবৰ লগত মিলা ধৰণে বীজ সৃষ্টি কৰিব পাৰে তেতিয়াহলে মই ভাবো অসমত কৃষিৰ উন্নতি সাধন কৰিব পাৰিম। এইটো কৰিবৰ কাৰণে নেচনেল চিডচ্ স্কীমৰ ওপৰত মই জোৰ দিবলৈ কৈছো। নেচনেল চিডচ্ স্কীমটো সম্ভৱ তৃতীয় পৰ্য্যায়ৰ হব। অসমত যি সকল মানুহে খেতি কৰে তেওঁলোক গাৱঁলীয়া মানুহ কাৰণে জানে, ধান কটাৰ দিনা ধানৰ সঁচ বাচি লৈছিল। আজিকালি খেতিয়কসকলে জুবালৰ পৰা ধান উলিয়াই বাঁ দি সঁচ ৰাখোতে পলস থাকি যায়। এতিয়া আগৰ নিয়মৰ অধঃপতন হল। সেই কাৰণে মই আশা কৰো আমাৰ যি পুৰণা পদ্ধতি তাক যাতে বৈজ্ঞানিক পদ্ধতিৰে প্ৰয়োগ কৰিব পাৰো। নেচনেল চিডচ্ স্কীম ( ( Notional Seeds Scheme ) এটা দিছে যি ৰাইচ প্ৰডাকচন কৰিবৰ কাৰণে তাক আমি বাচি লব পাৰো নেকি চাব পাৰে। আপোনালোকে সকলোৱে আলুৰ কথাকে ভাবিছে চাগে। মই আলুৰ কথা নকওঁ। আমাৰ অসমত আলুৰ বজাৰ সৃষ্টি নহয়। আগতে অসমৰ মানুহে ধানৰ বীজ টেমাত ভৰাই ৰাখিছিল, যাতে বতাহ নালাগে। কিন্তু এতিয়া বজাৰৰ পৰা কিনি আনি পথাৰত সঁচ দিওঁ। মানুহে আগৰ স্বভাৱ এৰি দিলে। বীজ যেতিয়া সৃষ্টি নহয়ে আধুনিক ধৰণে বীজ ৰাখিবৰ কাৰণে যিখিনি কৰিব লাগে বিভাগৰ ফালৰ পৰা বা নিজৰ ফালৰ পৰাও প্ৰচেষ্টা লোৱা হোৱা নাই। গতানুগতিকভাৱে চলি আহিছে। আমাৰ মন্ত্ৰী মহোদয়ক লিষ্ট এখন দিছিল যে চিডচ্ কোৰ্পোৰেচনৰ পৰা আনিছে বুলি। চিডচ্ কোৰ্পোৰেচনে ( Seeds Corporation ) কৰ পৰা পালে বুলি মন্ত্ৰী মহোদয়ক সোধাত তেখেতে একোকে নকলে। এইটো কলে

আচল কথাটো ওলালেহেতেন। সৰিয়হ আৰু মটৰ মাজুলিৰ পৰা আনিছে, আলু আনিছে ফঁাচী বজাৰৰ পৰা কেৱল ঘেহু আৰু কৰিৰ গুটি বাহিৰৰ পৰা আনিছে। এই বস্তুবোৰ কৰপৰা আনিছে চাবলৈ কোৱাত তেখেতে কলে মই চাব নালাগে লেবেল মৰা আছে। আজিকালি কত কেনেকৈ লেবেল মাৰিব লাগে সকলোৱে জানে। অহা বছৰৰ বাবে ঘেহুৰ বীজ কিমান লাগিব তাৰ কোনো এচেচমেণ্ট নাই। সেই ঘেহুৰ বীজ আনিবৰ কাৰণে আগতে অৰ্ডাৰ দিব লাগে। ৯ মাহতো নাপায়, ৩ মাহত কেনেকৈ হয়। কাজেই আমি বেপাৰীৰ শৰনাপন্ন হব লাগে। হাৰিয়ানা আৰু ইউ-পিৰ পৰাও বীজৰ সঁচ অনা হয়। আপোনালোকে মৈৰাবাৰী বজাৰত গলে দেখিব তাত প্লেটৰ ওপৰত ৰোকা দি বীজবিলাক গজাই থয়। অৰ্থাৎ তাত নচলা বীজ আমাৰ ইয়াত চলাই দিয়ে। অসমত গছ হয় কিন্তু গুটি নহয়। কিন্তু আমাৰ বিভাগে এইবিলাক ধৰিব নোৱাৰে। সেই কাৰণে মই আশাকৰো আমাৰ ইয়াত যিবিলাক বীজ উৎপাদন কৰিব পাৰি সেইবোৰৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰিব পাৰিনেকি চেষ্টা কৰক।

আমি ৰাইচৰ ওপৰত জোৰ দি কেইটামান স্কীম লৈছিলো। সেই কেইটা স্কীম বাহাল কৰিব লাগে। এই স্কীম কৰিবৰ কাৰণে আমাৰ কিছুমান ফাৰ্ম আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো সেই ফাৰ্মবিলাক চাওঁক। প্ৰায়বিলাক ফাৰ্মত দেখিছো গছ আছে গুটি নাই, গৰু আছে, ঘৰ আছে, চকিদাৰ আছে, ফেনচিং আছে কেৱল খেতি-বাতি নাই। অলপ দূৰ গলে ধুনীয়া মাটি আছে কিন্তু খেতি কৰিব পৰা নাই। এই ফাৰ্মবিলাক এবাৰ চিডচ্ কোৰ্পোৰেচনলৈ আনি বিভাগলৈ ঘূৰাই দিয়ে আকৌ বিভাগৰ পৰা চিডচ্ কোৰ্পোৰেচনলৈ ঘূৰাই পঠায়। এনেকৈ ঘূৰাই পকাই আছে। চিডচ্ প্ৰডাকচনৰ কাৰণে কিব জঁাচনি লব পাৰে নেকি? শেষত আহিছে যন্ত্ৰৰ কথা। এগ্ৰ ইনদাষ্ট্ৰী ডিপাৰমেণ্টটোত যন্ত্ৰ আছে। এই ডিপাৰমেণ্টটোক অফিচাৰসকলে ভাল পায়, মন্ত্ৰী, এম-এল-এ সকলেও ভাল পায়। এগ্ৰিকালচাৰ ডিপাৰমেণ্টত কিনা-বেচা নাই কাৰণে পৰ্টফুলিত লবলৈ ভাল নাপায়। এগ্ৰ ইনদাষ্ট্ৰি ডেভেলপমেণ্ট কোৰ্পোৰেচনেই (Agro Development Corporation) এই বস্তু কিনে মই মন্ত্ৰীয়ে কিনা বুলি কোৱা নাই। অফিচাৰ সকলেহে কিনে। কি বস্তু কিনিব পাৰি, কিনিলে লাভবান হয় নে নহয় সেইটো বুজি পায়। কি খেতিয়কক লাগে সেইটো নাজানে। বজাৰলৈ গৈ মন্ত্ৰীয়ে দগা-পল্লা নাচালেও হব। এগ্ৰ ইনদাষ্ট্ৰিতহে চকু দিয়ক। চকু দিলেহে কি বস্তু লাগে কি বস্তু নালাগে তাক বুজা যায়। নচলা বস্তুটো আমাৰ অসমত

চলাই দিয়াৰ অভিজ্ঞতা আমাৰ আছে। সেইটোত অলপ চকু দিয়ক কোন কোম্পানীৰ আৰু কোনে কিমান টেণ্ডাৰ দিয়ে নে নিদিয়ে সেইটোও চাওঁক। শেষত মাৰ্কেটিং বোৰ্ডত খেতিয়কক সহায় কৰিবৰ কাৰণে কিনা-বেচা কৰে। তাত মন্ত্ৰী মহোদয়ে চেয়াৰমেন বুলি শুনিছো। মঙ্গলদৈৰ পৰা মাৰ্কেটিং বোৰ্ডত এতিয়ালৈকে ১৫ জনক নিযুক্তি দিছে বুলি শুনিছো, সঁচা নে মিছা নাজানো। কিন্তু নিযুক্তিত জোৰ নিদি মাৰ্কেটিং বোৰ্ডতহে গুৰুত্ব দিয়ক। এই তিনিটা অনুষ্ঠান ভাল কৰিব পাৰিলে মন্ত্ৰী মহোদয়ে বজাৰলৈ গৈ দগা-পল্লা নধৰিলেও হব। আমি তেতিয়াহে কৃষকক উপকৃত কৰিব পাৰিম।

দ্বিতীয়তে হৈছে ফিচাৰী ( fishery )। অসমত দুটা বস্তুৰ বজাৰ কেতিয়াও মণ্ড নহয় সেইকেইটা হৈছে মাছ আৰু মদ। গতিকে মাছ উৎপাদন কৰিব পাৰিলে বহুতো মানুহ উপকৃত হব। বহুতো খেতিয়কে গৰুক ঘাঁহ দিব নোৱাৰিলে গৰু শুকাই-খিনাই যায়, কিন্তু মাছৰ পুখুৰী কৰিলে মানুহে বহি বহি ৩ বছৰলৈ খাই থাকিব পাৰে। ফিচাৰীত জোৰ দিয়ক, তেতিয়াহে ফিচাৰীৰ যি উদ্দেশ্য সেইটো সফল হব ; তেতিয়া বহুতো মানুহে উপাৰ্জনৰ ব্যৱস্থা কৰিব পাৰিব। এই দুটা পৰামৰ্শ দি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, যি দুটা বিষয়ত মই কম বুলি ভাবিছিলো, আমাৰ মাননীয় সদস্য ৰাজবংশী ডাঙৰীয়াই সেই একে বিষয় কেইটাই উত্থাপন কৰিলে। মাননীয় অধ্যক্ষ মহোদয় অসমীয়া মানুহে নিজৰ খেতিৰে খাব নোৱাৰে। বাহিৰৰ পৰা আনিব লাগে। এই বিষয়ত কৃষি বিভাগটোৱে চকু দিয়া উচিত। অসমৰ মাটি উৰ্ব্বৰা, কিমান বিধ বস্তু কৰিব পাৰে। আগতে অসমৰ চাউল পশ্চিম বঙ্গ, বাংলাদেশ আদিলৈ পঠিয়াইছিল। কিন্তু এতিয়া পঞ্জাব প্ৰদেশৰ পৰা চাউল নাহিলে আমাৰ চলিব নোৱাৰে। দালি, সৰিয়হ আদিৰ কথাই নাই। এইটো ঠিক আমাৰ এটা কৃষি বিভাগ আছে, এই বিভাগটোৱে আমাৰ দেশৰ খেতিৰ উৎকৰ্ষ সাধন কৰিব বিচাৰিছে নে এইটো দেখুৱাবলৈ বিছাৰিছে যে আমাৰ এখন কৃষি বিশ্ববিদ্যালয় আছে আৰু বহুতো অফিচাৰ আছে। আমাৰ বহুতো উন্নত খেতিয়ক আছে। এইটো সকলোৱে জানে। কিন্তু সেই খেতিয়কসকলে কৃষি বিভাগৰ পৰা কোনো ধৰণৰ সহায় পোৱা নাই আৰু সহায় তেওঁলোকে নলয়ো। আমাৰ সৰভোগত এজন খুব ভাল খেতিয়ক

---

* Speech not corrected.

আছে। মই তেখেতক এদিন সুধিলো, আপুনি কৃষি বিভাগৰ পৰা কেনে ধৰণৰ সহায় পাইছে। তেখেতে কলে যে, কৃষি বিভাগৰ পৰা কোনো ধৰণৰ সহায় তেখেতে পোৱা নাই, আৰু কৃষি বিভাগেও তেওক সহায় নকৰে। কাৰণ কৃষি বিভাগে ভাল খেতিয়কসকলক ভয় কৰে। সেই খেতিয়কজনৰ ১৪ বিঘা মাটি আছে। সেই মাটিত খেতি কৰি বছৰি ১ লাখ টকা আয় কৰে। (সদনত হাহি)। অধ্যক্ষ মহোদয়, ইহাটো সহজ কথা। সেই মানুহজন অভিজ্ঞ মানুহ আৰু বহু বছৰ ধৰি খেতি কৰি আছে। কিন্তু কৃষি বিভাগৰ পৰা কোনো সহায় পোৱা নাই। কৃষি বিভাগে আন সহায় কৰিব নোৱাৰিলেও ভেজাল ম্যাদ যোৱা ঔষধ কৃষকৰ মাজত বিতৰণ কৰিছে। নগজা গুটি বিতৰণৰ বেপাৰ চলিছে। কৃষি বিভাগে আকৌ বিধে বিধে সচ, যেনে ৮ কেজি গমৰ টোপোলা, ৮ কেজি মাটি মাহৰ, মটৰ আৰু সৰিয়হৰ টোপোলা কৰি বিতৰণ কৰা দেখুৱাইছে। কিন্তু গোটেই ৰাজ্যখনত শতকৰা ১০ ভাগো বিতৰণ নকৰে। য'ত গুটি বিতৰণ কৰে তাত সাৰ বিতৰণ নকৰে। সেই গুটিৰ টোপোলাৰ ভিতৰত সাৰ থাকে। আমি ইয়াতে দপ-দপাই আছো, চিদ লিষ্ট কৰিব লাগে। আমি যদি গৈ তদন্ত কৰি চাও বীজ পাইছে নে নাই তেনেহলে দেখিম কৃষি বিভাগৰ এচ-ডি-ও অফিচত খালি কাগজত চিন মাৰি নাম নিলিখাকৈ ইচু কৰি আছে। এই বিভাগটোৰ ওপৰত ভালদৰে টকা দিয়া হৈছে। ৭১ কোটি অলপ বেচি টকা ধৰিছে। তাৰ যদি শতকৰা ৩০ ভাগ অসমৰ প্ৰকৃত খেতিয়কৰ ওচৰলৈ যায় তেনেহলে সেয়ে যথেষ্ঠ। নহলে অসমৰ নিচিনা দেশ এখনত প্ৰত্যেক বিধ বস্তু বাহিৰৰ পৰা আনিব লগা কথা নাই। তৰোপৰি এটা ঠাইত তিনিটা খেতি কৰাৰো কথা নাই। অসমীয়া মানুহে কাম কৰে। কিছুমান জাগাত কামৰ প্ৰয়োজন নাই। প্ৰতি ইঞ্চি মাটিত আমাৰ মানুহে কাম কৰি আছে। কিন্তু কথা হৈছে চৰকাৰৰ ৭১ কোটি টকা যাতে সদ ব্যৱহাৰ হয়। আমি দেখিছো নিজৰ খেতিৰ আয়ৰে চলি আছে। মৰাপাটৰো আয় হয়। কিন্তু আমাৰ মিঠাতেলৰ মিল ৰাজস্থানৰ সৰিয়হেৰে চলি আছে। অসমত খেলি মেলিৰ সৃষ্টি হৈছে। ইয়াৰ পাছত মাছৰ প্ৰশ্ন আহিছে। এইটোও তেখেতে কৈ গল। আজি ৩০/৩১ তাৰিখ। ইয়াত বহিছো। আজি যিদৰে বহিছো যোৱা বছৰো বহিছিলো। যোৱা বছৰো যিদৰে ভাগ হৈছিল, এই বছৰো সেইদৰে ভাগ হৈ আছে। মই যোৱা কালি দুজন বৰপেটাৰ লৰাক পালো। তেওঁলোকে কলে ২৬ তাৰিখে বৰপেটাত নাৰিকল পুলি চাপলাই কৰিব লাগে। এই চাপলাই চিস্কটি/কৰটিত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো

